GHT S2 01

চুলতানসকলৰ দিনৰ পৰা মোগলসকলৰ দিনলৈ ভাৰতৰ ইতিহাস

দ্বিতীয় ষান্মাষিক

ইতিহাস

খণ্ড - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

ড° সুনীল প্রৱণ বৰুৱা, অৱসৰপ্রাপ্ত অধ্যক্ষ, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী
ড° গজেন্দ্র অধিকাৰী, অধ্যক্ষ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী
ড° মৌচুমী দত্ত পাঠক, মুৰব্বী অধ্যাপিকা, ইতিহাস বিভাগ, আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী

সমন্বয়ৰক্ষীঃ সুকমায়া লামা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৮,৯	মৃদুৎপল গোস্বামী,দুধনৈ মহাবিদ্যালয়	৮ পংকজ বৰা আৰু চেলিম মহম্মদ শইকীয়া
	প্রীতি সলিলা ৰাজখোৱা,	৯ পংকজ বৰা, আর্য বিদ্যাপীঠ মহাবিদ্যালয়
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	নিশান্ত পৰাজুলি
১০	সুকমায়া লামা,কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	চেলিম মহম্মদ শইকীয়া
১১, ১২	ইমদাদ আলী আহমেদ, পূব কামৰূপ মহাবিদ্যালয়	১১ ৰীতা দাস, বৰনগৰ মহাবিদ্যালয়
	সুকমায়া লামা,	পংকজ বৰা, আর্য বিদ্যাপীঠ মহাবিদ্যালয়
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	আৰু নিশান্ত পৰাজুলি
১৩, ১৪	গার্গী শর্মা, জুৰী দাস আৰু নন্দিনী শর্মা	পংকজ বৰা, আর্য বিদ্যাপীঠ মহাবিদ্যালয়
	প্রাগজ্যোতিষ মহাবিদ্যালয়	
১৫	মানব চৌধুৰী, ছয়গাঁও মহাবিদ্যালয়	মানব চৌধুৰী, ছয়গাঁও মহাবিদ্যালয়

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ ড° গার্গী শর্মা, ইতিহাস বিভাগ, প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়

ভাষা সম্পাদনা ঃ ড° নিভাৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
কাকলি গগৈ, কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়
ৰীতা দাস, বৰনগৰ মহাবিদ্যালয় আৰু দিলীপ ৰাজবংশী (কটন কলেজ)

গাঁথনিক সম্পাদনা ঃ সুকমায়া লামা ,কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জানুৱাৰী, ২০১৮

© Krishna Kanta Handiqui State Open University.

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

Printed and published by Registrar on behalf of the Krishna Kanta Handiqui State Open University.

Head Office : Patgaon, Rani Gate, Guwahati-781017
City Office : Housefed Complex, Dispur, Guwahati-781 006; Web: www.kkhsou.in

The University acknowledges with thanks the financial support provided by the **Distance Education Council**, New Delhi, for the preparation of this study material.

বিষয়সূচী

খণ্ড-২

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **মোগল সাম্রাজ্যৰ প্রতিষ্ঠা** ১০১-১১০
বাবৰৰ অভিযান, ভাৰতৰ ৰাজনৈতিক অস্থিৰতা, পাণিপথৰ যুদ্ধ, হুমায়ুন

অধ্যায় ৯ ঃ **শ্বেৰ শ্বাহ সূৰী আৰু দ্বিতীয় আফগান সাম্রাজ্য** ১১১-১২০
শ্বেৰ শ্বাহ সূৰী আৰু তেওঁৰ সাম্রাজ্যৰ বিস্তাৰ নীতি, প্রশাসনিক সংস্কাৰ, তেওঁৰ শাসনকালৰ বিশেষত্ব

অধ্যায় ১০ঃ **আকবৰৰ অধীনত মোগল সাম্রাজ্য** ১২১-১৩২
আকবৰৰ সাম্রাজ্য সুদৃঢ়কৰণ আৰু সাম্রাজ্য বিস্তাৰ নীতি, কূটনৈতিক সম্পর্ক আৰু ধর্মীয় নীতি

অধ্যায় ১১ঃ **আকবৰৰ উত্তৰাধিকাৰীসকলৰ অধীনত মোগল সাম্রাজ্য** ১৩৩-১৪৩
জাহাংগীৰ, শ্বাহজাহান, ঔৰংগজেৰ

অধ্যায় ১২ঃ **মোগল প্রশাসন ঃ জাগিৰদাৰী আৰু মনচবদাৰী ব্যৱস্থা** ১৪৪-১৫৬
কেন্দ্রীয় আৰু প্রাদেশিক প্রশাসন, জাগিৰদাৰী ব্যৱস্থা, মনচবদাৰী ব্যৱস্থা

অধ্যায় ১৩ঃ **মোগল যুগৰ সমাজ আৰু অর্থনীতি** ১৫৭-১৬৭
সামাজিক ব্যৱস্থা, নাৰীৰ স্থিতি, কৃষি, মুদ্রা ব্যৱস্থা, ব্যৱসায় -বাণিজ্য

অধ্যায় ১৪ ঃ **মোগলসকলৰ পতন** ১৬৮-১৭৬
মোগলসকলৰ পতনৰ বাবে দায়ী কাৰকবোৰ

অধ্যায় ১৫ ঃ **মাৰাঠাসকলৰ উত্থান আৰু পতন** ১৭৭-১৯২
শিৱাজী ঃ পটভূমি, তেওঁৰ বিজয় অভিযান, প্রশাসন; পেছোৱাসকলৰ উত্থান, মাৰাঠাসকলৰ পতনৰ কাৰণ, বৈশিষ্ট্য

খণ্ড পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত যান্মাষিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্রমৰ অন্তর্গত ইতিহাস বিষয়ৰ দ্বিতীয় যান্মাষিকৰ শিক্ষার্থীৰ বাবে যুগুত কৰা 'চুলতানসকলৰ দিনৰ পৰা মোগলসকলৰ দিনলৈ ভাৰতৰ ইতিহাস' নামৰ পাঠ্যবিষয়ৰ এইটো হ'ল দ্বিতীয় খণ্ড। এই খণ্ডটোত মোগল সাম্রাজ্যৰ প্রতিষ্ঠাৰ সমায়চোৱাৰ পৰা মাৰাঠাসকলৰ পতন লৈকে আলোচনা কৰা হৈছে। এই খণ্ডটোত মুঠ আঁঠটা অধ্যায় আছে।

অষ্টম অধ্যায়টিৰ নাম হ'ল 'মোগল সাম্রাজ্যৰ প্রতিষ্ঠা'। অধ্যায়টিৰ আলোচ্য বিষয় হ'ল মোগল সাম্রাজ্যৰ ভেটি গঢ়াত বাবৰ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ ভূমিকা।

'শ্বেৰ শ্বাহ সূৰী আৰু দ্বিতীয় আফগান সাম্রাজ্য' নামৰ নৱম অধ্যায়টিত বাবৰৰ পাছত ভাৰতৰ ৰাজনৈতিক জগতখনৰ ৰেহৰূপ সম্পর্কে আলোচনা কৰা হৈছে। এজন বিচক্ষণ ৰাজনৈতিক তথা সৈনিক হিচাপে শ্বেৰ শ্বাহৰ উত্থান সম্পর্কেও অধ্যায়টোত আলোকপাত কৰা হৈছে।

দশম অধ্যায়টি হ'ল 'আকবৰৰ অধীনত মোগল সাম্রাজ্য'। অধ্যায়টিত আকবৰৰ ব্যক্তিত্ব, তেওঁৰ সামৰিক সফলতা, সমাজ-সংস্কাৰ আৰু বিভিন্ন নীতি তথা তেওঁক কিয় মহামতি আকবৰ বোলা হয় সেই বিষয়ে আলোচনা কৰা হৈছে।

একাদশ অধ্যায়টিৰ নাম হ'ল 'আকবৰৰ উত্তৰাধিকাৰীসকলৰ অধীনত মোগল সাম্রাজ্য'। অধ্যায়টিত জাহাঙ্গীৰ, শ্বাহজাহান আৰু ঔৰংগজেৱৰ শাসনকাল তথা মোগল সাম্রাজ্যৰ যশস্যা আৰু ক্ষমতা বৃদ্ধি কৰাত তেওঁলোকে আগবঢ়োৱা অৱদানৰ কথা আলোচনা কৰা হৈছে।

'মোগল প্রশাসন ঃ জাগিৰদাৰী আৰু মনচবদাৰী ব্যৱস্থা' নামৰ দ্বাদশ অধ্যয়টোৰ আলোচ্য বিষয় হ'ল মোগলসকলৰ প্রশাসনিক ব্যৱস্থাৰ ব্যাখ্যা।

'মোগল যুগৰ সমাজ অর্থনীতি' হ'ল পাঠ্যবিষয়ৰ ত্রয়োদশ অধ্যায়। ইয়াত মোগল অধীনস্থ ভাৰতত প্রচলিত সমাজ ব্যৱস্থা আৰু অর্থনৈতিক কার্য-কলাপৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুর্দশ অধ্যায়টি হ'ল 'মোগলসকলৰ পতন'। শক্তিশালী মোগলসকলৰ পতনৰ আঁৰৰ কাৰকবোৰৰ ব্যাখ্যা হ'ল এই অধ্যায়টিৰ বিষয়বস্তু।

পঞ্চদশ অধ্যায় 'মাৰাঠাসকলৰ উত্থান আৰু পতন'ৰ আলোচ্য বিষয় হ'লশিৱাজী নেতৃত্বত মাৰাঠাসকলৰ উত্থান আৰু তেওঁলোকৰ ঐতিহাসিক সুখ্যাতি সম্পন্ন শাসনকালছোৱা।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'সম্ভাব্য প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আর্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ৮ ঃ মোগল সাম্রাজ্যৰ ভেটি

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ভাৰতত ৰাজনৈতিক অস্থিৰতা
৮.৪ বাবৰ
- পাণিপথৰ যুদ্ধ

৮.৫ হুমায়ুন
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মোগল আক্রমণৰআগৰ সময়ছোৱাৰ ভাৰতৰ ৰাজনৈতিকঅৱস্থা আলোচনা কৰিবপাৰিব,
- ভাৰতত মোগল সাম্রাজ্যৰ ভেতি গঢ় লোৱা প্রক্রিয়াৰ সম্বন্ধে আলোচনা কৰিব পাৰিব, আৰু
- প্রাৰম্ভিক পর্যায়ৰ মোগল শাসকসকলৰ শাসন কালত ঘটা ৰাজনৈতিক বিকাশ সম্বন্ধে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি দিল্লীচুলতানছাহী শাসনকালৰ পতন ঘটাৰ পাছত সৃষ্টি হোৱা ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিছিলো। দিল্লীৰ চুলতানসকলৰ পতনৰ পাছতেই বহুতো স্বতন্ত্র ৰাজ্যই মূৰ দাঙি উঠিছিল।

দিল্লীৰ চুলতান সাম্রাজ্যৰ ভাঙোনৰ লগে লগে ভাৰতবর্ষত এক ৰাজনৈতিক শূন্যতাৰ সৃষ্টি হয়। সমগ্র দেশখন বংগ, গুজৰাট, মাল্ৱা, মেৱাৰ, জৌনপুৰ, উৰিষ্যা আদিৰ দৰে কিছুমান সৰু সৰু ৰাজ্যত বিভক্ত হৈ পৰে আৰু এই ৰাজ্যবোৰৰ মাজত ৰাজনৈতিক শ্রেষ্ঠতাৰ বাবে এক অৰিয়াঅৰি আৰম্ভ হয়। এই সৰু সৰু ৰাজ্যবোৰক নিয়ন্ত্রণত ৰাখিবৰ বাবে আৰু লগতে শত্রুপক্ষৰ মুখামুখি হ'ব পৰাকৈ এক ঐক্যবদ্ধ জোঁট বন্ধনৰ বাবে সেই সময়ত ভাৰতবর্ষত এক শক্তিশালী কেন্দ্রীয়

শক্তিৰ অভাৱ হৈছিল। সেইবাবে মোগলসকল অহাৰ প্ৰাক্ক্ষণত ভাৰতৰ ৰাজনৈতিক অৱস্থা শত্ৰুপক্ষৰ আক্ৰমণৰ বাবে অনুকূল হৈ পৰিছিল। এই ৰাজনৈতিক অস্থিৰতাই ভাৰতত মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠা হোৱাৰ পথ সুচল কৰি দিছিল।

৮.৩ ভাৰতত ৰাজনৈতিক অস্থিৰতা

● মোগলসকলৰ আগমনৰ সময়ত ৰাজনৈতিক অৱস্থা

বাবৰৰ ভাৰত আক্ৰমণৰ প্ৰাক্ক্ষণত ভাৰতবৰ্ষৰ ৰাজনৈতিক অৱস্থা বৰ পুতৌজনক আছিল। ভাৰতবৰ্ষ বিভিন্ন সৰু সৰু ৰাজ্যত বিভক্ত আছিল যি নিজৰ মাজত অন্তৰ দ্বন্দ্বত লিপ্ত হৈছিল। দক্ষিণ ভাৰততো সেই একেই অৱস্থা আছিল।

দিল্লীৰ চুলতানসকলৰ দিনত দিল্লীয়ে এটি গুৰুত্বপূৰ্ণ আৰু সন্মানীয় স্থান দখল কৰিছিল, কিন্তু চুলতানসকলৰ পতনৰ লগে লগে দিল্লীয়েও আগৰ মৰ্যাদা হেৰুৱাই পেলাইছিল। লোডী বংশৰ শেষ ৰজা ইব্ৰাহীম লোডীক ১৫২৬ চনত বাবৰে পৰাস্ত কৰিছিল। ইব্ৰাহীম লোডীৰ মইমতালিত অতিষ্ঠ হৈ পঞ্জাৱৰ ভাৰপ্ৰাপ্ত প্ৰশাসক দৌলত খান লোডীয়ে স্বাধীনতা ঘোষণা কৰিছিল। তেওঁৰ পুত্ৰ দিলৱাৰ খানক লোডী শাসকসকলে যথেষ্ট অপমান কৰিছিল। ফিৰোজ টোঘলক্ৰ ৰাজত্বকালত মালৱাৰ ৰাজ্যয়ো স্বাধীনতা ঘোষণা কৰিছিল। মালৱাৰ শাসক আৰু মন্ত্ৰীবৰ্গৰ মাজৰ দ্বন্দ্ব বাবৰে ভাৰত আক্ৰমণ কৰাৰ সময়লৈকে চলি আছিল। অধিকাংশ ৰাজ্যই আভ্যন্তৰীণ আৰু বাহ্যিক সমস্যা সমাধানত ব্যস্ত হৈ আছিল। এই সকলোবোৰ কথাই ইয়াকে প্ৰমাণ কৰে যে সেই সময়খিনিৰ পৰিস্থিতিয়ে মোগলসকলক আক্ৰমণৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টি কৰি দিছিল।

বাবৰৰ ভাৰত অভিযানৰ প্ৰাক্মুহূৰ্তত, তুৰ্কী - আফগান শাসনৰ অধীনত সমগ্ৰ ভাৰত এক অবিন্যস্ত আৰু খণ্ড-বিখণ্ড ৰূপত আছিল। দিল্লীৰ চুলতানী বংশৰ শাসকসকলে তেওঁলোকৰ জনপ্ৰিয়তা হেৰুৱাই পেলাইছিল। তদুপৰি চুলতান শ্বাহী আছিল ব্যক্তিগত সামৰিক কৌশল আৰু শৌৰ্যৰ এক ফলাফল মাথোঁ। ইয়াৰ শাসকসকলে সাম্ৰাজ্যত দকৈ শিপাই থকা দুৰ্বলতাসমূহ আতৰ কৰিব পৰাকে শক্তিশালী নাছিল আৰু ফলত সহজে বহিঃ শক্তিৰ চিকাৰ হৈছিল।

চুলতানী সাম্ৰাজ্যৰ ভাঙোনৰ পিছত কাশ্মীৰ, পঞ্জাৱ, সিন্ধ, গুজৰাট, মালৱা, খণ্ডেশ, বংগ আৰু উৰিষ্যা আদি ৰাজ্যসমূহে নিজৰ ক্ষমতা হেৰুৱাইছিল আৰু কোনো সক্ৰিয় ভূমিকা পালন কৰিব পৰা নাছিল। দিল্লীৰ চুলতানসকলৰ স্বৈৰাচাৰত অতিষ্ঠ হৈ পঞ্জাৱৰ শাসকে বাবৰৰ পক্ষ লৈছিল আৰু বাবৰেও তেওঁক মুক্ত বাহুৰে আদৰণি জনাইছিল। সেই সময়ত ক্ষমতা লাভৰ বাবে সিন্ধৰ দুই বংশ ক্ৰমে চুম্মা আৰু আৰঘুণ (Arghun) বংশৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল।

এনে সময়তে মালৱা বিষয়ববীয়া অভিজাত শ্ৰেণীৰ মাজত চলি থকা ষড়যন্ত্ৰত জৰ্জৰিত হৈ আছিল। মালৱাৰ মাহমুদ দ্বিতীয়ৰ অধীনত ৰাজপুত প্ৰধান মন্ত্ৰী মেদনী ৰাই শক্তিশালী হৈ উঠিছিল। ফলত অন্য বিষয়ববীয়াসকলে তেওঁক ক্ষমতাহীন কৰিবলৈ প্ৰচেষ্টা কৰিছিল। ইয়াৰ

পৰিণতিত মেৱাৰৰ ৰাণা সিংহই মেদনী ৰাইৰ সৈতে যোগ দি অন্য ৰাজ-বিষয়ববীয়াসকলক পৰাস্ত কৰিছিল। কিন্তু, **১৫৩১** খ্ৰীষ্টাব্দত মান্দু দুৰ্গৰ পতনৰ ফলত মালৱা গুজৰাটৰ বাহাদুৰ শ্বাহৰ হাতত সমৰ্পণ কৰিবলৈ বাধ্য হয়।

ৰজা ফাৰুকীৰ অধীনত **১৩৭০** খ্ৰীষ্টাব্দত চুলতান শ্বাহীৰ অধীনৰ পৰা মুক্ত হৈ খণ্ডেশে স্বাধীনতা লাভ কৰে। খানদেশে দিল্লীৰ ৰাজনীতিৰ পৰিধিৰ পৰা দূৰত্বত অৱস্থান কৰিছিল।

ৰাণা সংগ্ৰাম সিংহ, যি এজন সাহসী সৈনিক আৰু বিখ্যাত সেনাপতি আছিল, তেওঁৰ অধীনত মেৱাৰ এক উচ্চ অৱস্থানলৈ উন্নীত হৈছিল। তেওঁ ভীলছা, সাৰঙ্গপুৰ, চান্দেৰী, ৰনথাম্বোৰ আৰু অন্য প্ৰদেশসমূহ জয় কৰিছল। তেওঁ দিল্লীৰ চুলতান সকলৰ বিৰুদ্ধে যুঁজ দিছিল আৰু আনকি বাবৰক গোপনে আমন্ত্ৰণ কৰিছিল আৰু আশা কৰিছিল যে বাবৰে তেওঁক উত্তৰ আৰু মধ্য ভাৰতত তেওঁৰ কৰ্তৃত্ব স্থাপনৰ চেষ্টাত সহায় কৰিব। কিন্তু সোনকালেই তেওঁৰ এই সপোন চূৰ্ণীকৃত হ'বলৈ গৈ আছিল।

ফিৰোজ শ্বাহৰ ৰাজত্বৰ সময়ছোৱাত বংগই দিল্লীৰ চুলতানী অধীনৰ পৰা স্বাধীনতা লাভ কৰে। বংগ প্ৰদেশে চুলতান শাসকসকলৰ সৈতে আৰু পিছলৈ বাবৰৰ সৈতে মিত্ৰতা শান্তি স্থাপন কৰে।

দাক্ষিণাত্যত বাহ্মণি সাম্ৰাজ্যৰ পতনৰ পিছত, পাঁচখন ক্ষুদ্ৰ ৰাজ্যৰ আৰিৰ্ভাৱ ঘটে। এই ৰাজ্যসমূহৰ মাজত নিৰবচ্ছিন্নভাৱে চলা সংঘাতে তেওঁলোকক উত্তৰ ভাৰতৰ ৰাজনীতিত হস্তক্ষেপ কৰাৰ পৰা বিৰত ৰাখিছিল।

মোগলসকলৰ আগমনে ভাৰতীয় প্ৰেক্ষাপটত এক নতুন যুগৰ সূচনা কৰে। ১৫২৬ চনৰ ২১ এপ্ৰিল তাৰিখে ভাৰতৰ ভূ-খণ্ডত মোগল শাসনৰ ভেটি স্থাপিত হয়। মধ্য এছিয়াৰ পৰা ভাৰতলৈ অহা মোগলসকলে লোডী বংশৰ শাসক ইব্ৰাহীম লোডীক পৰাজিত কৰি ভাৰতত শাসন ক্ষমতা প্ৰতিষ্ঠা কৰে।

৮.৪ বাবৰ

ভাৰতত মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা হ'ল বাবৰ। তেওঁৰ সম্পূৰ্ণ নাম জাহিৰুদ্দিন মহম্মদ বাবৰ। ১৪৮৩ খ্ৰীঃ ১৪ ফেব্ৰুৱাৰী তাৰিখে মধ্য এছিয়াৰ ফৰঘনা ৰাজ্যত বাবৰে জন্ম গ্ৰহণ কৰে। বাবৰ পিতৃসূত্ৰে টাইমুৰ আৰু মাতৃসূত্ৰে ছেংগিজ খানৰ বংশধৰ আছিল। বাবৰৰ পৰিয়াল তুৰ্কী জাতিৰ 'ছাঘটাইদ' গোষ্ঠীৰ আছিল যিসকলক সাধাৰণভাৱে মোগল নামেৰে জনা যায়।

উত্তৰাধিকাৰী সূত্ৰে বাবৰে তেওঁৰ পিতৃৰ পিছত ১৪৯৪ খ্ৰীষ্টাব্দত ফৰঘনাৰ ৰজা হিচাপে প্ৰতিষ্ঠিত হৈছিল। ১৫০৪ খ্ৰীঃৰ পৰা তেওঁ ক্ৰমে ভাৰত বিজয়ৰ মন মেলে। ১৫১৯-১৫২৪ খ্ৰীঃলৈ এই সময়ছোৱাৰ ভিতৰত তেওঁ চাৰিবাৰকৈ ভাৰত আক্ৰমণ কৰে যদিও বিশেষ সফলতা লাভ কৰিব পৰা নাছিল।

১৫১৯ খ্ৰীষ্টাব্দত বাবৰে তেওঁৰ অভিযান আৰম্ভ কৰে আৰু চেনাব পৰ্যন্ত আহি বজাবুজি হয়। ইয়াত তেওঁ ইব্ৰাহীম লোডীৰ সৈতে এক সন্ধিত উপনীত হ'বলৈ চেষ্টা কৰে যদিও সফল নহ'ল। ফলত তেওঁ চেনাব আৰু ভেৰা খুচহাব জয় কৰি উভতি যায়। **১৫২০-১৫২২** খ্ৰীষ্টাব্দৰ সময়ছোৱাৰ ভিতৰত বাবৰে বাদাকশ্বান আৰু কান্দাহাৰ অধিকাৰ কৰিছিল। **১৫২৪** খ্ৰীষ্টাব্দত বাবৰে ক্ৰমে পঞ্জাৱৰ গভৰ্ণৰ দৌলত খান লোডী, ইব্ৰাহীম লোডীৰ খুড়াক আলাউদ্দিন আৰু ৰাণা সিংহই বাৰম্বাৰ বাবৰৰ সহায় বিচাৰি তেওঁক আমন্ত্ৰণ জনাইছিল। বাবৰে এনে ধৰণৰ এক সুযোগ হেৰুৱাব বিচৰা নাছিল। বাবৰে লাহো�ৰত উপস্থিত হোৱা সময়ত দৌলত খানক এজন আফগান প্ৰমুখ্যে ক্ষমতাচ্যুত কৰিছিল। বাবৰে আফগান প্ৰমুখ জনক পৰাস্ত কৰি আলাউদ্দিনক লাহো�ৰৰ গভৰ্ণৰ হিচাপে নিয়োগ কৰে। কিন্তু বাবৰ কাবুললৈ ঘূৰি অহাৰ পিছতে, দৌলত লোডীয়ে আলাউদ্দিনক পলায়ন কৰিবলৈ বাধ্য কৰে আৰু তাৰ পাছত দৌলত খান লোডী ক্ষমতাধিষ্ঠ হয়।

৩.৪.১ পাণিপথৰ যুদ্ধ

পৰিস্থিতিয়ে বাবৰক ভাৰতবৰ্ষ বুলি অন্য এক অভিযানৰ সূচনা কৰিব বাধ্য কৰায়। এই অভিযানত তেওঁ সম্পূৰ্ণৰূপে সাজু হৈ আহিছিল আৰু ভাৰতত প্ৰৱেশ কৰি তেওঁ প্ৰথমে দৌলত খান লোডীৰ সৈতে মোকাবিলা কৰিবলগীয়া হৈছিল আৰু তেওঁক পৰাভূত কৰিছিল। ইয়াৰ পিছত তেওঁ লোডীৰ সৈন্যবাহিনীৰ সৈতে পাণিপথৰ যুদ্ধত মুখামুখি হৈছিল। ইব্ৰাহীম লোডীৰ সামৰিক শক্তিৰ আধিপত্য বা একাধিক্য সত্ত্বেও বাবৰে যুদ্ধত সুবিধাজনক অৱস্থিতি লাভ কৰিছিল। এইবাৰ বাবৰে **১৫২৬** খ্ৰীষ্টাব্দৰ **২১** এপ্ৰিলত পাণিপথৰ যুদ্ধত দিল্লীৰ শাসক ইব্ৰাহীম লোডীক পৰাস্ত কৰে। তেওঁ দিল্লী আৰু আগ্ৰা অধিকাৰ কৰে। পাণিপথৰ যুদ্ধৰ গুৰুত্ব বহুমাত্ৰিক আছিল। প্ৰথমতে ই ভাৰতবৰ্ষত মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাৰ দিশত বাট কটীয়া আছিল। দ্বিতীয়তে, ই লোডী সাম্ৰাজ্যৰ অৱসান ঘটাইছিল।

এই জয়ৰ পিছতে বাবৰৰ নামত খুতবা পঢ়া হয়। অৱশ্যে এই চমৎকৃত বিজয়ৰ পিছতো বাবৰে বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল।



জানি থোৱা ভাল

খুতবা ঃ খুতবা হৈছে ইছলামিক বা মুছলমান সাম্ৰাজ্যৰ খলিফাৰ নামত পঢ়া প্ৰাৰ্থনা স্তুতি। ই কোনো এক অঞ্চলৰ শাসনাধিষ্ঠ সম্ৰাটৰ নামতও পাঠ কৰা হয়।

তেওঁৰ পৰৱৰ্তী আদমনীয় শত্ৰু আছিল মেৱাৰৰ ৰাণা সিংহ। যদিও আৰম্ভণিতে বাবৰে কিছু বিপৰ্যয়ৰ সন্মুখীন হৈছিল যদিও সোনকালেই তেওঁ তেওঁৰ সৈন্যবাহিনীক পুনৰ্সংগঠিত কৰি তুলিছিল। দুই পক্ষৰ সৈন্যবাহিনী **১৫২৭** খ্ৰীষ্টাব্দত খানৱাৰ যুদ্ধত লিপ্ত হয় আৰু বাবৰে

ৰাজপুতসকলৰ সর্বশ্রেষ্ঠ ৰজা মেৱাৰৰ ৰাণা সংগ্রাম সিংহ বা ৰাণা সিংহক পৰাস্ত কৰে। ৰাণা সিংহৰ পৰাস্তৰ লগতে ৰাজপুত মিত্রগোষ্ঠী এক দীর্ঘ সময়ৰ বাবে ভাঙি চূর্ণীকৃত হৈ পৰে। বাবৰে ইয়াৰ পিছত "গাজী" উপাধি গ্রহণ কৰে আৰু হিন্দু ৰাজপুতসকলৰ পৰা বাবৰৰ হাতলৈ সার্বভৌমত্ব অধিকাৰ গুচি যায়।

ইয়াৰ পিছত বাবৰে চান্দেৰী অভিমুখে যাত্রা কৰে আৰু ৰাজপুত প্রমুখ মেদনী ৰাইৰ পৰা দখল কৰে। **১৫২৮** খ্রীষ্টাব্দত বাবৰৰ দ্বাৰা চান্দেৰীৰ প্রধান দূর্গ দখলৰ ইতিহাসৰ এক উল্লেখযোগ্য ঘটনা আছিল। কিয়নো ৰাজপুতসকলে বাবৰক ইয়াৰ পিছত আৰু কোনো অসুবিধা কৰা নাছিল।

অৱশ্যে এতিয়াও আফগান সকলক বশ কৰিবলৈ বাকী আছিল। ইব্রাহীম লোডীৰ ভাতৃ মাহমুদ লোডীয়ে বিহাৰত শৰণার্থী হৈ আশ্রয় লৈ তেওঁৰ সৈন্যবাহিনীক শক্তিশালী কৰি তুলি চুনাড় অভিমুখে যাত্রা কৰিছিল। বাবৰে তেওঁৰ বিৰুদ্ধে যাত্রা আৰম্ভ কৰিছিল আৰু বক্সাৰ অভিমুখী তেওঁৰ যাত্রাকালত বহুসংখ্যক আফগান প্রমুখক অস্ত্রসম্বৰণ কৰি তেওঁৰ আনুগত্য স্বীকাৰ কৰিবলৈ বাধ্য কৰাইছিল। এই খিনি সময়তে মাহমুদ লোডীয়ে বংগত আশ্রয় গ্রহণ কৰিছিল। বংগৰ শাসক নুছৰত শ্বাহে যদিও বাবৰক বন্ধুত্বপূর্ণ সন্ধিৰ আশ্বাস দিছিল, তথাপিও বাবৰে তেওঁৰ বিপক্ষে অভিযান চলোৱাৰ সিদ্ধান্ত গ্রহণ কৰে। **১৫২৯** খ্রীষ্টাব্দত সংঘটিত ঘাগৰাৰ যুদ্ধত বাবৰে মাহমুদ লোডী আৰু তেওঁৰ মিত্র বংগৰ নুছৰত শ্বাহক পৰাস্ত কৰে।

ঘাগৰা যুদ্ধৰ পৰৱর্তী সময়ত বাবৰে তেওঁৰ নবনির্মিত সাম্রাজ্যখনক এক কার্যাদক্ষ প্রশাসনীয় ব্যৱস্থাৰ দ্বাৰা সুদৃঢ় কৰি তুলিবলৈ প্রয়াস কৰে। অৱশ্যে ১৫৩০ খ্রীঃৰ ২৬ ডিচেম্বৰত তেওঁৰ মৃত্যুৰ পৰিপেক্ষিতত এক নির্ভৰযোগ্য প্রশাসনীয় ব্যৱস্থা গঢ়ি তুলিবলৈ তেওঁ যি প্রয়াস কৰিছিল সেয়া কার্যত ৰূপায়িত নহ'ল। তেওঁক কাবুলত সমাধিষ্ঠ কৰা হয়। তুর্কী আৰু পার্চী ভাষাত বিদ্বান বাবৰে 'মুবাইয়া' নামৰ এক নতুন কাব্য শৈলীৰ উদ্ভাৱন কৰিছিল। বাবৰে তেওঁৰ স্মৃতি-কথা 'তজুক-ই-বাব্‌ৰি' নামৰ গ্রন্থখন তুর্কী ভাষাত ৰচনা কৰিছিল। তেওঁ আনকি এখন ৰাকাই বা তুর্কী ইতিহাসো ৰচনা কৰিছিল। ইয়াৰ উপৰি সংগীত আৰু অন্য কলাতো বাবৰৰ উৎকর্ষতা মন কৰিবলগীয়া।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নকেইটাৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ১ ঃ বাবৰে কোন চনত জন্ম গ্রহণ কৰিছিল?

.....

প্রশ্ন নং ২ ঃ পাণিপথৰ প্রথম যুদ্ধত বাবৰে কাক পৰাস্ত কৰিছিল

.....

প্রশ্ন নং ৩ ঃ কোন চনত বাবৰে 'গাজী' উপাধি গ্রহণ কৰিছিল?

.....

প্ৰশ্ন নং ৪ ঃ নুচৰৎ শ্বাহ কোন আছিল?

.....

৮.৫ হুমায়ুন

নাছিৰুদ্দিন মহম্মদ হুমায়ুন আছিল বাবৰৰ জেষ্ঠ্য পুত্ৰ। তেওঁ ১৫০৮ খ্ৰীঃৰ ৬ মাৰ্চ তাৰিখে কাবুল চহৰত জন্ম গ্ৰহণ কৰিছিল। মাত্ৰ ১২ বছৰ বয়সতে ১৫২০ চনত কৈশোৰ হুমায়ুনক বাদাক্শ্বানৰ প্ৰশাসক হিচাপে নিযুক্ত কৰা হয়। পৰৱৰ্তী সময়ত তেওঁ হিছাৰ ফিৰোজপুৰ আৰু চম্বলৰ প্ৰশাসন ব্যৱস্থাও চোৱা চিতা কৰিছিল। হুমায়ুনে পাণিপথ আৰু খানুৱাৰ যুদ্ধতো অংশ গ্ৰহণ কৰিছিল। বাবৰে মৃত্যুৰ পূৰ্বেই হুমায়ুনক তেওঁৰ উত্তৰাধিকাৰী ৰূপে মনোনীত কৰি থৈ গৈছিল।



জানি থোৱা ভাল

হুমায়ুন শব্দৰ আক্ষৰিক অৰ্থ হ'ল 'ভাগ্যৱান'। কিন্তু জীৱনৰ অধিকাংশ সময়তেই হুমায়ুন আছিল দুৰ্ভগীয়া। হুমায়ুনৰ শাসন কালছোৱাক আমি দুটা খণ্ডত বিভক্ত কৰিব পাৰো। ইয়াৰে প্ৰথম খণ্ডটো হ'ল ১৫৩০-৪০ চনলৈ আৰু দ্বিতীয় খণ্ডটো হ'ল ১৫৫৫-১৫৫৬ চনলৈ।

১৫৩০ চনৰ ৩০ ডিচেম্বৰত হুমায়ুনে দিল্লীৰ সিংহাসন আৰোহন কৰে। সিংহাসন আৰোহনৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰাই তেওঁ বিভিন্ন ধৰণৰ জটিলতাৰ সন্মুখীন হ'ব লগা হৈছিল। টাইমুৰৰ পৰম্পৰা অনুসৰণ কৰি হুমায়ুনে তেওঁৰ সাম্ৰাজ্যখন তেওঁৰ তিনিজন সতীয়া ভাতৃ কামৰান, হিন্দাল আৰু আছকাৰিৰ সৈতে ভগাই লৈছিল। কিন্তু তেওঁৰ ভাতৃসকল এই ভাগ বিতৰণৰ অংশক লৈ সন্তুষ্ট হোৱা নাছিল। তিনি সতীয়া ভাতৃ, তেওঁৰ ভনী জোৱাই মহম্মদ জামান মির্জা, অন্য টাইমুৰী ৰাজকুমাৰ সকল আৰু আফগান নেতাসকলৰ পৰা হুমায়ুনে প্ৰায়ে শক্তিশালী ভাবুকিৰ সন্মুখীন হ'ল লগা হৈছিল।

হুমায়ুনে সততে তেওঁৰ ভাতৃসকল আৰু আত্মীয় সকলৰ প্ৰতি এক উদাৰনীতি গ্ৰহণ কৰিছিল। কিন্তু আফগানসকলৰ প্ৰতি তেওঁ আক্ৰমনাত্মক নীতি গ্ৰহণ কৰিছিল। তেওঁ ১৫৩১ চনত কালিঞ্জৰৰ ৰজা প্ৰতাপ ৰুদ্ৰ দেৱৰ বিৰুদ্ধে এক অভিযান চলায় ইয়াৰ মুখ্য কাৰণ হ'ল ৰজা প্ৰতাপৰুদ্ৰ দেৱ গুজৰাটৰ ৰজা বাহাদুৰ শ্বাহৰ প্ৰতি সহানুভূতিশীল আছিল। হুমায়ুনে কালিঞ্জাৰ অৱৰোধ কৰে যদিও ইয়াক দখলত ৰাখিবলৈ সক্ষম নহ'ল। কাৰণ সেই সময়তে মহম্মদ লোডীৰ নেতৃত্বত হোৱা আফগান আক্ৰমণ আৰু দক্ষিণ বিহাৰৰ শ্বেৰ খান চুৰৰ দ্বাৰা হোৱা চুনাৰ দুৰ্গ দখলৰ ঘটনাই হুমায়ুনৰ দৃষ্টি কালিঞ্জাৰৰ পৰা আঁতৰাই আনিবলৈ বাধ্য কৰে। অৱশ্যে হুমায়ুনে ৰজা প্ৰতাপৰুদ্ৰ দেৱৰ পৰা কিছু ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম হয়।

মহম্মদ লোডীৰ নেতৃত্বত অহা আফগানসকলে জৌনপুৰ আক্রমণ কৰে আৰু ইয়াক মোগলৰ কবলৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিন্তু অতি কমদিনৰ ভিতৰতে ১৫৩২ চনৰ জুলাই মাহত হোৱা দাদৰাৰ যুদ্ধত হুমায়ুনে আফগানসকলক পৰাস্ত কৰে। ইয়াৰ পিছত ১৫৩২ চনৰ ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰ পর্যন্ত তেওঁ শ্বেৰখান সূৰৰ নিয়ন্ত্রণত থকা চুনাৰ দুর্গ অৱৰোধ কৰে। শ্বেৰখানে হুমায়ুনৰ বশ্যতা স্বীকাৰ কৰে আৰু তেওঁৰ সৈতে সন্ধি স্থাপন কৰে। শ্বেৰ শ্বাহৰ ক্ষমতা হস্তগত কৰি তেঁওক এজন কৰতলীয়া শাসক কৰাৰ সুযোগ এৰি দিয়াটো আছিল হুমায়ূনৰ এটা গুৰুত্বৰ ভুল। পৰৱর্তী সময়ত হুমায়ুনে গুজৰাটৰ ৰজা বাহাদুৰ শ্বাহৰ প্রতি দৃষ্টি নিৱদ্ধ কৰে। সেই সময়ত বাহাদুৰ শ্বাহে মালৱা, ৰাইছিন, চান্দেৰী, ৰনথাম্বোৰ, আজমীৰ, নাগোৰ, চিষ্টোৰ আদি জয় কৰি মোগল সাম্রাজ্যৰ প্রতি এক ভাবুকী স্বৰূপ হৈ পৰে। হুমায়ুনে মান্দু আৰু চম্পানীৰ দুর্গ অৱৰোধ কৰে। হুমায়ুনে ১৫৩৫ চনত মাল্ৱা আৰু গুজৰাট, বাহাদুৰ শ্বাহৰ পৰা অধিকাৰ কৰে যদিও দীর্ঘদিনৰ বাবে নিজৰ দখলত ৰাখিবলৈ সক্ষম নহ'ল।

এই সময়ছোৱাতে শ্বেৰ খান সূৰীয়ে দক্ষিণ বিহাৰত তেওঁৰ অৱস্থা সুদৃঢ় কৰি তোলে। তেওঁ লগতে বংগতো তেওঁৰ খোপনি ক্রমাৎ শক্তিশালী কৰি তুলিছিল আৰু **১৫৩৪** আৰু **১৫৩৬** খ্রীষ্টাব্দত বংগৰ শাসকক পৰাস্ত কৰি তেওঁ আৰু অধিক শক্তিশালী হৈ উঠিছিল। এই সময়ছোৱাত শ্বেৰখান সূৰি হুমায়ুনৰ প্রধান শত্রু হিচাপে পৰিগণিত হৈছিল যদিও হুমায়ুনে এই কথাটো সিমান গুৰুত্ব সহকাৰে লোৱা নাছিল। যাৰ বাবে পিছৰ সময়ত হুমায়ুনে এক ভয়ংকৰ বিপদৰ সম্মুখীন হ'ব লগা হৈছিল।

হুমায়ুনে চুনাড় অৱৰোধ কৰিছিল আৰু তাৰ পৰা বানাৰস অভিমুখে যাত্রা কৰিছিল। শ্বেৰখানৰ সৈতে কোনো ধৰণৰ বুজাপৰাৰলৈ অহাৰ সম্ভাৱনা সমাপ্ত হোৱাৰ পিছত হুমায়ুনে আক্রমণৰ সিদ্ধান্ত গ্রহণ কৰি বংগ অভিমুখে যাত্রা কৰে যদিও শ্বেৰ খানৰ পুত্র জালাল খানে গৌড়ত বাধা প্রদান কৰে। পৰিণতিত সংঘতিত যুদ্ধত জালাল খানে পাছ হুঁহকিব লৈ বাধ্য হয়। **১৫৩৮** খ্রীষ্টাব্দত শ্বেৰ খান সূৰীয়ে গৌড় অধিকাৰ কৰে। এই সময়তে শ্বেৰখানে কোশী আৰু গংগাৰ মাজৰ অঞ্চলত সম্পূর্ণ কর্তৃত্ব লাভ কৰে। হুমায়ুনে কোনো যুঁজ দিবলৈ চেষ্টা নকৰি আগ্রালৈ উভতি যায়।

শ্বেৰখান আৰু হুমায়ুণ উভয়ে বহুমাহ জুৰি আগ্রাত ইজনে সিজনক আক্রমণ নকৰাকৈ নীৰৱ হৈ আছিল। বর্ষাকালৰ আৰম্ভণিৰ লগে লগে শ্বেৰখানে সুবিধা গ্রহণ কৰি হুমায়ুনৰ সৈন্যদলক আক্রমণ কৰে। তাৰ পিছত ১৫৩৯ চনত সংঘটিত শৌচাৰ যুদ্ধত শ্বেৰখানে হুমায়ুনক পৰাস্ত কৰি 'শ্বেৰশ্বাহ' উপাধি লৈ নিজকে চুলতান বুলি ঘোষণা কৰে। হুমায়ুন কথমপিহে আগ্রা পাবলৈ সক্ষম হ'ল। এবছৰৰ পিছত ১৫৪০ চনত এপ্রিল মাহত হুমায়ুন আৰু শ্বেৰশ্বাহৰ মাজত সংঘটিত কনৌজৰ যুদ্ধত শ্বেৰশ্বাহৰ হাতত মোগল সম্পূর্ণ ৰূপে পৰাভূত হয়। এই লজ্জাজনক পৰাজয়ৰ পাছত হুমায়ুন পলাতক হয় আৰু ১৫ বছৰ (১৫৪০-৫৫) জুৰি নির্বাসনত কটাবলৈ বাধ্য

হয়। ফলস্বৰূপে শ্বেৰশ্বাহ দিল্লীৰ গৰাকী হৈ পৰে আৰু হিন্দুস্থানৰ সার্বভৌমত্ব পুনৰবাৰৰ বাবে আফগানসকললৈ হস্তান্তৰিত হয়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নকেইটাৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ৫ঃ কোন চনত হুমায়ুন মোগল সিংহাসনত অধিষ্ঠিত হৈছিল?

.....

প্রশ্ন নং ৬ঃ হুমায়ুনৰ সতীয়া ভাতৃকেইজনৰ নাম কি কি।

.....

প্রশ্ন নং ৭ঃ কোন চনত ছৌছাৰ ৰণ হৈছিল?

.....

প্রশ্ন নং ৮ঃ হুমায়ুনে কিয় কালিঞ্জাৰৰ ৰজা প্রতাপৰুদ্র দেৱৰ বিৰুদ্ধে অভিযান চলাইছিল?


.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- বাবৰৰ দ্বাৰা প্রতিষ্ঠিত মোগল সাম্রাজ্যই দিল্লী চুলতানশ্বাহীৰ ভাগি যোৱাৰ পিছত সৃষ্টি হোৱা ৰাজনৈতিক শূন্যতাক পূৰণ কৰিছিল। দিল্লী দখল কৰি বাবৰে এক কেন্দ্রীয় সাম্রাজ্যৰ ভেঁটিৰ প্রতিষ্ঠা কৰিছিল। কিন্তু বাবৰে তেওঁ প্রতিষ্ঠা কৰা এই নতুন সাম্রাজ্যখনক এক সুদক্ষ সুচাৰুৰূপে চলিত শাসন প্রণালীৰ দ্বাৰা সুস্থিৰতা প্রদান কৰিব প্রয়োজনীয় সময় পোৱা নাছিল।
- সিংহাসনত অধিষ্ঠিত হোৱাৰ পিছত হুমায়ুনে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হৈছিল। সেই সময়ছোৱাত মোগল সাম্রাজ্যক একমাত্র শক্তি প্রয়োগৰ দ্বাৰাহে একত্রিত কৰি ৰাখিব পৰা অৱস্থাত আছিল। কিন্তু হুমায়ুন বাবৰৰ দৰে এজন সক্ষম সেনাপতি বা শ্বেৰ শ্বাহৰ দৰে দক্ষ ৰণ কৌশলবিদ দুয়োটাৰে এটাও নাছিল। তেওঁ শ্বেৰ শাহৰ ৰাজনৈতিক কৌশল বুজি পোৱাত ব্যর্থ হৈছিল আৰু তেওঁৰ হাতত দুবাৰকৈ লজ্জাজনকভাৱে পৰাজয়ৰ সন্মুখীন হৈছিল। ইয়াৰ ফলত নৱ প্রতিষ্ঠিত মোগল সাম্রাজ্যৰ অৱনতি ঘটিছিল আৰু আফগান সাম্রাজ্য বা সূৰ সাম্রাজ্যৰ ধ্বংসাৱশেষত আফগান সাম্রাজ্যৰ পুনর্প্রতিষ্ঠা হৈছিল।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Majumdar, R.C. (etal) (2007). *An Advanced History of India*, Delhi, India; Macmillan.
- Prasad, Ishwari. (1965). (2nd Edition). *A Short History of Muslim Rule in India*. Allahabad, India: The Indian Press Ltd.
- Richards, John F. (1996). *The Mugal Empire*. Cambride, UK: Cambridge University Press



৮.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ১৪ ফেব্ৰুৱাৰী **১৪৮৩**

২নং প্ৰশ্নৰ উত্তৰ ঃ ইব্ৰাহীম লোডী

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১৫২৭

৪নং প্ৰশ্নৰ উত্তৰ ঃ নুছৰত শ্বাহ বংগৰ শাসক আছিল আৰু যিয়ে মাহমুদ লোডীক আশ্ৰয় আগবঢ়াইছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ৩০ ডিচেম্বৰ **১৫৩০**

৬নং প্ৰশ্নৰ উত্তৰ ঃ কামৰাণ, হিন্দাল আৰু আছকাৰী

৭নং প্ৰশ্নৰ উত্তৰ ঃ ১৫৩৯

৮নং প্ৰশ্নৰ উত্তৰ ঃ কাৰণ আছিল যে তেওঁৰ গুজৰাটৰ ৰজা বাহাদুৰ শ্বাহৰ প্ৰতি তেওঁৰ আনুমানিক সহানুভূতিশীল মনোভাৱ।



৮.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ঃ কোনটো বৰ্ষত খানুৱাৰ যুদ্ধ সংঘটিত হৈছিল?

প্ৰশ্ন ২ঃ ঘাগৰাৰ যুদ্ধ কেতিয়া আৰু কাৰ মাজত সংঘটিত হৈছিল?

প্ৰশ্ন ৩ঃ বাবৰে উদ্ভাৱন কৰা পাৰ্ছীৰ নতুন কাব্য শৈলীৰ নাম কি আছিল?

প্ৰশ্ন ৪ঃ বাবৰৰ আত্মজীৱনীৰ নাম কি আছিল?

প্ৰশ্ন ৫ঃ শ্বেৰ শ্বাহ ছুৰীৰ প্ৰকৃত নাম কি আছিল?

(খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ শ্বেৰ শ্বাহ সূৰীৰ প্রাৰম্ভিক জীৱন বৃত্তিৰ বিষয়ে আপুনি কি জানে লিখক।

প্রশ্ন ২ঃ মোগল আক্রমণৰ প্রাক-মুহূর্তত ভাৰতবর্ষৰ ৰাজনৈতিক পৰিৱেশৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ঃ জাহিৰুদ্দিন মহম্মদ বাবৰৰ পৰিয়ালৰ পটভূমিৰ বিষয়ে কি জানে লিখক।

প্রশ্ন ৪ঃ শ্বেৰশ্বাহ সূৰীৰ উত্তৰাধিকাৰীসকলৰ বিষয়ে এটি টোকা যুগুত কৰক ।

(গ) ৰচনাধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ ভাৰতত মোগল শাসন প্রতিষ্ঠাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ হুমায়ুনৰ জীৱন আৰু সফলতাসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ হুমায়ুনক পৰাজিত হোৱাৰ দিশত আগবঢ়াই লৈ যোৱা ঘটনাসমূহৰ বিষয়ে এটি টোকা লিখক।

****

অধ্যায় ৯ ঃ শ্বেৰ শ্বাহ সূৰী আৰু দ্বিতীয় আফগান সাম্ৰাজ্য

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ শ্বেৰ শ্বাহ সূৰী আৰু তেওঁৰ সম্প্ৰসাৰণবাদী নীতি
৯.৪ শ্বেৰ শ্বাহ সূৰীৰ প্ৰশাসনিক সংস্কাৰসমূহ
৯.৫ শ্বেৰ শ্বাহ সূৰীৰ ৰাজত্বৰ তাৎপৰ্য
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- শ্বেৰ শ্বাহৰ হাতত হুমায়ুন পৰাজিত হোৱাৰ পাছৰ ৰাজনৈতিক অস্থিৰতাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- শ্বেৰ শ্বাহৰ উত্থান আৰু ভাৰতত তেওঁৰ গৌৰৱোজ্জ্বল ৰাজত্বৰ কথা আলোচনা কৰিব পাৰিব,
- শ্বেৰ শ্বাহে হাতত লোৱা প্ৰশাসনিক সংস্কাৰৰ ব্যৱস্থাসমূহ বৰ্ণনা কৰিব পাৰিব, আৰু
- ভাৰতত শ্বেৰ শ্বাহৰ অধীনত দ্বিতীয় আফগান ৰাজত্বৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি বাবৰৰ হাতত মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠা আৰু এখন ৰাজ্য নিৰ্মাণৰ বাবে বাবৰে লিপ্ত থাকিব লগীয়া হোৱা যুদ্ধসমূহৰ বিষয়ে জানিলো। বিদ্ৰোহী নায়ক (Chiefs) সমূহক তেওঁ ,তেওঁৰ নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হৈছিল। হুমায়ুনে তেওঁৰ স্থিতি সুদৃঢ় কৰিব নোৱাৰিলে। ইয়ে শ্বেৰ শ্বাহক মোগল শাসন ওফৰাই স্বকীয় স্বায়ত্ত্বশাসিত

ৰাজ্য এখন গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰি তুলিছিল।

এই অধ্যায়টিত আমি শ্বেৰ শ্বাহৰ উত্থান-পতন আৰু তেওৰ উজ্জ্বল জীৱন গৰিমাৰ বিষয়ে আলোচনা কৰিম। বাবৰৰ পাণিপথ আৰু ঘাগৰাৰ বিজয়ে আফগান ৰজাসকলক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পৰা নাছিল। তেওঁলোকে সকলো সময়ত নব্য প্ৰতিষ্ঠিত মোগল সাম্ৰাজ্যখনৰ প্ৰতি আগ্ৰাসী মনোভাৱ পোষণ কৰিছিল। সেই সময়ত তেওঁলোকৰ এই গাইগুটীয়া চেষ্টাবোৰক একগোট কৰি এক জাতীয় প্ৰচেষ্টালৈ ৰূপান্তৰিত কৰিবৰ বাবে এক শক্তিশালী নেতৃত্বৰ অতি প্ৰয়োজন আছিল আৰু শ্বেৰ শ্বাহ সূৰীয়ে এই প্ৰয়োজনটো পূৰণ কৰিছিল। শ্বেৰ শ্বাহ সূৰী পুনৰবাৰ আফগান শক্তিক ভাৰতৰ বুকুত সজীৱ কৰি তোলে। তেওঁ নৱ প্ৰতিষ্ঠিত মোগল ৰাজত্বক উৎখাত কৰি দ্বিতীয় আফগান সাম্ৰাজ্যৰ ৰূপত এক চমু অথচ গৌৰৱোজ্জ্বল আফগান শাসনৰ উত্থান ঘটায়।

৯.৩ শ্বেৰ শ্বাহ সূৰী আৰু তেওঁৰ সম্প্ৰসাৰণবাদী নীতি

আফগানিস্থানৰ ৰাহোৰিৰ এক অখ্যাত চুৰ পৰিয়ালৰ সন্তান শ্বেৰ শ্বাহ সূৰীয়ে তেওঁৰ ব্যক্তিগত চেষ্টা আৰু গুণৰ বলত অতি কম সময়ৰ ভিতৰতে খ্যাতি লভিবলৈ সক্ষম হয়। শ্বেৰ শ্বাহৰ প্ৰকৃত নাম আছিল ফৰিদ। চাচাৰামত অৱস্থিত তেওঁৰ দেউতাকৰ জাগীৰৰ প্ৰশাসনৰ দায়িত্ব তেওঁ প্ৰথমে গ্ৰহণ কৰে আৰু তাৰ পৰাই শ্বেৰ শ্বাহৰ নিজৰ ৰাজনৈতিক জীৱন আৰম্ভ কৰে।

১৪৯৭ চনৰ পৰা ১৫১৮ চন পৰ্যন্ত এই একৈশ বছৰ কাল শ্বেৰ শ্বাহে জাগীৰৰ প্ৰশাসন সুচাৰুৰূপে পৰিচালনা কৰে যদিও তেওঁৰ মাহীমাক আৰু সতীয়া ভাতৃসকলে ষড়যন্ত্ৰ কৰি তেওঁক সেই পদৰ পৰা অৱনমিত কৰে। তেতিয়া শ্বেৰ শ্বাহে বিহাৰ ত্যাগ কৰে আৰু দৌলতখান লোডীৰ অধীনত নিয়োজিত হয়। দৌলতখান লোডীৰ জৰিয়তে শ্বেৰ শ্বাহে ইব্ৰাহীম লোডীক তেওঁৰ দেউতাকৰ জাগীৰৰ শাসনভাৰ তেওঁৰ হাতত অপৰ্ণ কৰাৰ বাবে অনুৰোধ কৰিছিল যদিও চুলতানে এই অনুৰোধ নাকচ কৰিলে। চুলতান ইব্ৰাহীম লোডীয়ে শ্বেৰ শ্বাহৰ পিতৃ হাছানৰ মৃত্যু ঘটাত ইব্ৰাহীম লোডীয়ে শ্বেৰ শ্বাহক পিতৃৰ জাগীৰৰ ভাৰ অপৰ্ণ কৰে। কিন্তু শ্বেৰ শ্বাহৰ সতীয়া ভাতৃসকলৰ তীব্ৰ বিৰোধিতাৰ বাবে তেওঁ পিতৃৰ জাগীৰ সম্পূৰ্ণৰূপে দখল কৰিবলৈ সক্ষম নহ'ল।

ইয়াৰ পাছত শ্বেৰ শ্বাহে দক্ষিণ বিহাৰৰ আফগানৰ গৱৰ্ণৰ বাহাৰ খান লোহানীৰ অধীনত নিয়োজিত হয়। পানিপথৰ যুদ্ধত ইব্ৰাহীম লোডীৰ পৰাজয়ৰ পিছত বাহাৰ খান লোহানীয়ে নিজকে দক্ষিণ বিহাৰৰ স্বতন্ত্ৰ শাসক হিচাপে ঘোষণা কৰে আৰু শ্বেৰ শ্বাহক তেওঁৰ উপমুখ্য প্ৰশাসক হিচাপে নিয়োগ কৰে। একে সময়তে তেওঁ শ্বেৰ শ্বাহক তেওঁৰ নাবালক পুত্ৰ জালাল খানৰ প্ৰশিক্ষক হিচাপেও নিয়োগ কৰে। কিন্তু বাহাৰখান লোহানীকো শ্বেৰ শ্বাহৰ বিৰুদ্ধে কিছুমান প্ৰৰোচনামূলক কথা কৈ শ্বেৰ শ্বাহৰ বিৰোধী

কৰি তোলা হয, যাৰ বাবে শ্বেৰ শ্বাহ মোগলসকলৰ কাষ চাপিবলৈ বাধ্য হয়। এই সময়-ছোৱাত শ্বেৰশ্বাহে অতি কম সময়ৰ বাবে (১৫২৭-চনৰ পৰা ১৫২৮ চন) নিজকে মোগলৰ অধীনত নিয়োজিত কৰিব লগাত পৰে। এই সময়ছোৱাত শ্বেৰ শ্বাহেই বাবৰক চান্দেৰি অভিযানত সহায় কৰে। তেওঁ মোগল সম্ৰাটৰ পৰা পিতৃপ্রদত্ত জাগীৰৰ অধিকাৰ পুৰস্কাৰ হিচাপে ঘূৰাই পাবলৈ সক্ষম হয়।

বাহাৰ খান লোহানীয়ে শ্বেৰ শ্বাহক পুনৰবাৰ পূৰ্বৰ পদবী উপ প্রশাসক আৰু পুত্র জালানৰ প্রশিক্ষক হিচাপে নিয়োগ কৰে। কিন্তু ১৫২৮ চনৰ অক্টোৱৰ মাহত বাহাৰ খান লোহানীৰ পৰলোক প্রাপ্তি ঘটে আৰু তাৰ কিছুদিনৰ পিছতে তেওঁৰ বিধৰা পত্নী দুদু বিবিৰো মৃত্যু হয়। ইয়াৰ পিছত শ্বেৰ শ্বাহে নামমাত্র শাসনকর্তা জালান খানৰ অভিভাৱকৰ দায়িত্ব পালন কৰাৰ লগতে ৰাজ প্রতিনিধিও হৈ পৰে। ক্রমান্বয়ে শ্বেৰশ্বাহে শাসনৰ চাবিকাঠী নিজৰ হাতলৈ আনিবলৈ যত্ন কৰিলে। অৱশেষত তেওঁ দক্ষিণ বিহাৰৰ স্বতন্ত্র শাসকলৈ ৰূপান্তৰিত হ'ল আৰু নিজকে 'হজৰত-ঈ-আল্লা' বুলি ঘোষণা কৰিলে। কোনো অস্ত্রৰ সহায় নোলোৱাকৈ হাতেৰে এটা বাঘ নিধন কৰাৰ বাবে শ্বেৰ শ্বাহক বাহাৰ খান লোডীয়ে 'শ্বেৰ খান' উপাধি প্রদান কৰিছিল।

শ্বেৰ শ্বাহে চুনাৰৰ শাসনকর্তা তাজখানৰ বিধবা পত্নী লাড় মল্লিকাৰ সৈতে বিবাহপাশত আবদ্ধ হৈ চুনাৰ দুর্গ লাভ কৰাটো তেওঁৰ প্রথম উল্লেখনীয় সফলতা আছিল। ইয়াৰ পিছত ১৫৩৩ চনত শ্বেৰ শ্বাহে বিহাৰৰ লোহানী নেতা আৰু বংগৰ মহম্মদ শ্বাহৰ যুটীয়া শক্তিক সুৰুজগড়ৰ যুদ্ধত পৰাস্ত কৰে আৰু সমগ্র বিহাৰ নিজৰ অধীনলৈ আনে। তেওঁ বংগৰ শাসনকর্তা মহম্মদ শ্বাহক ১৫৩৬ চন, ১৫৩৭ চন আৰু ১৫৩৮ চনত তিনিবাৰকৈ পৰাস্ত কৰি বৃহৎ পৰিমাণৰ সা-সম্পত্তি লাভ কৰাৰ লগতে বংগৰ ৰাজধানী গৌড়ও কিছুদিনৰ বাবে অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। এই বিজয়ৰ জৰিয়তে এনে এক সময়ত শ্বেৰ শ্বাহৰ ক্ষমতা আৰু সন্মান উভয়েই বৃদ্ধি পাইছিল। শ্বেৰ শ্বাহে অতি কৌশলেৰে মোগল সম্ৰাট হুমায়ুনক গৌড়ত ব্যস্ত ৰাখি বিহাৰ আৰু দিল্লীৰ যোগাযোগৰ সকলো ব্যৱস্থা বিচ্ছিন্ন কৰি দিয়ে আৰু বংগৰ পৰা আগ্রালৈ হুমায়ুনৰ ওভতনি যাত্রাত শ্বেৰ শ্বাহে পথৰুদ্ধ কৰি মোগল সেনা বাহিনীক ১৫৩৯ চনৰ ২৬ জুন চৌচাৰ যুদ্ধত সম্পূর্ণভাৱে পৰাভূত কৰে। এই যুদ্ধত মোগল সম্ৰাট হুমায়ুনে কথমপিহে নিজৰ প্রাণ ৰক্ষা কৰিবলৈ সক্ষম হয়।

এই বিজয়ৰ দ্বাৰা উৎসাহিত হৈ শ্বেৰ শ্বাহে চুলতান-ই-আদিল' নামেৰে গৌড়ৰ ৰাজ ক্ষমতা হস্তগত কৰে। ইয়াৰ ঠিক পাছৰ বছৰত ১৫৪০ চনত শ্বেৰ শ্বাহে হুমায়ুনক কনৌজ বা বিলগ্রামৰ যুদ্ধত পুনৰ পৰাস্ত কৰে আৰু দিল্লীৰ ৰাজপাট অধিকাৰ কৰে। ইয়াৰ দ্বাৰা শ্বেৰ শ্বাহে দিল্লীত পুনৰবাৰ আফগান সাম্ৰাজ্য প্রতিষ্ঠা কৰিবলৈ সক্ষম হ'ল আৰু ১৫৪০ৰ পৰা ১৫৪৫ চন পর্যন্ত এই পাঁচটা বছৰ দিল্লীৰ সিংহাসন নিজৰ অধীনত ৰাখে।

এই কম সময়ৰ ভিতৰতে শ্বেৰ শ্বাহে নিজকে বিজেতা হিচাপে প্ৰমাণ কৰিব পাৰিছিল। তেওঁ মালৱাৰ বিৰুদ্ধে এটা অভিযান পঠিয়াইছিল আৰু ১৯৪২ চনত গোৱালিয়ৰ দুৰ্গৰ গৱৰ্ণৰজনে বশ্যতা স্বীকাৰ কৰাৰ লগে লগে মালৱাতেওঁৰ অধীনলৈ আহিছিল। পুৰন মলৰ দুঃসাহসী বাধা সত্ত্বেও শ্বেৰ শ্বাহে ৰাইচিন দুৰ্গ দখল কৰা হৈছিল। ১৫৪৩ চনত মুলতান, পাঞ্জাৱ আৰু সিন্ধ দখল কৰিছিল। মালদেওৰ শাসনত যোধপুৰ শক্তিশালী হৈ উঠিছিল আৰু ইয়াৰ শাসকে হুমায়ুনক আশ্ৰয় প্ৰদান কৰিছিল। এই কথাটোৱে শ্বেৰ শ্বাহক অগ্নিশৰ্মা কৰি তুলিছিল আৰু তেওঁ ইয়াক যোধপুৰ আক্ৰমণৰ অজুহাত হিচাপে লৈছিল। ১৫৪৪ চনত মালদেও পৰাজীত হ'ল আৰু মাৰৱাৰ জয় কৰা হ'ল। কালিঞ্জৰৰ ৰজাৰ বিৰুদ্ধে কৰা অভিযানেই আছিল তেওঁৰ জীৱনৰ অন্তিম অভিযান। অভিযানৰ কালত কলিঞ্জৰৰ দুৰ্গৰ প্ৰাচীৰ ভাঙোতে হোৱা বিস্ফোৰণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ তেওঁ মৃত্যুমুখত পৰে। ১৫৪৫ চনত কালিঞ্জাৰৰ বিজয় সাব্যস্ত কৰে।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ১ ঃ শ্বেৰ শ্বাহৰ প্ৰকৃত নাম কি আছিল?

.....

প্ৰশ্ন নং ২ ঃ লাড় মল্লিকা কোন আছিল?

.....

প্ৰশ্ন নং ৩ ঃ হুমায়ুনক কোনে আশ্ৰয় দিছিল?

.....

৯.৪ শ্বেৰশ্বাহ সূৰীৰ প্ৰশাসনিক সংস্কাৰসমূহ

শ্বেৰ শ্বাহৰ প্ৰশাসনিক সংস্কাৰসমূহে তেওঁৰ সাফল্য নিৰ্ধাৰণ কৰে যিটো তেওঁৰ উত্তৰাধিকাৰীসকলৰ কাৰণেও প্ৰেৰণাৰ বিষয় আছিল। ৰাজসভাৰ মুখ্য মন্ত্ৰী-আমোলাসকল আছিল দিৱান-ই-উইজাৰট, দিৱান-ই-অৰিজ, দিৱান-ই-ৰচালট, দিৱান-ই-ইন্‌চা। দিৱান-ই-উইজাৰটে ৰাজ্যৰ আয়-ব্যয়ৰ হিচাপ ৰখাৰ উপৰি অন্য মন্ত্ৰীসকলৰ তদাৰক কৰিছিল। দিৱান-ই-আৰিজে সামৰিক বিষয়ক প্ৰশাসনৰ চোৱা-চিতা কৰিছিল। দিৱান-ই-ৰিচালটে দূত আৰু প্ৰতিনিধি-কটকীৰ সহায়ত কূটনৈতিক চুক্তি -সম্পৰ্কবোৰৰ তদাৰক কৰিছিল। দিৱান-ই-ইনচাই চৰকাৰী ঘোষণাবিলাকৰ নক্সা তৈয়াৰ কৰিছিল আৰু তেওঁ চৰকাৰী প্ৰতিবেদন বিলাকৰ তদাৰকৰ দায়িত্বত আছিল। দিৱান-ই-কাজি আৰু দিৱান-ই-বাৰিদ যথাক্ৰমে ন্যায়-বিচাৰ আৰু চোৰাংচোৱা বিভাগৰ লগত জড়িত আছিল।

শ্বেৰ শ্বাহে প্ৰশাসনিক গাঁথনিৰ ব্যৱস্থা কৰিছিল। গোটেই সাম্ৰাজ্যখনক সাতচল্লিশটা ভাগ কৰা হৈছিল আৰু এই ভাগবোৰক চৰকাৰ নামেৰে জনা গৈছিল। মুনচিফ-ই- মুনচিফনে চৰকাৰৰ অসামৰিক বিচাৰৰ দায়িত্বত আছিল আৰু লগতে আমিৰৰ কাম-কাজৰ তদাৰক কৰিছিল। চিকদাৰ-ই-চিকদাৰনে আইন-শৃংখলা চম্ভালি ৰাখিছিল আৰু লগতে চিকদাৰৰ কাম-কাজৰ প্ৰতিও দৃষ্টি ৰাখিবলগীয়া হৈছিল। প্ৰত্যেকটো চৰকাৰকে কেইখনমান পৰগাণাত উপ-বিভাজিত কৰা হৈছিল। প্ৰত্যেকটো পৰগনাৰে চিকদাৰ, আমিন, মুনচিফ, কেৰাণী-কাকতি আৰু মধ্যস্তত্বভোগী যেনে চৌধাৰী, পাটোৱাৰী, মুক্কাদ্দম আদি গুৰুত্বপূৰ্ণ আমোলা আছিল। পাৰগানাৰ ৰাজকোষৰ তদাৰকৰ দায়িত্ব ফোটাহদাৰ (Fotahdar)ৰ হাতত ন্যস্ত কৰা হৈছিল। কেৰাণীবোৰ কাৰকুন নামেৰে জনা গৈছিল। আভ্যন্তৰীণ বিদ্রোহৰ সম্ভাৱনাক নাকী লগাবলৈ প্ৰত্যেক দুবছৰৰ মূৰে মূৰে আমিন আৰু চিকদাৰসকলক বদলি কৰা হৈছিল।

তেওঁ এক উত্তম ৰাজহ প্ৰশাসন ব্যৱস্থাৰ সূচনা কৰিছিল যিটো ভৰিষ্যতৰ ভূমি সংস্কাৰৰ ক্ষেত্ৰত আৰ্হিস্বৰূপে হৈছিল। বিষয়াসকলে প্ৰতিজন খেতিয়কৰ মাটিৰ জোখ-মাখ লৈ তিনিভাগত ভাগ কৰিছিল আৰু খেতিয়কসকলে তেওঁলোকৰ উৎপাদিত শস্যৰ এক তৃতীয়াংশ ৰাজহ হিচাপে দিবলগীয়া হৈছিল। গাঁৱৰ ৰাজহ সংগ্ৰহৰ দায়িত্ব গাঁওবুঢ়াই পালন কৰিছিল আৰু তেওঁৰ মেহনতিৰ কাৰণে তেওঁ পাঁচ শতাংশ লাভ কৰিছিল। নগদ শস্য (Cash crops) নষ্ট হ'লে ৰাজহ ৰেহাই দিয়া হৈছিল আৰু খেতিয়কসকলক অনুদান /ঋণ আগবঢ়োৱা হৈছিল যাৰ ফলত অধিক মাটিত কৃষিকাৰ্য কৰিবলৈ খেতিয়কসকল উৎসাহিত হৈছিল। এখনতকৈ বেছি গাঁৱৰ নথি-পত্ৰৰ হিচাপ ৰখাৰ উদ্দেশ্যেৰে পাটোৱাৰী নিয়োগ কৰা হৈছিল। খেতিয়কসকলৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰা হৈছিল আৰু তেওঁলোকৰ অধিকাৰ আৰু দায়বদ্ধতা, পট্টা আৰু কাবুলিয়ত (Qabuliyat)ৰ যোগেদি সংজ্ঞাবদ্ধ কৰা হৈছিল। সেয়েহে ৰাজহ বিভাগক দুৰ্নীতিমুক্ত কৰি ৰখাত শ্বেৰ স্বাহ সফল হৈছিল। আমিৰ আছিল ৰাজহ বিভাগৰ মুখ্য সচিব আৰু ৰাজহ সংগ্ৰহ কৰি ৰাজকোষলৈ প্ৰেৰণ কৰাৰ দায়িত্ব আছিল চিকদাৰৰ।

দক্ষ পুলিচ-আৰক্ষী বিভাগৰ কাৰণে শ্বেৰ শ্বাহ প্ৰশংসা কৰা হৈছিল। স্থানীয় বাসিন্দাসকলৰ নিৰাপত্তাৰ দায়বদ্ধতা স্বীকাৰ কৰি আইন-শৃংখলা শক্তিশালী কৰা হৈছিল। চৰকাৰত অপৰাধ সংক্ৰান্তীয় কাৰ্যকলাপৰ তদাৰক চিকদাৰ-ই-চিকদাৰনে কৰিছিল আৰু পৰগনাত এই দায়িত্ব পালন কৰিছিল চিকদাৰে। প্ৰকৃত ন্যায়ৰ কাৰণে/ন্যাস প্ৰাপ্তিৰ কাৰণে কোনো অপৰাধী যাতে সাৰি নাযায় সেইটো নিশ্চিত কৰিছিল। কাজি আৰু মিৰ আদি (Mir Adi)য়ে অসামৰিক আইনৰ তদাৰক কৰিছিল। অপৰাধ সংক্ৰান্তীয় আইনটো দেশীয় আইনৰ কৰ্তৃত্বাধীন আছিল আৰু দোষীক কঠোৰ শাস্তি প্ৰদান কৰা হৈছিল।

বাণিজ্যৰ ক্ষেত্ৰত বিভিন্ন বস্তুৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা বাণিজ্যিক শুল্ক তেওঁৰ ৰাজত্ব কালত ৰদ কৰা হৈছিল। বস্তু বাহিনীৰ সহজলভ্য হোৱাৰ লগতে বাণিজ্যিক সহজসাধ্য কৰাৰ কাৰণে আমদানি শুল্কও ৰদ কৰা হৈছিল। শ্বেৰ ছাহৰ আগলৈকে মুদ্রা ব্যৱস্থাটোৱে জনসাধাৰণৰ

মনত কোনো আশাৰ সঞ্চাৰ কৰা নাছিল। তেওঁ ডাম (Dam) নামৰ নতুন মুদ্ৰাৰ প্ৰচলন কৰিছিল আৰু মিশ্ৰ ধাতুৰে নিৰ্মিত পুৰণা মুদ্ৰা পৰিত্যাগ কৰিছিল।



জানি থোৱা ভাল ঃ

শ্বেৰ শ্বাহে নিয়মিত ডাক সেৱাৰ সূচনা কৰিছিল। ডাক বিভাগৰ ডাক-চৌকি (Dak-Chowkis) হিচাপে ৰাস্তাৰ কাষে কাষে চৰাইখানা (Sarais) নিৰ্মাণ কৰা হৈছিল। প্ৰত্যেকটো চৰাই বা ডাক-চৌকিত দুজন অশ্বাৰোহীক প্ৰতিমুহূৰ্ততে সষ্টম হৈ থকাৰ ব্যৱস্থা কৰা হৈছিল যাতে ডাক বা মেইল গ্ৰহণ কৰি নিকটৱৰ্তী চৌকিলৈ পঠিয়াব পৰা যায়।

শ্বেৰ শ্বাহে ৰাস্তা-ঘাট বনাবলৈ নিৰ্দেশ দিছিল। দীঘলীয়া দূৰত্বক সাঙুৰি লৈ চাৰিটা ৰাস্তা নিৰ্মাণ কৰা হৈছিল। বৃক্ষৰোপণ কৰা হৈছিল আৰু পথিকৰ কাৰণে চৰাইখানা নিৰ্মাণ কৰা হৈছিল। ইয়াৰ ফলত এই চৰাইখানা বিলাকৰ ওচৰত নগৰ গঢ়ি উঠিছিল আৰু বাণিজ্যৰ উন্নতি ঘটিছিল। সোণাৰগাঁৱৰ পৰা সিন্ধুলৈকে নিৰ্মাণ কৰা চৰক-ই-আজম বা গ্ৰোণ্ড-ট্ৰাংক ৰোড তেওঁৰ এক উল্লেখযোগ্য সফলতা আছিল। শ্বেৰ শ্বাহে স্থাপত্যৰ কাৰণে বেছি সময় দিব পৰা নাছিল যদিও দিল্লীৰ পুৰণা কিল্লা, ঝীলামৰ পাৰত অৱস্থিত ৰোহটাগেড় আৰু এনেধৰণৰ উন্নত - উৎকৰ্ষ নিৰ্মাণ কাৰ্য তেওঁৰ দিনতে হৈছিল। চাহস্ৰমত থকা তেওঁৰ সুশোভন কীৰ্তিস্তম্ভ, সৌন্দৰ্য আৰু গাম্ভীৰ্যৰ ফালৰ পৰা অতুলনীয়।

● শ্বেৰ শ্বাহৰ উত্তৰাধিকাৰী সকল

শ্বেৰ শ্বাহে প্ৰতিষ্ঠা কৰা দ্বিতীয় আফগান সাম্ৰাজ্য বা চুৰ সাম্ৰাজ্যখন তেওঁৰ অদক্ষ উত্তৰাধীকাৰী সকলৰ বাবে দীৰ্ঘস্থায়ী হৈ নাথাকিল। শ্বেৰশ্বাহৰ পাছত তেওঁৰ দ্বিতীয় পুত্ৰ জালানখানে ইছলাম শ্বাহ বা চেলিম উপাধি গ্ৰহণ কৰি ১৫৪৫ চনৰ পৰা ১৫৫৩ চনলৈ শাসন কাৰ্য চলায়। ইছলাম শ্বাহ এজন সন্দেহপৰায়ণ লোক আছিল। ইছলাম শ্বাহৰ শাসন কালক আফগান সাম্ৰাজ্য পতনৰ এক প্ৰধান কাৰক বুলি গণ্য কৰিব পাৰি। তেওঁৰ মৃত্যুৰ পাছত নিজামে মহম্মদ আদিল শ্বাহ উপাধি লৈ ৰাজপাটত আৰোহণ কৰে। মহম্মদ আদিল শ্বাহে ১৫৫৩ চনৰ পৰা ১৫৫৭ চনলৈ মাত্ৰ চাৰি বছৰ কাল শাসন কাৰ্য চলাবলৈ সক্ষম হয়।

মহম্মদ আদিল শ্বাহৰ চাৰি বছৰীয়া শাসন কালৰ অন্তত দিল্লীৰ ৰাজপাট ইব্ৰাহীম খান চুৰৰ হাতলৈ যায় । ইব্ৰাহীম খান শ্বেৰ শ্বাহৰ এজন ভতিজাক আছিল আৰু ইব্ৰাহীম খানে তেওঁৰ নব্য প্ৰতিষ্ঠিত ৰাজধানী চুনাৰৰ পৰা দিল্লীৰ শাসন কাৰ্য চলাবলৈ লৈছিল। সমসাময়িকভাৱে শ্বেৰশ্বাহৰ অন্য এজন ভতিজাক চিকন্দৰ শ্বাহে পঞ্জাব অধিকাৰ কৰে। মুঠতে সেই সময়ছোৱাত সমগ্ৰ প্ৰশাসন ব্যৱস্থাত এক অৰাজকতাৰ সৃষ্টি হয়। এনে এক সময়তে মহম্মদ আদিল শ্বাহে হিমুক মুখ্যমন্ত্ৰীৰূপে নিয়োগ কৰি সকলো প্ৰশাসনীয় দায়িত্ব ভাৰ অৰ্পণ কৰে। আদিল শ্বাহৰ

এই কার্যক আফগান অভিজাত লোকসকলে সহজভাৱে ল'ব পৰা নাছিল। এই ঘটনাক্ৰমৰ মাজতে আফগান অভিজাত লোকসকলৰ মাজত ক্ষমতাক লৈ তীব্ৰ টনা-আঁজোৰাৰ সৃষ্টি হয় আৰু ইয়াৰ মাজেৰে কোনো কোনোৱে নিজকে স্বাধীন বুলি ঘোষণা কৰে। ইয়াৰ ফলশ্ৰুতিত মহম্মদ আদিল স্বাহ, ইব্ৰাহিম খান সূৰ আৰু চিকন্দৰ স্বাহৰ মাজত এক গৃহযুদ্ধৰো সূচনা হৈছিল।

ইয়াৰ সুযোগ গ্ৰহণ কৰি হুমায়ুনে তেওঁৰ হেৰুৱা সাম্ৰাজ্য পুনৰুদ্ধাৰৰ এটা প্ৰচেষ্টা চলালে আৰু পঞ্জাৱ অধিকাৰ কৰি তেওঁৰ পুত্ৰ আকবৰক ইয়াৰ শাসনকৰ্তা হিচাপে নিয়োগ কৰে। হুমায়ুনে চিকন্দৰ স্বাহৰ নেতৃত্বত আফগান সৈন্য বাহিনীক ছুটলেজ নৈৰ পা�ৰৰ মাচিৱাৰৰ যুদ্ধত পৰাস্ত কৰে। ১৫৫৫ চনৰ ২২ জুনত চিৰহিন্দ নামৰ ঠাইত এক তুমুল সংঘৰ্ষ সংঘটিত হয়। হুমায়ুনে ১৫৫৫ চনৰ ২৩ জুলাইত দিল্লীত প্ৰৱেশ কৰে আৰু ১৫ বছৰীয়া দীৰ্ঘদিনীয়া বিৰতিৰ অন্তত পুনৰ ভাৰতবৰ্ষৰ সিংহাসন দখল কৰে। ইয়াৰ লগে লগে সূৰ সাম্ৰাজ্য বা দ্বিতীয় আফগান সাম্ৰাজ্যৰ অন্ত পৰে আৰু মোগলৰ শাসন পুনৰ প্ৰতিষ্ঠিত হয়। কিন্তু ইয়াৰ পিছত হুমায়ুন বেছিদিন জীয়াই নাথাকিল। ১৫৫৬ চনৰ ২৬ জানুৱাৰী তাৰিখে এক দুৰ্ঘটনাত হুমায়ুনৰ মৃত্যু হয়। মৃত্যুৰ আগতে হুমায়ুনে তেওঁৰ পুত্ৰ আকবৰক তেওঁৰ উত্তৰাধিকাৰী ৰূপে মনোনীত কৰি থৈ যায়।

৯.৫ তেওঁৰ শাসনৰ গুৰুত্ব

শ্বেৰ শ্বাহৰ চমু শাসন কালত তেওঁৰ সাফল্য আছিল উল্লেখযোগ্য তথা অবিস্মৰণীয়। ড° আৰ পি ত্ৰিপাঠীৰ মতে 'যদি শ্বেৰ শ্বাহ বেছিদিন জীয়াই থাকিলহেতেন তেওঁ নিশ্চয় আকবৰৰ মহানতাৰ স্বৰূপ উদঙাই দেখুৱালেহেতেন'। তেওঁৰ প্ৰশাসনিক ব্যৱস্থাৰ কাৰণে শ্বেৰ শ্বাহক আকবৰৰ পূৰ্বসূৰী বুলি কোৱা হয়। শ্বেৰ শ্বাহে প্ৰশাসনৰ গাঁথনিৰ লাইখুঁটা স্থাপন কৰিছিল যিটো আকবৰে অনুকৰণ কৰি উন্নত কৰিছিল। তেওঁৰ পুলিচ বিভাগ, ন্যায় বিভাগ, ৰাজহ বিভাগ, যাতায়াত ব্যৱস্থা ইত্যাদি সংস্কাৰে তেওঁৰ দেশৰ প্ৰতি থকা অক্লান্ত-অবিশ্ৰান্ত শ্ৰমৰ কথাকে প্ৰতিফলিত কৰে। তেওঁ প্ৰজাসকলৰ প্ৰতি উদাৰ নীতি প্ৰয়োগ কৰি নিজকে বিচক্ষণ ঔ স্বৰতন্তৰ [Enlightened Despot] ৰ ৰূপ দিছিল। স্মিথে কৰা পৰ্যবেক্ষণৰ জৰিয়তে শ্বেৰ শ্বাহৰ মহানতাৰ বিষয়ে সামৰণি মাৰিব পাৰি। তেওঁ ৰ মত অনুসৰি 'যদি শ্বেৰ শ্বাহক ৰেহাই দিয়া হ'লহেতেন তেতিয়াহলে ইতিহাসৰ পৃষ্ঠপূমিত 'মহান মোগলসকলৰ আৱিৰ্ভাৱ নঘটিলেহেতেন'।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নকেইটাৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ৪ ঃ শেৱ শ্বাহৰ কীর্তিস্তম্ভ কত অৱস্থিত?

.....

প্রশ্ন নং ৫ ঃ চিকদাৰৰ দায়িত্ব কি আছিল?

.....

প্রশ্ন নং ৬ ঃ অসামৰিক আইনৰ তদাৰক ৰোন আছিল?

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো যে—

- শেৱ শ্বাহে চমু সময়ৰ কাৰণে ৰাজত্ব কৰিছিল যদিও এই কম সময়তে তেওঁৰ সাম্ৰাজ্যৰ চাৰিসীমা বৃদ্ধি কৰিছিল আৰু উন্নত প্রশাসনিক ব্যৱস্থা গঢ়ি তুলিছিল।
- শেৱ শ্বাহৰ উত্তৰাধিকাৰীসকল অযোগ্য আছিল আৰু অন্তর্কন্দলত নিয়োজিত হৈছিল। ইয়াৰ সুযোগ গ্রহণ কৰি হুমায়ুনে শেৱ শ্বাহৰ উত্তৰাধিকাৰীক পৰাজিত কৰি মোগল সাম্ৰাজ্য পুনৰ প্রতিষ্ঠা কৰে। আফগান শাসন ওফৰাই দ্বিতীয় আফগান সাম্ৰাজ্য বা চুৰ সাম্ৰাজ্যৰ অন্ত পৰে।



৯.৭ অধিক জানিবলৈ

- Chandra, Satish. (Reprint 2008). *Medieval India: From Sultanate to the Mughals,* Delhi Sultanate (1206-1526). Part one. New Delhi, India: Har-Anand Publications Pvt. Ltd.
- Ray chaudhury, H. C. Datta, K. and Majumdar, R.C. (2007). *An advanced History of India.* Delhi, India: Mac Mullan.
- Prasad, Ishwari. (1965). (Second Edition), *A Short History of Muslim Rule in India.* Allahabad, India : The Indian Press Ltd.

- Maiti, Provatansu and Saha, P.K. (2000). *Medieval India (1206 A.D-1707 A.D.)*. Calcutta, India: Sreedhar Publishers.

৯.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ফৰিদ

২ নং প্রশ্নৰ উত্তৰ ঃ তাজখানৰ বিধৰা পত্নী

৩ নং প্রশ্নৰ উত্তৰ ঃ যোধপুৰ ৰজা মালদেও

৪ নং প্রশ্নৰ উত্তৰ ঃ চহাস্ৰম।

৫ নং প্রশ্নৰ উত্তৰ ঃ পৰগণাবোৰত শান্তি আৰু শৃংখলা বজাই ৰাখিবৰ কাৰণে।

৬ নং প্রশ্নৰ উত্তৰ ঃ কাজি আৰু মিৰ আদি।

৯.৯ আৰ্হি প্রশ্ন।

(ক) বস্তুধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ ৰাজহ সংগ্রহ কৰাৰ বাবদ মুখিয়ালে উৎপাদিত শস্যৰ কিমান অংশ লাভ কৰিছিল?

প্রশ্ন নং ২ ঃ পট্টা বুলিলে কি বুজে?

প্রশ্ন নং ৩ ঃ শ্বেৰ শ্বাহৰ মৃত্যুৰ পিছত দ্বিতীয় আফগান সাম্ৰাজ্য কিয় বেছি দিনলৈ বৰ্তি নাথাকিল?

(খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ ভূমিৰ ৰাজহ ব্যৱস্থাত পাটোৱাৰীৰ ভূমিকা কি আছিল?

প্রশ্ন নং ২ ঃ ৰাজহ বিভাগৰ অনিয়ম-দুর্নীতি বিলাক শ্বেৰ ছাহে কেনেদৰে ৰোধ কৰিছিল?

প্রশ্ন নং ৩ ঃ কনৌজ যুদ্ধৰ গুৰুত্ব কি আছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ সাম্ৰাজ্য গঢ়োতা হিচাপে শ্বেৰ শ্বাহ সূৰীৰ জীৱন পৰিক্ৰমা আৰু সামৰিক সাফল্যৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ আকবৰৰ পূৰ্বসূৰী হিচাপে শ্বেৰ শ্বাহৰ সাফল্যৰ বিশ্লেষণ কৰক।

* * * * * * * * * * *

অধ্যায় ১০ ঃ আকবৰৰ অধীনত মোগল সাম্ৰাজ্য

অধ্যায় গাঁথনি

১০.১. উদ্দেশ্য

১০.২. পৰিচয়

১০.৩. আকবৰৰ সাম্ৰাজ্য বিস্তাৰৰ আৰু একত্ৰীকৰণ নীতি

১০.৪. আকবৰৰ কূটনৈতিক মিত্ৰজোট

১০.৫. তেওঁৰ ধৰ্মীয় নীতি

১০.৬. অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭. অধিক জানিবলৈ

১০.৮. অগ্ৰগতি খতিয়ান

১০.৯. আৰ্হি প্ৰশ্ন

১০.১. উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- আকবৰৰ সাম্ৰাজ্য বিস্তাৰ নীতি আৰু পৰৱৰ্তী একত্ৰীকৰণ নীতিৰ বিষয়ে বৰ্ণনা কৰিব লৈ সক্ষম হ'ব,
- স্থানীয় শাসক, প্ৰমুখ সকলৰ সৈতে আকবৰে স্থাপন কৰা কূটনৈতিক মিত্ৰতাৰ বিষয়ে আৰু ইয়াৰ আঁৰৰ কাৰণসমূহ বিশ্লেষণ কৰিবলৈ সক্ষম হ'ব, আৰু
- আকবৰৰ প্ৰস্তাৱিক ধৰ্মীয় নীতিৰ বিৱৰণ দিবলৈ সক্ষম হ'ব।

১০.২. পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি সুদক্ষ শাসক শ্বেৰ শ্বাহৰ বিষয়ে আলোচনা কৰিলো, যাৰ প্ৰশাসনিক সংস্কাৰ আৰু অন্য নীতিসমূহে তেওঁৰ পৰৱৰ্তী শাসকসকলৰ বাবে এক অনুকৰণীয় পৰিমাপৰ সৃষ্টি কৰিছিল। এই অধ্যায়টিত আমি বিখ্যাত মোগল সম্ৰাট আকবৰৰ নীতিসমূহৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়টিয়ে সামৰিক অভিযানেই হওক বা মিত্ৰতা স্থাপনেই হওক বা এক নতুন ধৰ্মৰ প্ৰচাৰেই হওক, আকবৰৰ সাফল্যসমূহৰ বিষয়ে আলোকপাত কৰিম। লগতে ইয়াৰ আঁৰত ক্ৰিয়া কৰা কাৰকসমূহৰ বিশ্লেষণ কৰিম। প্ৰথমে আমি আকবৰৰ সাম্ৰজ্য বিস্তাৰ নীতিৰ বিষয়ে দৃষ্টিপাত কৰোঁ আহক।

১০.৩ আকবৰৰ সাম্ৰাজ্য বিস্তাৰ আৰু একত্ৰীকৰণৰ নীতি

হিন্দুস্থানৰ ৰাজপাট আকবৰৰ বাবে এক ফুলৰ শয্যা নাছিল। তেওঁ বিসম্বাদী আৰু বিদ্রোহীসকলৰ সৈতে মোকাবিলা কৰিবলগীয়া হৈছিল। তেওঁৰ ৰাজত্বকালৰ প্ৰথম বৰ্ষতেই তেওঁ বংগৰ শাসক, মহম্মদ শ্বাহ আবদালীৰ প্ৰধানমন্ত্ৰী হিমুৰ বিৰুদ্ধে অভিযান চলাইছিল। বৈৰাম খানৰ পৰামৰ্শ অনুসৰি আকবৰে যুদ্ধ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু আকবৰ আৰু হিমুৰ সৈন্যবাহিনী ১৫৫৬ চনৰ নৱেম্বৰ মাহত ঐতিহাসিক পাণিপথৰ যুদ্ধক্ষেত্ৰত সমুখা-সমুখি হৈছিল। যুদ্ধক্ষেত্ৰত প্ৰাৰম্ভিক অৱস্থাত হিমুই কিছু সফলতা লাভ কৰিছিল যদিও তেওঁৰ চকুত লগা এডাল কাঁড়ৰ বাবে তেওঁৰ ভাগ্যই এক প্ৰতিকূল ৰূপ ধাৰণ কৰে। ফলত যুদ্ধ মোগলসকলৰ পক্ষে ঢাল খায় আৰু মোগল সৈন্যই দিল্লী আৰু আগ্ৰা দখল কৰে।

যেতিয়া বাজ বাহাদুৰে (এজন আফগান সম্ভ্ৰান্ত শ্ৰেণীৰ লোক) মালৱা দখল কৰে, তেওঁৰ বিপক্ষে মোগল সৈন্যবাহিনীৰ নেতৃত্ব দিছিল আদম খানে (আকবৰৰ ভাতৃ) আৰু আদম খানক সহায় কৰিছিল পীৰ মহম্মদে। যুদ্ধত বাজ বাহাদুৰে পৰাজয় বৰণ কৰিছিল। কিন্তু মালৱা প্ৰমুখৰ দুৰ্বলতাৰ বাবে ৰাজনৈতিক দৃশ্য পাটত বাজ বাহদুৰৰ পুৰ্ণ আৰিৰ্ভাৱ ঘটে আৰু তেওঁ পুনৰ মালৱা দখল কৰিবলৈ সক্ষম হয়। অৱশ্যে, তেওঁৰ বিজয় চমু সময়ৰ বাবে আছিল কাৰণ আব্দুল্লা খান উজবেগৰ নেতৃত্বাধীন মোগল সৈন্যবাহিনীৰ হাতত তেওঁ পৰাস্ত হৈছিল।

আকবৰে সম্ভ্ৰান্ত উজবেক বিষয়ববীয়া শ্ৰেণীৰ সৈতেও মোকাবিলা কৰিবলগীয়া হৈছিল যি সকলে মুকলিকৈ তেওঁৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। আব্দুল্লা খান উজবেগ, আকবৰৰ এজন বিশ্বাসী বিষয়া যিয়ে মালৱাত প্ৰশংসনীয়ভাৱে যুঁজিছিল, তেওঁ ১৫৬৪ চনত অন্যান্য উজবেগ বিষয়ববীয়াসকলৰ সৈতে বিদ্রোহত অংশগ্ৰহণ কৰে । তেওঁ অন্য এজন উজবেগ শাসক জৌনপুৰৰ খান জামানৰ সৈতে মিত্ৰতা কৰে আৰু সোনকালেই উজবেগ বিষয়ববীয়াসকল তেওঁলোকৰ সমৰ্থনত থিয় দিয়ে। তেওঁলোকৰ মাজৰ বিদ্বেষৰ কাৰক আছিল পাৰস্যৰ বিষয়াসকলৰ প্ৰতি আকবৰৰ অনুকুল মনোভাৱৰ আৰু মোগল ৰাজসভাত তেওঁলোকৰ স্থান হেৰুওৱাৰ ভয়। আকবৰে তেওঁলোকৰ বিৰুদ্ধে এক ব্যাপক সামৰিক অভিযান আৰম্ভ কৰে। ১৫৬৫ চনত খান জামান পৰাভূত হয়। ১৫৬৭ চনত আকবৰে স্বয়ং নিজে নেতৃত্ব গ্ৰহণ কৰি উজবেক বিদ্রোহীসকলৰ ওপৰত আকস্মিক আক্ৰমণ চলায়। আৰু এই আক্ৰমণত খান জামান নিহত হয় আৰু তেওঁৰ ভাতৃ বাহাদুৰ খানক কৰায়ত্ত কৰি পিছত হত্যা কৰা হয়।

ইয়াৰ পিছত, আকবৰে ১৫৭২ চনত গুজৰাটৰ শাসক তৃতীয় মুজাফৰ শ্বাহৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰে। আকবৰে আহমেদাবাদত প্ৰৱেশ কৰোতে মুজাফৰ শ্বাহৰ পৰা কোনো প্ৰতিৰোধ পোৱা নাছিল। গুজৰাটত মোগল কতৃত্ব স্থাপন কৰাত তেওঁ সফল হৈছিল যদিও ১৫৮৪ চনতহে গুজৰাট মোগল সাম্ৰাজ্যৰ অধীনলৈ আহিছিল।

বংগৰ শাসক ডাউদ খানে জামানিয়া দুর্গ অধিকাৰ কৰা কার্যৰ বাবে আকবৰৰ ক্রোধৰ সন্মুখীন হ'বলগীয়া হৈছিল। আকবৰে ততাতৈয়াকৈ মোগল সৈন্যবাহিনীক তেওঁৰ বিৰুদ্ধে ৰাওনা কৰে। কিন্তু ডাউদ খানক বশ কৰিব পৰা নোযোৱাত তোডৰ মলৰ নেতৃত্বত অন্য এক মোগল বাহিনীক প্রেৰণ কৰে। ১৫৭৬ ৰ পৰা ১৫৮০ খ্রীষ্টাব্দৰ ভিতৰত সুদীর্ঘ যুঁজ -বাগৰৰ অন্তত, বংগ মোগল সাম্ৰাজ্যৰ সৈতে সংযোজিত হয়। ১৫৯২ চনত বংগই আফগান উচ্চ বংশীয় বিষয়ববীয়া সকলৰ নেতৃত্বত বিদ্রোহ কৰে যদিও মোগলে বংগক পুনৰ বাৰ নিজৰ অধীনলৈ নিয়ে।

ইয়াৰ পাছতে আকবৰে কাশ্মীৰৰ শাসক ইউছুফ শ্বাহৰ বিৰুদ্ধে অভিযান চলায়। ৰাজা ভগৱান দাসে মোগল সৈন্যবাহিনীৰ নেতৃত্ব দিছিল আৰু ইউছুফ শ্বাহক আত্মসমর্পণ কৰাবলৈ সক্ষম হৈছিল। ইউছুফ খানৰ পুত্রই যুঁজ চলাই থাকে যদিও সোনকালেই তেওঁ আত্মসমর্পণ কৰিবলৈ বাধ্য হয়। কাশ্মীৰ মোগল সাম্ৰাজ্যৰ অন্তর্ভুক্ত হয় আৰু কাবুল প্রদেশৰ অংশ ৰূপে চিহ্নিত হয়।

আকবৰৰ বাবে সিন্ধ প্রদেশৰ এক গুৰুত্বপূর্ণ ভূমিকা আছিল। ই কান্দাহাৰৰ বিজয়ৰ ক্ষেত্রত এক নির্ণায়ক কাৰক ৰূপে চিহ্নিত হোৱাৰ সম্ভাৱনীয়তা আছিল। ১৫৭৪ চনত ভাক্কৰ (Bhakkar) অধিকাৰ হয় যদিও সিন্ধুৰ এক বৃহৎ অঞ্চল তেতিয়াও অধিকাৰ নোহোৱাকৈয়ে আছিল। মির্জা আব্দুৰ ৰহিমৰ (মূলতান প্রদেশৰ গৱর্ণৰ) নেতৃত্বত মোগল সৈন্য সিন্ধু জয় কৰে আৰু সিন্ধুৰ শাসকে আত্মসমর্পণ কৰিবলগীয়াত পৰে।

ইতিমধ্যে, পাৰস্যৰ শ্বাহে তুর্ক আৰু উজবেগসকলৰ সৈতে যুদ্ধত ব্যস্ত থাকিবলগীয়া হোৱাৰ সুযোগলৈ আকবৰে অৱশেষত কান্দাহাৰ অধিকাৰ কৰে। একে সময়তে আকবৰৰ বিপক্ষে থিয় দিয়া উজবেগ আৰু য়ুছুফজাইসকলে আকবৰৰ বাবে অসুবিধা সৃষ্টি কৰিবলৈ আপ্রাণ চেষ্টা চলাইছিল। যুৱৰাজ মুৰাদ আৰু ৰাজা তোডৰ মালৰ নেতৃত্বত এক বিশাল মোগল সৈন্য বাহিনী বিদ্রোহী শক্তিসমূহৰ বিৰুদ্ধে প্রেৰণ কৰা হয়। পৰিণতি স্বৰূপ সংঘটিত হোৱা যুদ্ধত উজবেগ আৰু ইউছুফজাই সকল বিধ্বস্ত হয়।

একে সময়তেই, ৰোছনীয়া (বায়াজিদৰ অনুগামী) আন্দোলনে ওচৰ চুবুৰীয়া অঞ্চল কাছকৰ (চিত্রাল) পর্বতৰ পদাঞ্চলৰ পৰা কান্দাহাৰলৈ গোলমালৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। বায়াজিদৰ উত্তৰাধিকাৰীসকলে এক দীর্ঘসময়লৈ সংগ্রাম অব্যাহত ৰাখিবলৈ সক্ষম হৈছিল। আব্দুল কাদিৰৰ নেতৃত্বত জাফৰৰ নেতৃত্বাধীন মোগল সৈন্যবাহিনীৰ বিৰুদ্ধে হোৱা সংগ্রামত আব্দুল কাদিৰ পৰাভূত হয় আৰু আত্মসমর্পণ কৰিবলৈ বাধ্য হয়। অৱশ্যে পিছলৈ আব্দুল কাদিৰক মোগল সৈন্যবাহিনীত ১০০০ জনৰ ওপৰত সেনাপতি ৰূপে অন্তর্ভুক্ত কৰা হয়। উত্তৰ পশ্চিম সীমান্তত ৰৌছনীয়া আন্দোলন স্তিমিত হোৱাৰ লগতে এই অঞ্চলত মোগল মাম্ৰাজ্যৰ প্রতি উদ্ভৱ হোৱা সমস্যাৰ অন্ত পৰে।



জানি থোৱা ভাল

বায়াজিদে ইছলামৰ এক পৃথক ৰূপৰ প্ৰচাৰ কৰিছিল যি দুটা বৈশিষ্ট্যৰ ওপৰত ভিত্তি আছিল সাম্যবাদ আৰু ইছলামৰ বিৰোধিতাসকলৰ ধ্বংস। তেওঁ মোল্লা ইছমাইলিয়াৰ দ্বাৰা প্ৰচলিত ইছমাইলিয়া তত্ত্বৰ দ্বাৰা আৰু চৈয়দ মহম্মদ জৌনপুৰীৰ "মাহদবিয়া" বা মাহদি নীতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। ফলত বায়াজিদৰ শিক্ষা উভয় নীতিৰে এক সংমিশ্ৰণ আছিল।

তেওঁৰ ধৰ্মীয় যাত্ৰাৰ সন্ধান আছিল পাখটুন লোকসকলৰ মাজত এক আত্মিক উচ্চ স্থান লাভ কৰাটো। কিন্তু, তেওঁৰ আত্মা-সম্পৰ্কীয় তত্ত্বক কঠোৰভাৱে সমালোচিত হয় আৰু তেওঁ বায়াজিদ পীৰ-এ-তাৰিক (অন্ধকাৰৰ পীৰ) বুলিও উপনাম লাভ কৰে।

আকবৰৰ পৰৱৰ্তী অভিযান আছিল দক্ষিণ প্ৰদেশৰ পিনে। ১৫৯৫ চনত আহমেদনগৰৰ বিপক্ষে তেওঁৰ প্ৰথম অভিযান আছিল । আব্দুৰ ৰহিম আৰু যুৱৰাজ মুৰাদে মোগল সৈন্যৰ নেতৃত্বত যোৱা মোগল সৈন্যবাহিনী পৰাস্ত হোৱাৰ এটা কাৰণ আছিল যুৱৰাজ মুৰাদ আৰু আব্দুৰ ৰহিমৰ মাজৰ মতানৈক্য আৰু অন্য কাৰণ আছিল যুদ্ধক্ষেত্ৰত আহমেদনগৰৰ শাসক চান্দ চুলতানাৰ সাহস আৰু পৰাক্ৰম। কিন্তু সময় সোনকালেই মোগলসকলৰ অনুকূল হৈ উঠে আৰু মোগলসকলে চান্দ বিবিৰ হত্যা আৰু তাৰ ফলত গা কৰি উঠা আভ্যন্তৰীণ বিবাদৰ সুবিধা গ্ৰহণ কৰে। আকবৰে নেতৃত্ব গ্ৰহণ কৰে আৰু সফলতাৰে বুঢ়হানপুৰ অধিকাৰ কৰে। ইয়াৰ পিছতেই যুৱৰাজ দানিয়েল আৰু আব্দুৰ ৰহিম খান-ই-খানামে আহমেদনগৰ অধিকাৰ কৰে।

ৰাজপুতসকলৰ প্ৰতি আকবৰৰ নীতিৰ বিষয়ে এইটো নিশ্চিত কৈ ক'ব পাৰি যে তেওঁ ৰাজপুতসকলৰ সৈতে অবিৰত সংগ্ৰামত লিপ্ত হৈছিল। প্ৰথমে, ১৫৬২ চনত মোগলে মেড়তা দুৰ্গ দখল কৰিবলৈ সক্ষম হয় । ইয়াৰ শাসক জয় মল ৰাথোৰে বীৰত্বৰে যুদ্ধ কৰিছিল যদিও শেষত পৰাজিত হৈছিল। ১৫৬৪ চনত, আছফ খানৰ নেতৃত্বত মোগল সৈন্যৰে গোন্দৱানাৰ বিপক্ষে যাত্ৰা আৰম্ভ কৰে। গোন্দৱানাৰ গৱৰ্ণৰ ৰাণী দুৰ্গাৱতীয়ে তেওঁৰ নাবালক পুত্ৰ বীৰ নাৰায়ণৰ হৈ এক প্ৰবল সংগ্ৰামত লিপ্ত হয় আৰু শেষ নিশ্বাস ত্যাগ কৰাৰ আগলৈকে যুঁজিছিল। গোন্দৱানাৰ ৰাজধানী চৌৰাগড়ৰ পতনৰ ফলত মোগলৰ শাসনৰ অধীনলৈ যায়।

ৰাজস্থানত, আকবৰে এক অদম্য শক্তিৰ মুখামুখি হ'বলগীয়া হৈছিল। সেয়া আছিল মেৱাৰ যাৰ ৰাজধানী চিট্টোৰ আছিল। গুজৰাটৰ ওপৰত আকবৰৰ চকু আছিল যাৰ বাবে চিট্টোৰক নিজৰ দখললৈ নিয়াটো অপৰিহাৰ্য্য হৈ পৰিছিল। তদুপৰি তেওঁৰ প্ৰত্যয় উপজিছিল যে চিট্টোৰৰ পতনৰ ফলত সকলো ৰাজপুত ৰাজ্য তেওঁৰ অধীনলৈ আহিব আৰু এইটো সত্যত পৰিণত হৈছিল। ১৫৬৭ খ্ৰীষ্টব্দত, আকবৰে তেওঁৰ সৈন্যবাহিনীৰ সৈতে চিট্টোৰৰ বিপক্ষে যুদ্ধ যাত্ৰা

কৰে। ৰাজপুত বিষয়ববীয়াসকলে সাহসেৰে যুদ্ধ কৰে যদিও মোগলসকলৰ উন্নত শক্তিৰ বিপক্ষে জয়লাভৰ কোনো সম্ভাৱনা নাছিল। ৰাণা উদয় সিং আৰাৱলী অৰণ্যলৈ পলায়ন কৰিবলৈ বাধ্য হয়। ইয়াৰ পিছত ১৫৬৯ চনত ৰনথাম্বোৰৰ পতন ঘটে। এক দীঘলীয়া যুদ্ধৰ পিছত সুৰজন ৰায় হাৰাই শান্তি বিচাৰে আৰু আগলৈ তেওঁক মোগল সাম্ৰাজ্যৰ সেৱাত নিয়োজিত কৰা হয়।

কালিঞ্জাৰ দুৰ্গৰ দখলৰ ফলত যোধপুৰ আৰু বিকানেৰ এই দুখন ৰাজপুত ৰাজ্য মোগলৰ অধীনলৈ আহে। ইয়াৰ কিছু পিছতেই জয়ছালমেৰৰ ৰাৱাল হৰ ৰায়েও আকবৰৰ বশ্যতা স্বীকাৰ কৰি লয়। এইদৰেই মেৱাৰৰ বাহিৰে, বাকী সকলো মুখ্য ৰাজপুত ৰাজ্য ১৫৭০ খ্ৰীষ্টাব্দলৈ মোগলৰ অধীনলৈ আহে। অসংখ্য বাধা-বিপত্তিৰ সন্মুখীন হোৱাৰ পিছতো মেৱাৰ ৰাজ্যই সাহসেৰে মোগলৰ কৰ্তৃত্বক অস্বীকাৰ কৰি আহিছিল। ৰাজপুতৰ সৈতে যুদ্ধত আকবৰ কোনো ধাৰণৰ ধৰ্মীয় উৎপীড়ন উদ্দেশ্য বা গোড়ামিৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল। তেওঁৰ সাম্ৰাজ্যক একত্ৰীকৰণ আৰু সমগ্ৰ দেশক এক কেন্দ্ৰীয় শাসনৰ অধীনলৈ অনাৰ উদ্দেশ্যৰে তেওঁ হিন্দু আৰু মুছলমান উভয়েৰে বিপক্ষে যুদ্ধ কৰিছিল। আকবৰৰ সময়ত মেৱাৰে মোগলৰ সৈতে সন্ধি স্থাপন কৰা নাছিল।

মহাৰাণা প্ৰতাপে স্বাধীনতাৰ হকে থিয় দিছিল । তাৰ বিপৰীতে আকবৰৰ সাম্ৰাজ্যবাদী সপোন আছিল। মহাৰাণা প্ৰতাপ মোগলসকলৰ সৈতে বৈবাহিক সম্বন্ধৰ দ্বাৰা মৈত্ৰী স্থাপনত আগ্ৰহী নাছিল। মোগল আৰু মহাৰাণাৰ মাজত প্ৰথম যুদ্ধ হালদিঘাটত ১৫৭৬ ত সংঘটিত হৈছিল। আছফ খানৰ সাহাৰ্য্যত ৰজা মান সিঙে মোগল সৈন্যবাহিনীক পৰিচালিত কৰিছিল। মহাৰাণাই প্ৰবল বিক্ৰমেৰে যুদ্ধ কৰিছিল যদিও আঘাতপ্ৰাপ্ত হোৱাত তেওঁ পৰ্বতলৈ পিছহুঁ হকিব লগীয়া হৈছিল। হালদিঘাটৰ যুদ্ধত মোগলৰ জয় হয়।

আকবৰে এক বন্ধুত্বপূৰ্ণ নীতি অনুসৰণ কৰিছিল আৰু কেতিয়াও ৰাজপুত ৰাজ্যসমূহ দখল কৰা নাছিল। তেওঁ ৰাজপুত ৰাজ পৰিয়ালসমূহৰ সৈতে বৈবাহিক মিত্ৰতা স্থাপন কৰিছিল আৰু আভ্যন্তৰীণ বিষয়তসমূহ চোৱা-চিতা কৰিবলৈ ৰজাসকলক স্বতন্ত্ৰীয়া কৰ্তৃত্ব প্ৰদান কৰিছিল। আকবৰৰ এই নীতিয়ে তেওঁক এক অনুকূল স্থিতি প্ৰদান কৰিছিল আৰু লগতে তেওঁক আৰু তেওঁৰ উত্তৰাধিকাৰীসকলক বহুতো বিশ্বাসী সমৰ্থক লাভ কৰাৰ পথ প্ৰশস্থ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ।

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১ ঃ কাক বায়াজিদ পীৰ-এ-তাৰিক (অন্ধকাৰৰ পীৰ) নামেৰে নাম কৰণ কৰা হৈছিল?

.....

প্ৰশ্ন নং ২ ঃ ৰাণী দুৰ্গাৱতী কোন আছিল?

.....

প্ৰশ্ন নং ৩ ঃ আকবৰে কোনটো বৰ্ষত চিট্টোৰৰ বিপক্ষে অভিযান চলাইছিল?

.....

প্ৰশ্ন নং ৪ ঃ মোগল সম্ৰাটৰ সৈতে সন্ধিলৈ নহা ৰাজপুত প্ৰদেশখনৰ নাম লিখক।

.....

১০.৪ আকবৰৰ কূটনৈতিক মিত্ৰজোঁট

আকবৰৰ কূটনৈতিক মিত্ৰজোঁটসমূহৰ মূল লক্ষ্য আছিল ৰাজপুতসকল, যিসকল যুঁজাৰু সম্প্ৰদায় ৰূপে বিখ্যাত আছিল। আকবৰৰ ৰাজপুত নীতি আছিল মোগল সাম্ৰাজ্যৰ ভেটি শক্তিশালী কৰাৰ বাবে এক কৌশলগত উপাদান। লগতে আনুগত্যৰ বাবে জনাজাত ৰাজপুতসকলৰ সামৰিক শক্তিৰ বিষয়েও তেওঁ অজ্ঞাত নাছিল। তেওঁ ৰাজপুত সকলৰ সৈতে বৈবাহিক মিত্ৰতাত আবদ্ধ হৈছিল। এই বিষয়ত তেওঁ সজাগ আছিল যে মোগল সাম্ৰাজ্যৰ অধিক সংখ্যক জনসংখ্যা অ-মুছলমান আছিল আৰু সেই সকলক বিশ্বাসত লোৱাটো অতিশয় প্ৰয়োজনীয় আছিল। আকবৰে তেওঁলোকৰ বন্ধুত্ব আৰু সহযোগিতা বিচাৰিছিল আৰু তেওঁলোকৰ সৈতে বৈবাহিক মিত্ৰতাৰ নীতিৰ পোষকতা কৰিছিল। যদিও এই কথা অনস্বীকাৰ্য যে তেওঁ ৰাজপুতসকলৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিছিল, পিছে বৈবাহিক সম্বন্ধ, মাটি-বৃত্তি প্ৰদান আৰু সামৰিক বিভাগত উচ্চ পদ প্ৰদানেৰ তেওঁ ৰাজপুতসকলৰ সমৰ্থন আৰু বন্ধুত্ব লাভৰ পোষকতা কৰিছিল।

তেওঁ অম্বৰ, বিকানেৰ, জয়ছালমেৰৰ ৰাজপুত ৰাজকুমাৰীক বিবাহ কৰিছিল । ই সম্ভৱ হৈছিল আকবৰৰ বহল মন আৰু উদাৰ ধৰ্মীয় দৃষ্টিভঙ্গীৰ বাবে। নিয়োগৰ ক্ষেত্ৰতো আকবৰে কোনো ভেদাভেদ ৰখা নাছিল আৰু ৰাজপুতসকলক উচ্চ স্থানত নিয়োজিত কৰা হৈছিল। আইন-ই-আকবৰত ১০০০ পদৰ অধিকাৰী১৩৭ জন মনচবদাৰৰ কথা উল্লেখ আছে। যাৰ ভিতৰত ১৪ জনেই হিন্দু আছিল। ৰাজপুতসকলৰ সেৱাৰ বিনিময়ত তেওঁলোকক মনচব আৰু ৱতন (নিজ ক্ষুদ্ৰ ৰাজ্য ক্ষেত্ৰ) জাগীৰ প্ৰদান কৰা হৈছিল। যদিও তেওঁ প্ৰধান বা প্ৰমুখসকলক উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা উপাধি ৰাও বা ৰাজা উপাধি প্ৰদান কৰিছিল তথাপি এই ক্ষেত্ৰত তেওঁৰ আনুষ্ঠানিক স্বীকৃতিৰ প্ৰয়োজন আছিল।



জানি থোৱা ভাল

ৰাজপুত ৰাজকোঁৱৰসকলক তেওঁলোকৰ নিজা ৰাজ্য বা বংশানুক্ৰমিকভাৱে লাভ কৰা ভূ-সম্পত্তি জাগীৰৰূপে প্ৰদান কৰা হৈছিল আৰু সেয়েহে ইয়াক ৰতন জাগীৰ ৰূপে অভিহিত কৰা হৈছিল। আকবৰে প্ৰথম বাৰৰ বাবে ৰতন জাগীৰ প্ৰথাৰ প্ৰৱৰ্তন কৰিছিল।

সাধাৰণ আৰু ৰতন জাগীৰৰ মাজৰ পাৰ্থক্য প্ৰথম বাৰৰ বাবে দৃষ্টিগোচৰ হয় প্ৰায় ১৬০৪ চনত বিকানেৰৰ ৰাজা ৰায় সিংহক প্ৰদান কৰা এখন ফৰমানত। ৰতন জাগীৰসমূহ অ-হস্তান্তৰিত আছিল আৰু স্থায়ী ৰূপত প্ৰদান কৰা হৈছিল। কোনো এজন উচ্চ সম্ভ্ৰান্ত শ্ৰেণীৰ লোকৰ বাবে ৰতন জাগীৰ সৃষ্টি কৰাতো সম্পূৰ্ণৰূপে সম্ৰাটৰ নিজ বিবেচনাৰ অধীন আছিল আৰু এই লোকসকলে সেই স্থানৰ সৈতে এক দীৰ্ঘদিনীয়া সম্পৰ্ক ৰাখিব বুলি আশা কৰা হৈছিল।

ৰজাসকলক তেওঁলোকৰ ৰাজ্যসমূহৰ শাসনৰ ক্ষেত্ৰত স্বায়ত্ত-ক্ষমতা দিয়া হৈছিল। কিন্তু কোনো প্ৰমুখ বা প্ৰধানৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰীৰ ক্ষেত্ৰত সম্ৰাটৰ হস্তক্ষেপ কৰাৰ অধিকাৰ আছিল। ১৫৭৬ চনত বুন্দিৰ ৰাও সুৰজন হাদাৰ জ্যেষ্ঠ পুত্ৰ ডুডাক আকবৰে ৰাণা প্ৰতাপৰ সৈতে সহযোগিতাৰ অভিযোগত অপসাৰিত কৰে আৰু তেওঁৰ কনিষ্ঠ ভাতৃ ভোজ হাদালৈ প্ৰমুখৰপদ হস্তান্তৰিত কৰে। আকৌ ১৫৯২ চনত, আকবৰে তেওঁৰ সন্মতি নোহোৱাৰ ভিত্তিত বাঘেলাৰ মৃত্যুৰ পাছত বিক্ৰমজিতক ভট্টৰ প্ৰমুখৰূপে নাকচ কৰে আৰু দুৰ্যোধনক ভট্টৰ প্ৰমুখৰূপে স্থাপিত কৰে।

ৰাজা টোডৰ মলৰ এজন ৰাজহ ব্যৱস্থাপকৰ পদলৈ উন্নীত হয় । আনহাতে ৰাজা বিৰবল ৰাজ-বিদুষক হৈছিল। ৰজা মান সিংহক সামৰিক বাহিনীৰ সেনাপতিৰূপে নিয়োগ কৰা হৈছিল। ৰজা ভগৱান দাসকো মোগল ৰাজ্যৰ সেৱাত নিয়োজিত কৰা হৈছিল আৰু পিছলৈ তেওঁৰ জীয়ৰীৰ সৈতে আকবৰৰ পুত্ৰ যুৱৰাজ চেলিমৰ বিবাহ সম্পন্ন হৈছিল।

জিজিয়া আছিল হিন্দুসকলে দিবলগীয়া বাৰ্ষিক কৰ।

১৫৭৯ চনত জিজিয়া আৰু তীৰ্থযাত্ৰা কৰৰ বিলোপকৰণ ৰাজপুতসকলক তেওঁৰ পক্ষলৈ নিয়াৰ বাবে অৱলম্বন কৰা ৰাজপুত নীতিৰ এক অংশ আছিল। সাম্ৰাজ্যখন সুচাৰু ৰূপে চলোৱাৰ বাবে তেওঁ ৰাজপুতসকলৰ পৰা সকাৰাত্মক সহযোগিতা বিচাৰিছিল আৰু তেওঁৰ এই দূৰদৃষ্টিয়ে উল্লেখযোগ্য ফলাফল প্ৰদান কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ।

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৫ ঃ আকবৰৰ অধীনত এজন হিন্দু হোৱা সত্ত্বেও ৰজা মান সিংহ কি পদলৈ উন্নিত হৈছিল?

প্ৰশ্ন নং ৬ ঃ সাধাৰণ আৰু ৰতন জাগীৰৰ মাজৰ পাৰ্থক্য এখন ফৰমানত প্ৰথমবাৰৰ বাবে আঙুলিয়াই দিয়া হৈছিল। কোন বৰ্ষত এই ফৰমান জাৰী কৰা হৈছিল?

প্ৰশ্ন নং ৭ ঃ আকবৰে কিদৰে হিন্দু যুৱৰাজ, ৰজাসকলৰ অধীনস্থ ৰতন জাগীৰৰ ওপৰত নিজৰ কৰ্তৃত্ব সাব্যস্ত কৰিছিল?

প্ৰশ্ন নং ৮ ঃ কোন চনত জিজিয়া কৰ বাতিল কৰা হৈছিল?

১০.৫. আকবৰৰ ধৰ্মীয় নীতি

আকবৰৰ ধৰ্মত বিশ্বাস আছিল যদিও তেওঁ এজন গোড়া বা ৰক্ষণশীল মুছলমান নাছিল। ফাইজি আৰু আবুল ফজলৰ সৈতে তেওঁৰ সাহচৰ্যই ধৰ্মীয় দিশত তেওঁৰ দৃষ্টিভংগী চহকী কৰাত অৱদান আগবঢ়াইছিল। যি সময়ত তেওঁৰ চৌপাশে অসহিষ্ণুতাই বিৰাজ কৰিছিল, সেই সময়তো তেওঁক ঘেৰি থকা গোড়া ধৰ্মীয় লোকসকলৰ সংকীৰ্ণ দৃষ্টিভংগীয়ে তেওঁক প্ৰভাৱিত কৰিব নোৱাৰাতোৱেই তেওঁৰ মহানুভৰী দৃষ্টিভংগীৰ কথা সূচায়।

তেওঁৰ সময়তে, ১৫৭৫ চনত, বিভিন্ন ধৰ্মীয় মতবাদসমূহ আলোচনা কৰাৰ উদ্দেশ্য বিশেষভাৱে ইবাদত খানা বা উপাসনাগৃহ নিৰ্মাণ কৰা হৈছিল। বিভিন্ন ধৰ্মৰ প্ৰবক্তাসকলক ধৰ্মবিষয়ক আৰু আত্মা সম্বন্ধীয় বিষয়সমূহত গভীৰভাৱে আলোচনা কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল আৰু আকবৰে এনে ধৰণৰ আলোচনাৰ প্ৰতি গভীৰ আগ্ৰহ দেখুৱাইছিল। পুৰুষোত্তম আৰু দেৱী আছিল ব্ৰাহ্মণ্যবাদৰ প্ৰবক্তা, বিজয়সেন সূৰী, জিনাচন্দ্ৰ জৈন পন্থাৰ অনুগামী আছিল। দস্তুৰ মেহেৰজী ৰাণা জৰষ্ট্ৰিয়ান বিশ্বাসৰ অনুগামী। এনে প্ৰচাৰকসকলৰ জ্ঞানৰ প্ৰতি আকবৰৰ গভীৰ শ্ৰদ্ধা আছিল আৰু বৌদ্ধিক আলোচনাৰ প্ৰতি ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু ধৰ্মীয় পন্থাৰ গুৰুসকলৰ বিশেষকৈ ধৰ্মৰ ক্ষেত্ৰত মুক্ত চিন্তাৰ সমৰ্থনকাৰী আৰু ধৰ্মীৰ ক্ষেত্ৰত গোড়া মনোভাব পোষণ কৰা সকলোৰ মাজত বিৰোধ প্ৰকট হৈছিল।

আকবৰে 'খুত্‌বা' পঢ়াটোৱে স্পষ্ট ইংগিত দিছিল যে তেওঁ ৰাজনৈতিক ক্ষেত্ৰৰ লগতে আধ্যাত্মিক জগততো নিজৰ কৃতৃৰ্ত্ব কৰিব বিচাৰিছিল। ১৫৭৯ চনত, শ্বেইখ মুবাৰকে প্ৰস্তুত কৰা এক নথিৰ দ্বাৰা আকবৰ মুছলমান আইনৰ সৰ্বোচ্চ ব্যাখ্যা কাৰক (ইমাম-ই-আদিল) হৈ উঠে। ড° স্মিথে এই নথিক "অভ্ৰান্ত আজ্ঞা" (Infallibility Decree) নামেৰে নামকৰণ কৰিছিল। এই আজ্ঞাৰ দ্বাৰা আকবৰে ধৰ্মীয় গুৰুসকলৰ কৱলৰ পৰা নিজকে মুক্ত কৰিবলৈ চেষ্টা চলাইছিল।

ৰাজসভাৰ ধৰ্মীয় গুৰুসকলৰ দ্বাৰা এজন প্ৰকৃত মুছলমানৰূপে স্বীকৃত লভিবলৈ আকবৰ ব্যগ্ৰ আছিল। পিছে তেওঁৰ সেই আন্তৰিক প্ৰচেষ্টা কঠোৰভাৱে সমালোচিত হৈছিল। ৰক্ষণশীল মুছমানসকল আকবৰৰ বাঢ়ি অহা সহনশীলতাৰ নীতি আৰু হিন্দুসকলৰ প্ৰতি তেওঁ দেখুওৱা অনুগ্ৰহৰ নীতিয়ে সেই চাম মুছলমান ব্যক্তিক অসুখী কৰিছিল।

মুছলমানসকলৰ মাজত দেখা দিয়া বিদ্বেষৰ স্বত্ত্বেও আকবৰে তেওঁৰ ধৰ্মীয় প্ৰচাৰ অব্যাহত ৰাখিছিল আৰু তেওঁৰ পৰৱৰ্তী পদক্ষেপ আছিল দিন-ই-ইলাহী বা তৌহিদ-ই-ইলাহীৰ প্ৰৱৰ্তন। আকবৰৰ লক্ষ্য আছিল প্ৰত্যেক ধৰ্মৰ ভাল আৰু সত্যখিনিৰ আধাৰত জনসাধাৰণৰ বাবে এক উমৈহতীয়া ধৰ্মীয় আদৰ্শ প্ৰতিষ্ঠা কৰা। আবুল ফজলে আইন-ই- আকবৰীত, দিন-ই-ইলাহী পন্থাৰ সৈতে জড়িত নিৰ্দিষ্ট সংখ্যক আনুষ্ঠানিকতা বিশেষভাৱে উল্লেখ আছে।

এই নতুন পন্থাৰ অনুগামীসকলে সম্ৰাটৰ প্ৰতি তেওঁলোকৰ সম্পত্তি, সন্মান আৰু ধৰ্ম উৎসৰ্গা কৰিবলৈ সষ্টম হৈ থকাৰ ওপৰত ভিত্তি কৰি শ্ৰেণী বিভাজন কৰা হৈছিল। দুৰ্ভাগ্যজনক ভাৱে এই নতুন মতবাদটোৱে কম সংখ্যক লোককহে আকৃষ্ট কৰিছিল আৰু আকবৰৰ মৃত্যুৰ পিছত দিন-ই-ইলাহী বিস্মৃতিৰ গৰ্ভত লীন গৈছিল। বীৰবল আছিল এই নতুন পন্থা গ্ৰহণ কৰা একমাত্ৰ হিন্দু। দিন-ই-ইলাহী সম্পৰ্কে পণ্ডিতসকলৰ বিভিন্ন মত আছিল। কিছু সংখ্যকে যদি ইয়াক আকবৰৰ মূৰ্খামি বুলি উপহাস কৰিছিল, অন্য কিছু সংখ্যকে ইয়াক ইয়াৰ যুক্তিসংগত ভিত্তিৰ বাবে প্ৰশংসা কৰিছিল। কিছুমানে দিন-ই-ইলাহীক ধৰ্মৰ নাম দিয়া কথাটো গ্ৰহণ কৰা নাছিল। তেওঁলোকৰ মত আছিল যে দিন-ই-ইলাহীত কোনো পুৰোহিত, ধৰ্ম গ্ৰন্থ, ঔপচাৰিকতা আৰু বিশ্বাস পদ্ধতি নাছিল। অৱশ্যে, এছ. আৰ শৰ্মাৰ মতে এক নতুন বিশ্বাসৰ পন্থা ৰূপে দিন-ই-ইলাহী, জাতীয় আদৰ্শত আকবৰ দ্বাৰা এক প্ৰশংসনীয় সংপৰীক্ষণ আছিল। যদিও আকবৰৰ মৃত্যুৰ পাছত দিন-ই-ইলাহী অন্তৰ্হিত হৈছিল, তথাপিও এই কথা অস্বীকাৰ কৰিব পৰা নাযায় যে এই নতুন মতবাদত কিছু অকৃত্ৰিম আৰু যুক্তিসংগত লক্ষ্য আছিল।

শিখসকলৰ সৈতে তেওঁৰ সম্পৰ্ক যে সৌহাৰ্দ্যপূৰ্ণ আছিল এই কথাৰ প্ৰমাণ পোৱা যায় চতুৰ্থ শিখ গুৰু, গুৰু ৰাম দাসক তেওঁ বৃহৎ ভূ-খণ্ড দান দিয়াৰ পৰা। ৰাজপুতসকলৰ প্ৰতি মোগলৰ নীতিয়ে আকবৰ আৰুতেওঁৰ উত্তৰাধিকাৰীসকলৰ অধীনত মোগল সাম্ৰাজ্যৰ বিস্তাৰ আৰু ঐক্যবদ্ধ হোৱাত অৰিহণা যোগাইছিল। আকবৰে ৰাজপুত আৰু অন্য অ-মুছলমান প্ৰজাসকলৰ প্ৰতি এক সদ্ভাৱপূৰ্ণ নীতি গ্ৰহণ কৰিছিল। 'জিজিয়া অৱসান, তীৰ্থযাত্ৰাৰ কৰৰ হ্ৰাস, ইত্যাদিয়ে জনসাধাৰণৰ মানসত আকবৰক এজন উদাৰ শাসক ৰূপে বিশ্বাস দৃঢ় কৰিছিল। কিন্তু এক সদ্ভাৱপূৰ্ণ নীতি গ্ৰহণ কৰাৰ বাবেই, আকবৰে সমগ্ৰ হিন্দুস্তানকে তেওঁৰ অধীনলৈ অনাৰ সাম্ৰাজ্যবাদী আঁচনিৰ পৰা আঁতৰি অহা নাছিল। উল্লেখ কৰাৰ দৰেই, অম্বৰ (জয়পুৰ) আৰু বিকানেৰৰ শাসকৰ দৰে কিছু সংখ্যক ৰাজপুত প্ৰমুখে স্বেচ্ছাই বশ্যতা স্বীকাৰ কৰিছিল। সম্ৰাটে তেওঁলোকৰ প্ৰতি সন্মানজনক ব্যৱহাৰ প্ৰদৰ্শন কৰিছিল।

আকবৰে নিজকে দার্শনিক ধাৰণা চুল-ই-কুল (সম্পূর্ণ শান্তি) সৈতেও জড়িত কৰিছিল। এই দর্শনত ঐশ্বৰিক সত্যৰ পথৰ দিশে পথ প্রদর্শন কৰোৱাত ধার্মিক গুৰুৰ ভুমিকা অপৰিসীম। তেওঁৰ চুল্-ই-কুলৰ ধাৰণাত প্রার্থনা আৰু উপাসনাৰ কোনো স্থান নাছিল।

তেওঁৰ ধর্মীয় নীতিৰ মূল উদ্দেশ্য আছিল প্রত্যেক ধর্মক্ষেত্রৰ পৰা মানুহক আনি একেলগ কৰা আৰু সম্রাট আৰু লগতে ইজন সিজনৰ প্রতি এক আনুগত্যৰ ভাবৰ সৃষ্টি কৰাটো।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ৯ ঃ জিজিয়া কি আছিল?

প্রশ্ন নং ১০ ঃ মোগল সম্রাট আকবৰে মাটি দান কৰা শিখ গুৰুজনাৰ নাম আছিল?

প্রশ্ন নং ১১ ঃ আকবৰৰ দ্বাৰা ইবাদত খানা প্রতিষ্ঠা কৰাৰ উদ্দেশ্য কি আছিল?



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়ন কৰি আমি জানিব পাৰিলো যে--

- আকবৰে মোগল সম্রাটৰূপে ওচৰ চুবুৰীয়া ৰাজ্য আৰু প্রদেশসমূহত কৃতৃর্ত্ব স্থাপন কৰাৰ হেতু তেওঁ এক জোৰদাৰ সম্প্রসাৰণৰ নীতি অনুসৰণ কৰিছিল। ইয়াৰ পিছে পিছেই তেওঁ আপোচ আৰু শান্তিৰ নীতিৰ দ্বাৰা অনুগত সমর্থক লাভ কৰিছিল।
- বিবাহৰ দ্বাৰা তেওঁ ৰাজপুতসকলৰ সৈতেও কূটনৈতিক মিত্রতা গঢ়ি তুলিছিল, যিয়ে মোগলসকলক এক অপ্রতিদ্বন্দ্বী শক্তি ৰূপে গঢ় লৈ উঠাত প্রভূত বৰঙণি যোগাইছিল।।
- আকবৰ এজন নৈষ্ঠিক মুছলমান আছিল। কিন্তু একে সময়তে অন্য ধর্মাৱলম্বী লোকৰ প্রতি তেওঁ এক উদাৰ মনোভাৱপোষণ কৰিছিল। শিখ আৰু ৰাজপুতসকলৰ সৈতে তেওঁৰ সম্পর্ক তেওঁৰ বিশাল ব্যক্তিত্বৰ পৰিচয় দিয়ে।



১০.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

- Richards, John F. (1996). *The Mughal Empire,* Cambridge, UK: Cambridge University Press.
- Ali, M. Athar. (2008). *Mughal India: Studies in Polity, Ideas, Society and Culture.* New Delhi, India: Oxford University Press.

- Mukhia, Harbans. (2004). *The Mughals of India,* New Delhi, India: Blackwell Publishing
- Habib, Irfan. (edt) (1992). *Medieval India1: Researches in the History of India 1200-1750*

. New Delhi, India: Oxford University Press.

- Habib, Irfan (edtd) (1997). *Akbar and vis Times.* New Delhi, India: Oxford University Press.
- Ahmed Farooqui, Salma (2011). *A Comprehensive History of Medieval India: From the Twelfth to the Mid-Eighteenth Century.* New Delhi, India: Dorling Kindersly (India) Pvt. Ltd.

Online Sources:

- Bayazid Ansari and his Raushaniya Movement (2016, January 7) Retrieved from https://pakpotpurri.wordpress.com/2012/12/23/bayazid-ansari-his-raushiniya-movement-in-the-af-pak-regions-16th-17th-century/

১০.৮ অগ্ৰগতিৰ খতিয়াণ

১ নং প্ৰশ্ন উত্তৰঃ বায়াজিদ।

২ নং প্ৰশ্ন উত্তৰঃ গোন্দৱানাৰ গভর্ণৰ।

৩ নং প্ৰশ্ন উত্তৰঃ ১৫৬৭

৪ নং প্ৰশ্ন উত্তৰঃ মেৱাৰ

৫ নং প্ৰশ্ন উত্তৰঃ ৰজা মান সিংহক মোগল সামৰিক বাহিনীৰ সেনাপতি পতা হৈছিল।

৬ নং প্ৰশ্ন উত্তৰঃ ১৬০৪

৭ নং প্ৰশ্ন উত্তৰঃ ৰজাৰ মৃত্যুৰ পাছত উত্তৰাধিকাৰীৰ বাবে উদ্ভৱ হোৱা বিষয়ত হস্তক্ষেপ কৰাৰ লগতে বংশানুক্ৰমিক উপাধি প্ৰদান কৰাটো সম্পূৰ্ণৰূপে আকবৰৰ স্বতন্ত্ৰ বিবেচনাধীন আছিল।

৮ নং প্ৰশ্ন উত্তৰঃ ১৫৭৯

৯ নং প্ৰশ্ন উত্তৰ ঃ হিন্দুসকলৰ ওপৰত লগোৱা কৰ

১০ নং প্ৰশ্ন উত্তৰ ঃ গুৰু অর্জুন দেৱ।

১১ নং প্ৰশ্ন উত্তৰ ঃ বিভিন্ন ধর্মৰ প্ৰবক্তাসকলৰ দ্বাৰা প্ৰৱর্তিত ধর্মীয় মতসমূহৰ বিষয়ে আলোচনা কৰাৰ বাবে।



১০.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ চুল-ই-কুল কি?

প্ৰশ্ন নং ২ ঃ 'জিজিয়া'ৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৩ ঃ চান্দ চুলতানা কোন আছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ 'অভ্ৰান্ত আজ্ঞা'ৰ বৈশিষ্ট্যসমূহ কি আছিল?

প্ৰশ্ন নং ২ ঃ সাধাৰণ জাগিৰ আৰু 'ৱতন জাগিৰ'ৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন নং ৩ ঃ ৰাজপুতসকলৰ প্ৰতি আকবৰৰ উদাৰ মনোভাৱৰ আঁৰৰ কাৰণ কি আছিল?

প্ৰশ্ন নং ৪ ঃ হালদিঘাটৰ যুদ্ধ কাৰ কাৰ মাজত সংঘটিত হৈছিল?

প্ৰশ্ন নং ৫ ঃ বায়াজিদ পন্থাৰ ওপৰত এটি চমু টোকা লিখক?

(গ) ৰচনা ধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ৩৫০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ঃ আকবৰৰ সম্প্ৰসাৰণ নীতিৰ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ আকবৰে ৰাজপুতসকলৰ সৈতে কেনেদৰে মোকাবিলা কৰিছিল আৰু তেওঁলোকৰ প্ৰতি তেওঁৰ সহনশীল মনোভাৱৰ কাৰণ দৰ্শাওক।

প্ৰশ্ন নং ৩ ঃ দিন-ই-ইলাহীৰ প্ৰচাৰৰ আঁৰত থকা উদ্দেশ্যৰ বৰ্ণনা কৰক আৰু ইয়াক কেনেকৈ গ্ৰহণ কৰা হৈছিল?

———————

অধ্যায় ১১ঃ আকবৰৰ উত্তৰাধিকাৰীসকলৰ অধীনত মোগল সাম্ৰাজ্য

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ জাহাঙ্গীৰ
১১.৪ স্বাহজাহান
১১.৫ ঔৰঙ্গজেৱ
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্রগতিৰ খতিয়ান
১১.৯ আৰ্হি প্রশ্ন।

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- আকবৰৰ সুযোগ্য উত্তৰাধিকাৰীসকলৰ শাসনকালত শীর্ষস্থান লাভ কৰা মোগল সাম্ৰাজ্যৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব,
- জাহাঙ্গীৰৰ শাসনাধীনত সাম্ৰাজ্যৰ প্রসাৰৰ বিষয়ে বর্ণনা কৰিবলৈ সক্ষম হ'ব, আৰু
- স্বাহজাহান আৰু ঔৰঙ্গজেৱৰ নীতি আৰু সংস্কাৰ সম্পর্কে আলোচনা কৰিবলৈ সক্ষম হ'ব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি সম্ৰাট আকবৰ, তেওঁৰ ৰাষ্ট্রীয় পৰিসীমা বিস্তাৰৰ বীৰত্বব্যঞ্জক ঘটনা আৰু সমাজ আৰু ধর্ম সম্বন্ধীয় বিষয়ত তেওঁৰ সংশোধিত প্রতিব্যৱস্থাৰ বিষয়ে আলোচনা কৰিছিলো। এগৰাকী শাসক আৰু মানুহ হিচাপে সম্ৰাট আকবৰৰ চাৰিত্রিক দিশৰ ওপৰত এই অধ্যায়ত অধিক গুৰুত্ব প্রদান কৰা হৈছে। তেওঁৰ ৰাজত্বকালত মোগলসকলে শক্তিশালী ভেটি স্থাপন কৰিছিল আৰু সেয়া অধিস্থাপনৰ বাবে উত্তৰাধিকাৰীসকললৈ এৰি গৈছিল।

এই অধ্যায়টিত আমি জাহাঙ্গীৰ, স্বাহজাহান আৰু ঔৰঙ্গজেৱৰ কালছোৱাত মোগলৰ উন্নয়ন সম্পর্কীয় বিষয়ৰ নিৰীক্ষণ কৰিম। এই সম্ৰাটত্রয়ৰ সাফল্য আৰু আকবৰ নির্মিত ভেটিলৈ তেওঁলোকৰ উল্লেখনীয় অৱদান সম্পর্কীয় দিশটোৰ ওপৰত আমি গুৰুত্ব প্রদান কৰিম।

১১.৩ জাহাঙ্গীৰ

১৬০৫ খৃষ্টাব্দত জাহাঙ্গীৰ মোগল ৰাজ সিংহাসনত অধিস্থিত হৈছিল। নতুন সম্ৰাটৰ নামেৰে আকৰ্ষণীয় মোহৰৰ প্ৰচলন আৰু কাৰাবন্দীসকলক মুক্তি প্ৰদানেৰে তেওঁ ৰাজসিংহাসনত আৰোহণ কৰিছিল। আপোন পুত্ৰ ৰাজকুমাৰ খুচৰুৰ বিৰুদ্ধে তেওঁ প্ৰথম সামৰিক অভিযান চলাইছিল, যিয়ে তেওঁৰ বিৰুদ্ধে ৰাজদ্ৰোহত লিপ্ত হৈছিল।

খুচৰু আৰু তেওঁৰ সঙ্গী বিদ্ৰোহীসকলে ভয়ঙ্কৰ পৰিণতি লাভ কৰিছিল। খুচৰুৰ ৰাজবিদ্ৰোহত হাত উজান দিয়া গুৰু অৰ্জুনকো জাহাঙ্গীৰে মৃত্যুদণ্ড দিছিল। তেওঁ মেৱাৰৰ বিৰুদ্ধেও এক শক্তিশালী সামৰিক অভিযান চলাইছিল। ১৬১৪ খৃষ্টাব্দত ৰাজকোঁৱৰ খুৰামক ৰাজপুতৰ বিপক্ষে যুদ্ধ কৰিবলৈ পঠোৱা হৈছিল। ফলত ৰাজপুতসকল পিছ হুহুকিছিল। তৎস্বত্বেও জাহাঙ্গীৰে নিজৰ উদাৰতাৰ পৰিচয় দি অমৰ সিংহৰ পুত্ৰ পৰাজিত কৰণ সিংহলৈ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল আৰু ৫০০০ মনচব তেওঁলৈ আগবঢ়াইছিল। মোগল আৰু ৰাজপুতৰ মাজৰ দীৰ্ঘদিনীয়া সংঘৰ্ষৰ অন্ত পেলাই এনেদৰে তেওঁ শান্তি স্থাপন কৰিবলৈ সক্ষম হৈছিল। আকবৰৰ নীতি অব্যাহত ৰাখি জাহাঙ্গীৰে ৰাজপুত ৰজাসকললৈ সহায়ৰ হাত আগবঢ়াইছিল আৰু তেওঁলোকৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিছিল।

১৬১০ খ্ৰীষ্টাব্দত কাংৰা দুৰ্গ জয় কৰাটো জাহাঙ্গীৰৰ পৰৱৰ্তী সামৰিক অভিযান আছিল, যিটো তেওঁৰ বাবে বিপদজনক হিচাপে প্ৰমাণিত হৈছিল। পূৰ্বতে উল্লেখ কৰা হৈছে যে আকবৰেই প্ৰথম গৰাকী মোগল সম্ৰাট আছিল যিয়ে দাক্ষিণাত্যৰ ৰাজ্যলৈকে নিজৰ আধিপত্য বিস্তাৰ কৰিছিল। জাহাঙ্গীৰেও দেউতাকৰ সাম্ৰাজ্য বিস্তাৰৰ নীতিৰে নৰ্মদা নদীৰ সিপাৰলৈ আধিপত্য স্থাপন কৰিছিল। প্ৰথম লক্ষ্যটো আছিল চুলতানৰ দ্বাৰা অৰ্ধজয় কৰা আহমেদনগৰ। মালিক অম্বৰৰ নেতৃত্বত আহমেদনগৰে মোগল শক্তিক প্ৰত্যাহ্বান জনাবলৈ আৰম্ভ কৰিছিল। বিজাপুৰৰ সামৰ্থন লাভ কৰিবলৈ তেওঁ সফল হৈছিল। ১৬০৮ খৃষ্টাব্দৰ পৰা আহমেদনগৰৰ বিৰুদ্ধে জাহাঙ্গীৰে কেবাটাও সামৰিক অভিযান চলাইছিল। তেওঁ কিন্তু কোনো উল্লেখযোগ্য সফলতা লাভ কৰা নাছিল। অসংখ্য অৰ্থ ব্যয় আৰু হাজাৰ হাজাৰ সৈন্য নিধন হোৱাৰ পিছতো মোগলৰ পৰিসীমা আকবৰে আগবঢ়াই যোৱা পৰিসীমাতকৈ এক মাইলো অতিৰিক্ত লাভ কৰিবলৈ সক্ষম নহ'ল। একেদৰে মোগলৰ আভ্যন্তৰীণ কন্দলৰ বাবে কান্দাহাৰো হেৰুৱাবলগীয়া হৈছিল। পাৰ্চীৰ শাসক শ্বাহ আব্বাচৰ দ্বাৰা প্ৰৰোচিত খোৰাচানৰ বিৰুদ্ধে ৰাজকোঁৱৰ খুৰামক পঠিওৱা হৈছিল। কান্দাহাৰক ধৰাশায়ী কৰিছিল যদিও জয় কৰিব পৰা নাছিল। জাহাঙ্গীৰে আপোন পুত্ৰ ৰাজকুমাৰ খুৰামৰ ৰাজদ্ৰোহৰো মুখামুখি হ'বলগীয়া হৈছিল, যাক নুৰ জাহানে দুৰ্ব্যৱহাৰ কৰিছিল। ১৬২৭ খ্ৰীষ্টাব্দত জাহাঙ্গীৰে মৃত্যুবৰণ কৰিছিল।


জাহাঙ্গীৰৰ ৰাজত্বকালতে মোগলৰ লগত অসমৰ সম্পৰ্ক আৰম্ভ হৈছিল। ১৬১৩ খ্ৰীষ্টাব্দত অসমৰ পশ্চিমাঞ্চল কোচ ৰজা পৰীক্ষিত নাৰায়ণৰ পৰা বঙ্গৰ মোগল চুবেদাৰ ইছলাম খানে হস্তক্ষেপ কৰি কামৰূপ কোচ হাজো অন্তৰ্ভুক্ত কৰায়। কামৰূপৰ এই অন্তৰ্ভুক্তিয়ে মোগল আৰু অসমৰ পূৰ্বাঞ্চলত আধিপত্য কৰি থকা আহোমৰ মাজত কেবাখনো যুদ্ধৰ সূচনা কৰে। তেতিয়াৰে পৰা ১৬৫৮ চনলৈ শ্বাহজাহানৰ পুত্ৰসকলৰ মাজত উত্তৰাধিকাৰী স্বত্বক লৈ যুদ্ধ

হোৱালৈকে মোগলসকলে কামৰূপত নিজৰ শাসন অব্যাহত ৰাখিছিল।

জাহাঙ্গীৰ এগৰাকী উদাৰমনৰ মুছলমান ৰজা আছিল। হিন্দুৰ প্ৰাৰ্থনাগৃহসমূহ ধ্বংস কৰাৰ কোনো নীতি তেওঁ কেতিয়াও গ্ৰহণ কৰা নাছিল। তেওঁ জিজিয়া কৰ পুনৰ আৰোপ কৰা নাছিল। লগতে বলপূৰ্বক ইছলামলৈ ধৰ্মান্তৰকৰণতো বিশ্বাস কৰা নাছিল।

জাহাঙ্গীৰৰ নামত এই অপবাদ আছে যে তেওঁ হেনো শিখ আৰু জৈনধৰ্মীসকলৰ প্ৰতি কঠোৰ পদক্ষেপ লৈছিল। কিন্তু তেওঁৰ সপক্ষত সাধাৰণতে কোৱা হয় যে জাহাঙ্গীৰৰ ক্ৰুদ্ধতাৰ বলি কোনো ধৰ্মীয় গোষ্ঠী হোৱা নাছিল বৰঞ্চ কেইগৰাকীমান বিশেষ ব্যক্তিহে হৈছিল। তেওঁলোক আছিল- গুৰু অৰ্জুন সিংহ, মান সিংহ ছুৰী, আৰু শেখ আহমেদ শ্বিৰহিন্দী। জাহাঙ্গীৰে হিন্দুৰ ধৰ্মীয় নেতা যদ্ৰুপ গোসাঁইৰ আশ্ৰমলৈ গৈছিল আৰু তেওঁৰ লগত হিন্দু দৰ্শন সম্বন্ধে আলোচনা কৰিছিল। তেওঁৰ মন:পুত নোহোৱা কিছুমান মতামত ব্যক্ত কৰা বাবে তেওঁ চুন্নী ধৰ্মৰ নেতা কেইগৰাকীমানক কাৰাৰুদ্ধ কৰিছিল।

জাহাঙ্গীৰ বিদ্যানুৰাগী ব্যক্তি আছিল, সেয়ে তেওঁ শাস্ত্ৰজ্ঞ আৰু বিদ্বান ব্যক্তিসকললৈ পৃষ্ঠপোষকতা আগবঢ়াইছিল। বিষয়বস্তু, কৌশল আৰু গুণগত দিশৰ পৰা তেওঁৰ আত্মজীৱনীখন বাবৰৰ পিছতে দ্বিতীয় স্থানত আছে। তেওঁৰ ৰাজসভা শুৱনি কৰা বিদ্বানমণ্ডলীৰ মাজত 'ইকবাল নামাহ-ই-জাহাঙ্গীৰী' এ এক সম্যক তালিকা দিছে। সেই বিদ্বানমণ্ডলীত আছিল - ঘিয়াচ বেগ, নকীব খান, মোটামিদ খান, নিয়ামতুল্লাহ আৰু আব্দুল হক দিহলাৱী। জাহাঙ্গীৰৰ ৰাজত্বকালত কিছু ঐতিহাসিক গ্ৰন্থও ৰচিত হৈছিল। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — 'মাচীল-ই-জাহাঙ্গী', 'ইকবাল নামাহ-ই-জাহাঙ্গীৰী' আৰু 'জুব্দ-উট-তালবাৰিখ'। তেওঁৰ ৰাজত্বকালতে উইলিয়াম হকিন্স আৰু ছাৰ থমাছ ৰো ৰাজপ্ৰাসাদলৈ আহিছিল আৰু তেওঁৰ ৰাজত্ব বিষয়ক বিভিন্ন বা-বাতৰি এৰি থৈ গৈছিল।



জানি থোৱা ভাল—

জাহাঙ্গীৰ চিত্ৰশিল্পৰ এগৰাকী পৃষ্ঠপোষক আছিল। শ্ৰেষ্ঠ চিত্ৰৰ বাবে তেওঁ মুক্তহস্তে দান কৰিছিল। আব্দুল হাচান আৰু ওস্তাদ মনচুৰ তেওঁৰ ৰাজত্বকালৰ দুগৰাকী বিখ্যাত চিত্ৰশিল্পী আছিল। বাস্তৱতাৰ প্ৰতিফলন তেওঁৰ যুগৰ চিত্ৰশিল্পৰ বিশেষ বৈশিষ্ট্য আছিল।

জাহাঙ্গীৰৰ সময়ছোৱাত (১৬০৫-১৬২৭) গ্ৰন্থ ভাষ্যৰ ওপৰত কম গুৰুত্ব প্ৰদান কৰা হৈছিল। তাৰ পৰিৱৰ্তে জাহাঙ্গীৰে পূজা-উপাসনাৰ দৃশ্য, আলেখ্য বা চিত্ৰপট আৰু জীৱ-জন্তুৰ অধ্যয়নত গুৰুত্ব দিছিল, যিবোৰ এলবামত সঞ্চিত কৰি ৰখা হৈছিল। সেইবোৰৰ অধিক সংখ্যকতে আটক ধুনীয়াকৈ সুসজ্জিত কৰি টোকা লিখা হৈছিল। শৈলীটোৱে উন্নত ললিত কলাৰ স্বাক্ষৰ বহন কৰিছে। ৰচনাশৈলী অভিনৱ আছিল, ৰঙৰ প্ৰয়োগ সংযত আৰু ধাৰা অতি কম নবীন আছিল। জাহাঙ্গীৰৰ সময়ৰ শিল্পীসকলে মানৱীয় প্ৰকৃতিৰ সূক্ষ্ম মননশীলতা প্ৰদৰ্শন কৰিছিল আৰু আলেখ্যসমূহৰ অংকনৰ সূক্ষ্ম কলাত্মক শৈলী মনোস্বাহী হৈছিল। সেই সময়ছোৱাৰ বিখ্যাত চিত্ৰশিল্পীসমূহ আছিল — আবু-আল-হাচান, যাক Wonder of the age (সময়ৰ বা কালৰ বিস্ময়) বোলা হৈছিল, আলেখ্য অংকনৰ কৌশলৰ বাবে সুখ্যাত বিছৱীদাস আৰু জীৱ-জন্তুৰ

অধ্যয়নত শ্রেষ্ঠ ওস্তাদ মনচুৰ।



অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ ৰাজকোঁৱৰ খুচৰুক সহায় কৰাৰ বাবে মৃত্যুদণ্ড লাভ কৰা শিখ গুৰুজনৰ নাম কি?

.....

প্রশ্ন নং ২ ঃ শ্বাহ-আব্বাচ কোন আছিল?

.....

প্রশ্ন নং ৩ ঃ জাহাঙ্গীৰৰ ৰাজদৰবাৰ পৰিদর্শন কৰা বিদেশী পৰিভ্রমণকাৰী এজনৰ নাম কি?

.....

১১.৪ স্বাহজাহান

ৰাজকোঁৱৰ খুৰামে ১৬২৭ খ্রীষ্টাব্দত চাহজাহান নামেৰে মোগল ৰাজপটত আৰোহণ কৰে। তেওঁৰ বিৰোধী পক্ষৰ, যাৰ অধিকাংশই তেওঁৰ সম্পর্কীয় আছিল, সকলোৰে মৃত্যুৰ বাবে তেওঁ দায়ী আছিল বুলি কোৱা হয়।

স্বাহজাহানে বীৰ সিংহ বুণ্ডেলৰ পুত্র জুঝৰ সিংহৰ নেতৃত্বৰ বুণ্ডেলা ৰাজপুতৰ মুখামুখি হ'বলগীয়া হৈছিল। অদম্য সংঘর্ষৰ পিছত বুণ্ডেলাসকলে নিজেই পৰাজয় স্বীকাৰ কৰিছিল আৰু জুঝৰে স্বাহজাহানক ক্ষতিপূৰণ দিবলৈ ৰাজী হৈছিল। তেওঁৰ পৰৱর্তী অভিযান খান জাহান লোডীৰ বিৰুদ্ধে আছিল, যিয়ে আহমেদ নগৰৰ সৈতে মৈত্রীসন্ধি স্থাপন কৰিছিল আৰু মোগলৰ বিৰুদ্ধে ৰাজদ্রোহ কৰিছিল। মোগল জেনেৰেল আজিম খানে তেওঁলোকক ঘূৰাই পঠিয়াবলৈ সক্ষম হৈছিল। খান জাহান লোডীয়ে ঠায়ে ঠায়ে পলাই ফুৰিবলগীয়া হৈছিল বশ্যতা স্বীকাৰ আৰু তেওঁৰ মিত্র শক্তিবোৰে স্বাহজাহানৰ বশ্যতা স্বীকাৰ কৰিছিল। চোৰাংচোৰাসকলে সেই বাতৰি লগে লগেই প্রেৰণ কৰিছিল। স্বাহজাহানে পর্তুগীজৰ বিৰুদ্ধেও সৈন্য পঠিয়াইছিল আৰু হুগলীক অধিকাৰ কৰিবলৈ হুকুম দিছিল, পৰৱর্তী সময়ত পর্তুগীজসকলক আত্মসমর্পন কৰিবলৈ বাধ্য কৰোৱা হৈছিল।

দাক্ষিণাত্যৰ বিৰুদ্ধে কৰা তেওঁৰ অভিযানত নিজাম শ্বাহীৰ ৰাজবংশক ধ্বংস কৰিবলৈ স্বাহজাহান সক্ষম হৈছিল। স্বাহজাহানৰ সার্বভৌমত্বৰ নীতি উলংঘন কৰা বাবে তেওঁ বিজাপুৰৰ চুলতানৰ সৈতে সংঘর্ষত লিপ্ত হৈছিল। খান দৌৰানৰ নেতৃত্বত মোগল সৈন্যক চুলতানৰ বিৰুদ্ধে পঠিওৱা হৈছিল। শান্তি প্রতিষ্ঠা কৰিবলৈ চুলতানক বাধ্য কৰোৱা হৈছিল। স্বাহজাহানৰ ৰাজত্বকালত দাক্ষিণাত্য, মধ্য এচিয়াৰ বল্‌খ, কান্দাহাৰ আদি বিস্তীর্ণ অঞ্চললৈ ৰাজপুত সেনায়ে বিশেষভাৱে সেৱা আগবঢ়াইছিল। যদিও স্বাহজাহান নিজেই এগৰাকী ৰাথোৰ ৰাজকুঁৱৰীৰ পুত্র আছিল, তথাপি

কোনো ৰাজপুত ৰজাক প্ৰাদেশৰ বিষয়াৰ নিযুক্তি দিয়া হোৱা নাছিল বা ৰাজপুত ৰজাসকলৰ সৈতে কোনো ধৰণৰ বৈবাহিক সম্পৰ্ক স্থাপন কৰা হোৱা নাছিল।

১৬২৭ খ্ৰীষ্টাব্দত স্বাহজাহান ৰাজপাটতআৰোহণ কৰাৰ আগতে ৰাজনৈতিক সহিষ্ণুতা আৰু উদাৰনীতিত বৃহৎ পৰিৱৰ্তনৰ সূচনা হৈছিল। ৰাজ্যিক বিষয়বোৰত ইছলামীয় ধাৰণাই নিয়ন্ত্ৰণ কৰিছিল আৰু এই পৰিৱৰ্তন সম্ৰাটক অভিবাদন জনোৱা প্ৰথাৰ পৰা প্ৰত্যক্ষ কৰা হৈছিল। আকবৰে তেওঁৰ ৰাজসভাত অষ্টাঙ্গ প্ৰণামৰ ৰীতি বা চিজদা প্ৰৱৰ্তন কৰিছিল, কিন্তু স্বাহজাহানে এই নীতি বাতিল কৰিছিল, কিয়নো এই সশ্ৰদ্ধ আচৰণ কেৱল পৰমেশ্বৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য বুলি তেওঁ গণ্য কৰিছিল। স্বাহজাহানে তাৰ সলনি চাহাৰ তচলিমৰ প্ৰচলন কৰিছিল। তাৰোপৰি 'অমৰ চালিহ'ৰ লেখকে ব্যক্ত কৰিছে যে সম্ৰাটৰ আদেশ অনুসৰি বেনাৰস অঞ্চলৰ ছয়সত্তৰটা মন্দিৰ ধ্বংস কৰিছিল। তথাপিও স্বাহজাহানে ৰাজপাটত উঠাৰ আগতে যিটো পুৰণি মূৰ্তি সজাইছিল, সেইটোক অব্যৱহৃতভাৱে ৰখা হৈছিল।

উল্লেখযোগ্য যে আকবৰৰ দ্বাৰা নিৰ্মিত আৰু জাহাঙ্গীৰৰ দ্বাৰা পালিত নীতি কিছুমানৰ দিশত যদিও স্বাহজাহানে বিৱৰ্তন আনিছিল তথাপি স্বাহজাহানে অনা-মুছলমানসকলৰ ওপৰত জিজিয়া কৰ আৰোপ কৰা নাছিল। পূৰ্বপদাধিকাৰী হিন্দু মনচবদাৰৰ সংখ্যাও হ্ৰাস পোৱা নাছিল।

সম্ৰাট স্বাহজাহানৰ ৰাজত্ব কালত (১৬২৮-১৬৫৮) মোগল স্থাপত্য কলাই শীৰ্ষবিন্দু লাভ কৰিছিল, অতি সুন্দৰ তাজমহল তাৰ উজ্জ্বল নিদৰ্শন আছিল। এই সময়ছোৱাতে পাৰ্চী বৈশিষ্ট্যসমূয়ে ভাৰতবৰ্ষত আত্মপ্ৰকাশ কৰিছিল, যিবোৰ আগতে হুমায়ুনৰ সমাধিস্থানত দেখা পোৱা গৈছিল। দুটা গম্বুজৰ ব্যৱহাৰ, এখন আয়তাকাৰ বেৰৰ ভিতৰত এখন কৌণিক তোৰণপথ, উদ্যান সদৃশ চৌপাশ — এই সকলোবোৰ চাহজাহানৰ সময়ছোৱাৰ ভাস্কৰ্যৰ বিশেষ বৈশিষ্ট্য আছিল।

এই ধৰণৰ স্থাপত্য কলাত, কোনো এক অট্টালিকাৰ বিভিন্ন অংশসমূহৰ মাজত সামঞ্জস্যতা আৰু সুষমতা ৰক্ষা কৰাত গুৰুত্ব দিয়া হৈছিল। স্বাহজাহানৰ দিনৰ যি সূক্ষ্মাতিসূক্ষ্ম কৰ্ম আছিল, তাক চেৰ পেলাব পৰা বিধৰ নাছিল। নিৰ্মাণৰ বাবে বগা মাৰ্বল সেইসময়ৰ জনপ্ৰিয় উপকৰণ আছিল। তাজমহলৰ পিছত ১৬৪০ খ্ৰীষ্টাব্দত আৰম্ভ কৰা দিল্লীস্থিত ৰাজপ্ৰাসাদ লালকিল্লা স্বাহজাহানৰ দিনৰ দ্বিতীয় বৃহৎ উল্লেখনীয় কৰ্ম আছিল। ইয়াৰ ভিতৰত মন কৰিবলগীয়া নিৰ্মিতিসমূহ হ'ল — ৰঙা বালিৰে নিৰ্মিত স্তম্ভৰ দিৱান-ই-আম (ৰাজহুৱা দৰ্শনগৃহ) আৰু দিৱান-ই-খাচ (ব্যক্তিগত দৰ্শন গৃহ), য'ত বিখ্যাত ময়ুৰ সিংহাসনখন স্থাপন কৰা হৈছিল। নগৰ দুৰ্গৰ বাহিৰত বৃহৎ মছজিদ আছে (জামে মছজিদ, ১৬৪৪ ত আৰম্ভ কৰা হৈছিল)। এই আকৰ্ষণীয় মছজিদটো ওখ ভেটিৰ ওপৰত অৱস্থিত আৰু প্ৰৱেশ পথটো ৰাজকীয় উৰ্দ্ধমুখী খটখটিৰে নিৰ্মিত, সন্মুখত এখন সুবিশাল প্ৰাঙ্গন।

জাহাঙ্গীৰৰ সময়ছোৱাৰ শৈলীৰ শ্ৰী আৰু সৌষ্ঠৱ স্বাহজাহানৰ সময়ছোৱাতো অব্যাহত ৰখা হৈছিল, যদিও নিষ্প্ৰাণ আৰু ব্যতিক্ৰমহীন প্ৰৱণতা এটাই গা কৰি উঠিছিল।

পূৰ্বপুৰুষসকলক অনুসৰণ কৰি স্বাহজাহানেও বিদ্বান লোকক পৃষ্ঠপোষকতা প্ৰদান কৰিছিল। বিভিন্ন কবি আৰু ধৰ্মতত্ত্ববিদৰ উপৰিও তেওঁৰ ৰাজসভাত বিখ্যাত বুৰঞ্জী লেখক কিছুমানকো স্থান দিয়া হৈছিল। তেওঁলোক হ'ল— 'পাদশ্বাহ নামাহ'ৰ লেখক আব্দুল হামিদ

লাহোৰী, 'স্বাহ-জাহান-নামাহ'ৰ লেখক ইনায়ত খান, 'অমল-ই-চালিহ'ৰ লেখক মহম্মদ চালিহ। এই আটাইবোৰ স্বাহজাহানৰ ৰাজত্বকালৰ বিশিষ্ট বুৰঞ্জীলেখক আছিল। ৰাজকোঁৱৰ দাৰা শিকহৰ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থসমূহ পার্চী সাহিত্যৰ শ্ৰেষ্ঠ নিদৰ্শন স্বৰূপ।



অগ্ৰগতি নিৰীক্ষণ

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়ক-

প্ৰশ্ন নং ৪ ঃ কাৰ নেতৃত্বত বুণ্ডেলা ৰাজপুতসকলে মোগলৰ বিৰুদ্ধে ৰাজদ্ৰোহ কৰিছিল?

প্ৰশ্ন নং ৫ঃ বিজাপুৰৰ চুলতানৰ বিৰুদ্ধে পঠিওৱা মুছলমান সেনানায়কজনৰ নাম কি?

প্ৰশ্ন নং ৬ ঃ 'চিজদা'ৰ সংজ্ঞা লিখক।

প্ৰশ্ন নং ৭ ঃ ময়ূৰ সিংহাসনখন স্থাপন কৰা অট্টালিকাটোৰ নাম লিখক।

১১.৫ ঔৰঙ্গজেৰ

১৬৫৮ খ্ৰীষ্টাব্দত ঔৰঙ্গজেৱে আলমগীৰ খিতাপ লৈ মোগল ৰাজপাটত আৰোহণ কৰে। পূৰ্ব সীমান্তত, তেওঁৰ সুনিপুণ সেনাধ্যক্ষ মীৰজুমলাক বঙ্গৰ সেনানায়ক পদস্থিত কৰা হৈছিল। তেওঁৰ নেতৃত্বত মোগল শক্তি কোচবিহাৰ আৰু অসমলৈকে আগু�ৱাই গৈছিল। মীৰজুমলাৰ মৃত্যুৰ পিছত, চায়েস্তা খানে যুদ্ধ অব্যাহত ৰাখিছিল আৰু চিট্টাগং আৰু সন্দ্বীপ অধিকাৰ কৰিছিল। উত্তৰ পশ্চিমাঞ্চলত আফ্ৰিদি আৰু খতক জাতিয়ে মোগলৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। ঔৰঙ্গজেৱে আফগানসকলক কূটনীতি, অস্ত্ৰ-সস্ত্ৰ আৰু উপহাৰৰ দ্বাৰা বিজয় লাভ কৰিবলৈ চেষ্টা কৰিছিল। ১৬৭৯ খৃষ্টাব্দত ঔৰঙ্গজেৱৰ মা�ৰৱাৰ (যোধপুৰ)ক সংলগ্ন কৰা নীতিৰ বাবে মোগল ৰাজপুতৰ সম্পৰ্কত বৃহৎ ফাঁট মেলিছিল। মাৰৱাৰৰ শাসক ৰজা যশৱন্ত সিংহৰ মৃত্যুৰ পিছত ঔৰঙ্গজেৱে মাৰৱাৰক সংলগ্ন কৰিবলৈ বিচাৰিছিল, যশৱন্ত সিংহৰ মৃত্যুৰ পিছত জন্ম লাভ কৰা পুত্ৰ অজিৎ সিংহৰ ৰাজসিংহাসনতঅধিকাৰ থকা কথা ঔৰঙ্গজেৱে নাকচ কৰিছিল। বিভিন্ন উত্থান-পতনেৰে প্ৰায় ত্ৰিশ বছৰ মাৰৱাৰৰ বিৰুদ্ধে যুদ্ধ অব্যাহত আছিল। মাৰৱাৰৰ তৰফৰ পৰা ৰাজপুত মুখিয়া দূৰ্গা দাসে অভিযান চলাইছিল। মেৱাৰৰ সিসদিয়া বংশয়ো মাৰৱাৰৰ ৰাথোৰসকলক সহায় কৰিছিল। ঔৰঙ্গজেৱৰ মাৰৱাৰ আৰু মেৱাৰ অভিমুখী নীতি সুসমতাহীন আৰু ভ্ৰান্তিমূলক আছিল, তাৰ পৰা মোগলসকলে কোনো ধৰণৰ সুবিধা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। বিশেষভাৱে ঔৰঙ্গজেৱৰ মাৰৱাৰ জয়ৰ প্ৰচেষ্টা চলোৱাটো এটা ডাঙৰ ৰাজনৈতিক ভুল হিচাপে প্ৰমাণিত হৈছিল আৰু ই মোগল সাম্ৰাজ্যৰ সামগ্ৰিক ৰাজনৈতিক দিশটোক প্ৰভাৱিত কৰিছিল।

ঔৰঙ্গজেৱে সৎনামীসকলৰ বিদ্ৰোহক অমানুষিকভাৱে দমন কৰিছিল। সৎনামীসকল হিন্দু সংগ্ৰামী দল আছিল। মথুৰাৰ ফৌজদাৰৰ অধিনত পীড়িত হৈ মথুৰাৰ জাট বংশয়ো স্বৈৰাচাৰী মোগলৰ বিৰুদ্ধে বিদ্ৰোহাচৰণ কৰিছিল। জাট সকলৰ প্ৰথম ৰাজদ্ৰোহী নেতা আছিল গোকল, আৰু তেওঁ পৰাজিত হোৱাৰ পিছত ৰাজা ৰামে সংগ্ৰাম অব্যাহত ৰাখিছিল। তেওঁকো পৰাজিত

কৰাৰ লগতে হত্যা কৰা হৈছিল। কিন্তু ঔৰঙ্গজেৱৰ মৃত্যুৰ পিছতো জাটসকলে চুৰামনৰ নেতৃত্বত বিদ্রোহ অব্যাহত ৰাখিছিল। একেদৰে বুণ্ডেলা ৰাজপুতসকলে চম্পত ৰায় আৰু ছত্রাচালৰ নেতৃত্বত বিদ্রোহ কৰিছিল।

মোগল সম্ৰাটসকলৰ হাতত বহুলভাৱে যাতনাক্লিষ্ট হোৱা শিখসকলে গুৰু তেগ বাহাদুৰৰ নেতৃত্বত বিদ্রোহ কৰিছিল। গুৰু তেগ বাহাদুৰৰ কৰ্মই ঔৰঙ্গজেৱক অসন্তুষ্ট কৰিছিল আৰু ১৬৭৫ খ্ৰীষ্টাব্দত তেওঁক মৃত্যুদণ্ড দিয়া হৈছিল। তেওঁৰ পিছত গুৰু গোবিন্দ সিংহ আৰু বন্দা বাহাদুৰে সংগ্ৰাম অব্যাহত ৰাখিছিল।

দাক্ষিণাত্যত সবল শক্তিৰূপে মাৰাঠাসকলৰ উত্থান ঘটা মাৰাঠাসকলক আক্ৰমণ কৰাৰ পৰা বিৰত আছিল ঔৰঙ্গজেৱ। চিকন্দৰ আদিল শ্বাহৰ শাসনত থকা বিজাপুৰত ঔৰঙ্গজেৱে আক্ৰমণ কৰিছিল আৰু ১৬৮৬ খ্ৰীষ্টাব্দত মোগল প্ৰদেশৰ লগত সংলগ্ন কৰিছিল। তেওঁৰ পৰৱৰ্তী অভিযান আছিল গোলকোন্দৰ আব্দুল হাচান কুটুব শ্বাহৰ বিৰুদ্ধে। দীৰ্ঘকালীন যুদ্ধৰ পিছত ১৬৮৭ খৃষ্টাব্দত ঔৰঙ্গজেৱৰ হস্তক্ষেপত মোগল সৈন্যই গোলকোন্দত বিজয় কৰিবলৈ সক্ষম হৈছিল। দাক্ষিণাত্য অভিযানত মোগলৰ ৰাজকোষ উদং হৈ পৰিছিল আৰু মোগল সৈন্যৰ খ্যাতিও অৱনমিত হৈছিল।

ঔৰঙ্গজেৱৰ সময়ছোৱাত অসমৰ লগত মোগলৰ সম্পৰ্কৰ প্ৰচণ্ড পৰিৱৰ্তন ঘটিল। ১৬৫৮ খ্ৰীষ্টাব্দত দখল কৰা কামৰূপ হেৰুৱাবলগীয়া হোৱাত তেওঁ নিৰাশ হৈ পৰিছিল। ১৬৬১ চনত ঔৰঙ্গজেৱে বংগৰ সেনাধ্যক্ষ মীৰজুমলাক অসম দখল কৰিবলৈ পঠিয়াইছিল। মীৰজুমলাই কামৰূপ অধিকাৰ কৰাৰ পিছত আহোম সকলক পৰাজিত কৰি আহোম ৰাজধানী গড়গাঁও অধিকাৰ কৰিছিল। পৰৱৰ্তী সময়ত ১৬৬৩ খ্ৰীষ্টাব্দত আহোম ৰজা জয়ধ্বজ সিংহ আৰু মীৰজুমলাৰ মাজত ঘিলাধাৰী সন্ধি হৈছিল। কিন্তু মোগলসকলৰ সেই বিজয় দীৰ্ঘকালীন নাছিল। তাৰ পিছত আহোম সৈন্যই কেবাখনো যুদ্ধত মোগলসকলক পৰাস্ত কৰিছিল। সেইবাবে ঔৰঙ্গজেৱে অম্বৰৰ ৰাজা ৰামসিংহক মোগলৰ হৃত স্থান পুনৰুদ্ধাৰ কৰিবলৈ অসমলৈ পঠিয়াইছিল। ১৬৭১ খ্ৰীষ্টাব্দৰ বিখ্যাত শৰাইঘাটৰ যুদ্ধত আহোম সেনানায়ক লাচিত বৰফুকনে মোগলসকলক চূড়ান্তভাৱে পৰাজিত কৰিছিল। এই পৰাজয়ৰ পিছত ঔৰঙ্গজেৱে আৰু কোনো সৈন্য অসম আক্ৰমণৰ বাবে পঠিওৱা নাছিল। ১৬৮২ চনত মোগল সেনাক অসমৰ পৰা ঘুৰাই নিবলৈ নিশ্চিতভাৱে সিদ্ধান্ত লোৱা হৈছিল।

ঔৰঙ্গজেৱৰ ৰাজত্বকাল বিভিন্ন বিতৰ্কৰে আগু�ৰা। বিশেষভাৱে ধৰ্ম বিষয়কলৈ কথাবোৰত পণ্ডিতসকলৰ মাজত বিভিন্ন মতভেদ আছিল। ঔৰঙ্গজেৱে মুদ্রাত কলিমা (ইছলামীয় ধৰ্মমত) খোদিত কৰাটো নিষেধ কৰিছিল কাৰণ ধৰ্মত অবিশ্বাসী বা অভক্তসকলে সেই পৱিত্র বাক্য অপৱিত্র অশুচি কৰিব বুলি ভাবিছিল। নৌৰোজ (জৰষ্ট্রিয়ান পঞ্জিকামতে বছৰৰ প্ৰথম দিন) উৎযাপন কৰাটো তেওঁৰ পূৰ্বপুৰুষৰ দিনৰ পৰা চলি আহিছিল যদিও তেওঁ সেয়া বাতিল কৰিছিল। যিবোৰ পুৰণি মছজিদক আগতে অৱমাননা বা আওকাণ কৰা হৈছিল, তেওঁ সেইবোৰ পুনৰ্নিৰ্মাণ কৰিছিল আৰু তাত ইমাম - মুয়েজিন আদিক নিয়মীয়া দৰমহাৰ ভিত্তিত নিযুক্তি দিয়া হৈছিল।

মহম্মদৰ নীতিসমূহ সবলীকৰণৰ বাবে তেওঁ এগৰাকী মোহতাচিব (নৈতিকতাৰ নিৰীক্ষক) নিয়োগ কৰিছিল। তেওঁ কিছুমান কামত নিষেধাজ্ঞা দিছিল, যেনে - পানীয় সেৱন,

ব্যৱসায়িক যৌনতা আদি। দুটা জন্মদিনত (চান্দ্র আৰু সৌৰ পঞ্জিকা অনুসৰি) ৰজাক সোণ-ৰূপেৰে তুলাচনীত জোখা উৎসৱটো তেওঁ বন্ধ কৰিছিল।

হিন্দুসকলৰ হোলী, দেৱালী, বসন্তোৎসৱ আদি উৎসৱবোৰত তেওঁ নিষেধ কৰিছিল। তেওঁৰ ৰাজত্বকালৰ এঘাৰ বছৰ পিছত 'ঝাৰোখা দর্শন' ব্যাহত কৰিছিল। সম্ৰাটৰ মতে সেয়া অনা-ইছলামীয় আছিল কাৰণ দর্শনার্থী দলসমূহে তেওঁলোকৰ মহাৰাজক জাগতিক ঈশ্বৰ জ্ঞান কৰিছিল (সেয়েহে মহাৰাজৰ দর্শন হোৱাৰ আগলৈকে তেওঁলোকে উপবাসে থাকিছিল)। তেওঁৰ আদেশমর্মে পাটনাৰ বিখ্যাত চোমনাথ মন্দিৰ, বাৰাণসীৰ বিশ্বনাথ মন্দিৰ আৰু মথুৰাৰ কেশৱ ৰায় মন্দিৰ ধ্বংস কৰা হৈছিল। মথুৰাক ইছলামাবাদ নামেৰে পুনৰ নামকৰণ কৰা হৈছিল।

আকবৰে বহুত আগতে বাতিল কৰা জিজিয়া কৰ তেওঁ ১৬৭৯ চনত পুনৰ আৰোপ কৰিছিল। তেওঁৰ আদেশসমূহৰ অন্য এটা পদক্ষেপ (১৬৬৫ চনত) আছিল মুছলমানসকলৰ ২$^{১}/_{২}$ শতাংশৰ বিপৰীতে হিন্দু ব্যৱসায়ীসকলে ৫ শতাংশ বাণিজ্য শুল্ক আদায় কৰা। ১৬৭১ চনত অন্য এক ফৰমান মুকলি কৰা হৈছিল যে খালিচা ভূমিৰ ৰাজহ সংগ্রহ কৰা গৰাকী অপৰিৱর্তনীয়ভাৱে মুছলমান হ'বই লাগিব। পৰৱর্তী সময়ত অনিচ্ছাসত্বেও কেৱল কিছুমান বিশেষ বিভাগত হিন্দুসকলক নিযুক্তি দিয়া হৈছিল, এই চর্তত যে মুছলমানসকলৰ সংখ্যাৰ অর্ধসংখ্যককহে হিন্দু নিযুক্ত হ'ব।

নিঃসন্দেহে ঔৰঙ্গজেৱ এক ৰহস্যময় ব্যক্তিত্ব আছিল। ওপৰত উল্লিখিত তেওঁৰ অসহিষ্ণু কর্মসমূহৰ বিপৰীতে আমি তেওঁক দেখা পাওঁ যে ৰাজ্যৰ শাসনব্যৱস্থাত অনা-মুছলমান বহুত সংখ্যক লোকক তেওঁ বিষয়বাব প্রদান কৰিছে। মনচবদাৰী ব্যৱস্থাত ঔৰঙ্গজেৱে হিন্দুলোকৰ সংখ্যা হ্রাস কৰা নাছিল; বৰং পূর্বপুৰুষসকলৰ ৰাজত্বকালৰ তুলনাত ইয়াৰ সংখ্যা বাঢ়িছিলহে। বহুত হিন্দুক উচ্চ পদ দিয়া হৈছিল আৰু অন্ততঃ দুজনক গৱর্ণৰ হিচাপেও নিযুক্ত কৰা হৈছিল। এয়াও লক্ষ্যণীয় যে যিগৰাকী সম্ৰাটে বিভিন্ন উপাসনাস্থলী ধ্বংস কৰিছিল, সমসাময়িকভাৱে তেঁৱেই মন্দিৰ আৰু পুৰোহিতসকলৰ ৰক্ষণাবেক্ষণৰ বাবে অর্থসাহায্য আগবঢ়াইছিল। তেওঁৰ ৰক্ষণশীল ধর্মীয় নীতিয়েই সাম্ৰাজ্য পতনৰ বাবে কিছু পৰিমাণে দায়ী আছিল ।

চাহজাহানৰ উত্তৰাধিকাৰী ঔৰঙ্গজেৱৰ (১৬৫৮-১৭০৭) স্থাপত্য নিদর্শনসমূহ বিশেষ অৱনতিৰ পৰিচায়ক। যদিও অষ্টাদশ শতিকাৰ আৰম্ভণিত কিছুমান উল্লেখনীয় মছজিদ নির্মাণ কৰা হৈছিল, পৰৱর্তী নির্মাণ কার্যয়ে মোগল স্থাপত্যৰ পৰিপক্কতা, সংবদ্ধতা, আৰু সুষমতা ৰক্ষা কৰিব পৰা নাছিল।

ঔৰঙ্গজেৱ আছিল এগৰাকী উদ্যমী চুন্নী, মুছলিম দর্শন আৰু শাস্ত্রৰ পণ্ডিত। তেওঁ কাব্যানুৰাগী নাছিল। তেওঁৰ ৰাজত্বকালৰ বুৰঞ্জী লেখাত তেওঁ তীব্র বিৰোধিতা কৰিছিল যাৰ বাবে খাফী খানে 'মুন্তাখাব-উল-লুবাব' খন গোপনে লিখিব লগীয়া হৈছিল। এনে বিধৰ অন্য কিছুমান জনাজাত লেখনী আছে, যেনে- মির্জা মহম্মদ কাজিমৰ 'আলমগীৰ নামাহ', মহম্মদ চাকুৰ 'মাচিৰ-ই-আলমগিৰী', চুজান ৰায় খত্রীৰ 'খুলাচত -উত-তাৰাৰিশ', ভিম সেনৰ 'নুসকা-ই-দিলখুশা' আৰু ঈশ্বৰ দাসৰ 'ফতুহাত-ই-আলমগিৰী' ।

ঔৰঙ্গজেৱৰ ৰাজত্বকালত হিন্দী সাহিত্যৰ উন্নতি বাধাগ্রস্ত হৈছিল। ৰাজপৃষ্ঠপোষকতাৰ অভাৱেই ইয়াৰ মূল কাৰণ আছিল। এই সময়ছোৱাত উত্তৰ ভাৰতত উর্দু কাব্যও বেছি লিখা

হোৱা নাছিল। কিন্তু দাক্ষিণাত্যত কেইগৰাকীমান উর্দু কবিয়ে আত্মপ্রকাশ কৰিছিল।

মোগল চিত্রশৈলীত চিত্রপটৰ ধৰণ টেৰাচত প্রেমাস্পদ, নাইবা অগ্নিক আগুৰি থকা তপস্বীসকল - ঔৰঙ্গজেৱৰ ৰাজত্বকালত(১৬৫৮-১৭০৭) এয়া গতানুগতিক হৈ পৰিছিল আৰু সেই ধাৰা অক্ষুণ্ণ আছিল ।লক্ষ্ণৌ, মুর্চিদাবাদ আদিৰ দৰে বহিঃ ৰাজ্যৰ ৰাজসভাতো মোগল চিত্র শৈলীয়ে ভূমুকি মাৰিছিল। মোগল চিত্রশৈলীত প্রথমাৱস্থাত শিল্পীৰ একোটা দল অন্তর্ভুক্ত হৈছিল, এজনে গাঁথনি নির্ধাৰণ কৰিছিল, দ্বিতীয়জনে ৰং বোলাইছিল আৰু বোধহয় ব্যক্তি বিশেষৰ মুখাৱয়ব নির্মাণত কোনো এগৰাকী নিপুণ শিল্পী আছিল। ঔৰঙ্গজেৱে সঙ্গীতচর্চাক উৎসাহিত নকৰি তাক বাৰণহে কৰিছিল।



অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্রশ্নবোৰৰ উত্তৰ দিয়ক -

প্রশ্ন নং ৮ ঃ সৎনামীসকল কোন আছিল ?

প্রশ্ন নং ৯ঃ কিয় ঔৰঙ্গজেৱৰ ৰাজত্বকালত হিন্দী সাহিত্যৰ উন্নতি বাধাগ্রস্ত হৈছিল ?

প্রশ্ন নং ১০ ঃ চূড়ামন কোন আছিল ?

প্রশ্ন নং ১১ ঃ জিজিয়া কৰ কিমান চনত পুনৰ আৰোপ কৰা হৈছিল ?



১১.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ -

এই অধ্যায়টিৰ অধ্যয়ন কৰি আমি জানিব পাৰিলো যে-

- ১৬০৫ খ্রীষ্টাব্দত ৰাজসিংহাসন আৰোহণ কৰা জাহাঙ্গীৰে মোগল সাম্রাজ্য বিস্তাৰ কৰিছিল আৰু মোগলৰ লগত অসমৰ সম্পর্ক স্থাপন কৰিছিল। তেওঁ এজন উদাৰ মনৰ মুছলমান ৰজা আছিল আৰু শিক্ষাক্ষেত্রত পৃষ্ঠপোষকতা প্রদান কৰিছিল।
- কলা- সংস্কৃতিৰ উন্নয়নৰ বাবে স্বাহজাহানৰ ৰাজত্বকালটোও সমানে উল্লেখযোগ্য আছিল ।
- গোড়া ধর্মীয় নীতি আৰু নির্মম অভিযানৰ বাবে ঔৰঙ্গজেৱৰ ৰাজত্বকালটো বিতর্কমূলক আছিল।



১১.৭ অধিক জানিবলৈ

- Chandra, Satish. (Reprint, 2008). *Medieval India: From Sultanate to the Mughals Delhi Sultanate 1206-1526) Part One*. New Delhi, India: Haranand and publications Pvt. Ltd

- Habib, Irfan. (2000). *Agrarian system of Mughal India 1556-1707.* Bombay, India: Oxford University Press.
- Prasad, Iswari. (1940). *History of Medieval India.* New Delhi, India: Indian Press.
- Richards, John F. (1996). *The Mughal Empire.* Cambridge, UK: Cambridge University Press.



১১.৮ অগ্ৰগতি খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ গুৰু অৰ্জুন সিংহ ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পাৰ্চী শাসক যিয়ে খোৱাচানসকলক আহমেদনগৰ আক্ৰমণ কৰিবলৈ উদগনি দিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ছাৰ থমাছ ৰ' ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জুঝাৰ সিংহ ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ খান দোৱান ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চিজদা হ'ল ৰজাক সন্মান প্ৰদৰ্শন কৰিবলৈ কৰা অষ্টাংগ প্ৰণাম ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ দিৱান-ই-খাচ ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ এটা হিন্দু সৈন্য দল ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজপৃষ্ঠপোষকতাৰ অভাৱত।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ এজন জাটবংশী নেতা যিয়ে মোগলৰ স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে যুঁজ দিছিল ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৬৭৯ ।



১১.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ জাহাঙ্গীৰৰ ৰাজসভা শুৱনি কৰা কেইগৰাকীমান পণ্ডিতৰ নাম লিখক ।

প্ৰশ্ন নং ২ ঃ কাংৰা দুৰ্গ কেতিয়া জয় কৰা হৈছিল ?

প্ৰশ্ন নং ৩ ঃ মোগল ৰাজসভাত চিজদাৰ প্ৰচলন কোনে কৰিছিল ?

প্ৰশ্ন নং ৪ ঃ 'অমল-ই-চালিহ' গ্ৰন্থৰ ৰচক কোন ?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ জাহাঙ্গীৰে কেনেদৰে ৰাজপুতসকলক জয় কৰিছিল ?

প্ৰশ্ন নং ২ ঃ স্বাহজাহানৰ ৰাজত্বকালৰ প্ৰসিদ্ধ চিত্ৰশিল্পীসকলৰ নাম উল্লেখ কৰক ?

প্ৰশ্ন নং ৩ ঃ মীৰ জুমলা কোন আছিল ?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ আকবৰৰ উত্তৰাধিকাৰীসকলৰ দাক্ষিণাত্য নীতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ ঔৰঙ্গজেৰ আৰু তেওঁৰ পূৰ্বপুৰুষসকলৰ ধৰ্মীয় নীতি সম্পৰ্কে এক তুলনামূলক আলোচনা আগবঢ়াওক আৰু তাৰ প্ৰভাৱ সম্পৰ্কে লিখক।

প্ৰশ্ন নং ৩ ঃ আকবৰৰ উত্তৰাধিকাৰীসকলৰ শসনকালৰ কলা আৰু স্থাপত্যৰ উন্নয়ন সম্পৰ্কে আলোচনা কৰক ।

প্ৰশ্ন নং ৪ ঃ আকবৰৰ উত্তৰাধিকাৰীসকলৰ দিনৰ মোগল-ৰাজপুত সম্পৰ্কৰ বিষয়ে এটি সমালোচনাত্মক বিশ্লেষণ আগবঢ়াওক ।

প্ৰশ্ন নং ৫ ঃ স্বাহজাহানৰ ৰাজত্বকালৰ কলা আৰু স্থাপত্যৰ উন্নয়ন সম্পৰ্কে ব্যাখ্যা কৰক।

———————

অধ্যায় ১২ ঃ মোগল প্রশাসনঃ জাগিৰদাৰী আৰু মনচবদাৰী ব্যৱস্থা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ কেন্দ্রীয় প্রশাসন
১২.৪ প্রাদেশিক প্রশাসন
১২.৫ জাগিৰদাৰী ব্যৱস্থা
১২.৬ মনছবদাৰী ব্যৱস্থা
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্রগতিৰ খতিয়ান
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মোগল প্রশাসন আৰু তাৰ আঁৰত থকা নীতি সম্পর্কে ব্যাখ্যা কৰিব পাৰিব,
- কেন্দ্রীয় আৰু ৰাজ্যিক প্রশাসন সম্পর্কে আলোচনা কৰিব পাৰিব, আৰু
- ভূমি হস্তান্তৰ পদ্ধতি জাগীৰদাৰী আৰু মনচবদাৰী পদ্ধতিৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

১২.২ পৰিচয়

মূলতঃ আকবৰৰ কর্মৰাজিৰ বাবেই মোগল প্রশাসনীয় ব্যৱস্থাটোৰ স্থাপন আৰু বিকাশ সম্ভৱপৰ হৈছিল। উল্লেখনীয় যে চুলতানী আমোলতকৈ মোগল প্রশাসনৰ ধাৰণা আৰু নীতিবোৰ সম্পূর্ণ পৃথক। বাবৰৰ ৰাজত্বকালত সময় আৰু সুবিধাৰ অভাৱৰ বাবে, হুমায়ুনৰ সময়ত অনিচ্ছুকতা আৰু সামর্থ্যহীনতাৰ বাবে এটা বিস্তৃত আসামৰিক চৰকাৰব্যৱস্থা অসম্ভৱ হৈ পৰিছিল। শ্বেৰশ্বাহৰ দ্বাৰা গঢ়া প্রশাসনিক বিকাশৰ বাবে আকবৰে সর্বোচ্চ পর্যায়ত ৰাজনৈতিক প্রশাসনক এক প্রণালীবদ্ধ সংগঠনৰূপে গঢ়ি তুলিব পাৰিছিল। মোগল সাম্রাজ্য নিশ্চিতভাৱে সামৰিক প্রকৃতিৰ আছিল য'ত সম্রাটৰ সকলো কথাই আইন হিচাপে পৰিগণিত আছিল। উল্লেখনীয় যে ইৰফান হাবিব, আথাৰ আলি আদি ইতিহাসবিদসকলে মোগল শাসন ব্যৱস্থাক এককেন্দ্রী শাসন

ব্যৱস্থা হিচাপে আখ্যা দিছে। এই অধ্যায়টি মোগল প্রশাসন কেন্দ্রীক হব।

১২.৩ কেন্দ্রীয় প্রশাসন

সম্রাট আছিল মোগল প্রশাসনীয় ব্যৱস্থাৰ মুৰব্বী। যদিও মোগল সম্রাটসকলৰ হাততে ক্ষমতাৰ পূর্ণ কর্তৃত্ব ন্যস্ত আছিল তথাপি চৰকাৰৰ বিভিন্ন ধৰণৰ কাম-কাজ চলাবৰ বাবে তেওঁলোকে বিভিন্ন বিভাগত কিছু সংখ্যক বিষয়াৰ নিযুক্তি দিছিল।

১৫২৬ চনৰ পৰা ১৫৬০ চনলৈ অর্থাৎ বাবৰৰ সময়ৰ পৰা আকবৰৰ শাসনকালৰ প্রথম চাৰি বছৰলৈ ৰাজিৰ বা ৰাকিলৰ কার্যালয়ে বহু বেছি ক্ষমতা পাইছিল। বৈৰাম খানৰ (১৫৫৬-৬০) ৰাজপ্রতিনিধিত্বমূলক শাসনৰ সময়ছোৱাত এই কার্যালয়ে অপৰিসীম ক্ষমতা পাইছিল। যেতিয়া আকবৰে বৈৰাম খানৰ পৰা ৰাকিলৰ বিত্তীয় ক্ষমতা নিজৰ হাতলৈ আনিলে, এই কার্যালয়ৰ গুৰুত্ব নোহোৱা হৈ পৰিল।

দেশখনত সাধাৰণ চাৰিটা মুখ্য বিভাগ আছিল। কোষাধ্যক্ষজন আছিল দিৱান আৰু এৰেঁই সাধাৰণতে দেশখনৰ সর্বোচ্চ বিষয়া আছিল। এওঁৰ হাতত ৰাজহ আৰু বিত্ত বিভাগৰ দায়িত্ব ন্যস্ত আছিল। তেওঁ সকলোধৰণৰ লেনদেন, সকলো বিভাগৰ ধন আদান-প্রদান পৰিদর্শন কৰিছিল তথা প্রাদেশিক দিৱানবোৰৰ সৈতে প্রত্যক্ষ সম্পর্ক ৰক্ষা কৰিছিল।

সামৰিক বাহিনীৰ দা-দৰমহা আৰু খৰচ পাতিৰ বিভাগটো মিৰ বক্সিৰ ওপৰত ন্যস্ত আছিল আৰু এওঁ বিভিন্ন ধৰণৰ দায়িত্ব পালন কৰিব লাগিছিল। যদিও তেওঁ আক্ষৰিক অর্থত সামৰিক বিভাগৰ আছিল তথাপি তেওঁ দেশখনৰ সকলো বিষয়াৰে মহাবেতন প্রধান হিচাপে কাম কৰিছিল। তেওঁ সেনাৰ নিযুক্তি তথা মনচবদাৰ আৰু আন বিষয়া সকলৰ তালিকা মজুত ৰখাৰ বাবেও দায়ৱদ্ধ আছিল। কোনো এক যুদ্ধৰ বাবে প্রস্তুত হোৱাৰ সময়ত তেওঁ সম্রাটৰ আগত সেনাবাহিনীৰ এক পূর্ণ তালিকা দাঙি ধৰিব লাগিছিল। খান-ই-চমন আছিল ৰাজকীয় গৃহস্থালি বিভাগৰ বিষয়া। এওঁৰ হাতত সৰু বৰ সকলো ধৰণৰ কামৰ দায়িত্ব আছিল। সর্বশেষৰ গুৰুত্বপূর্ণ কার্যালয়টো সদৰ-উজ-সুদূৰ নামৰ বিষয়াজনাৰ তত্বাৱধানত চলিছিল আৰু এওঁ ধর্মীয় স্থায়ীনিধি আৰু দাতব্য বিভাগৰ মুৰব্বী আছিল। তেওঁ লগতে শিক্ষা বিভাগৰ মন্ত্রী আছিল। চাহজাহান শাসনত বহাৰ আগতে মুখ্য কাজি আৰু সুদুৰ-উজ-সদৰ দুটি লগ লগাই এজনৰ হাতত দিয়া হ'ল - সদৰ আৰু তেওঁ মুখ্য কাজিৰ দায়িত্ব বহন কৰিব লগা হইছিল। ঔৰংগজেৱে এই দুটা পদবী পৃথক কৰি দুজন বেলেগ ব্যক্তিৰ হাতত এই পদবীবোৰ ন্যস্ত কৰিলে।

গুৰুত্বৰ ফালৰ পৰা দ্বিতীয় পর্যায়ৰ বিভাগবোৰ আছিল মুষ্টাফি (মহালেখা পৰীক্ষক), মুখ্য মুফটি (আইন পৰামর্শদাতা), মুখ্য মুহটাছিব (লোক নৈতিকতা বিচাৰক), দাৰোগা-ই-দাক-চৌকি (চোৰাংচোৱা আৰু ডাক বিভাগ)। ওপৰত উল্লিখিত বিষয়াবোৰতকৈ মর্যাদাৰ ফালৰ পৰা নিম্ন পর্যায়ত থকা আন বিষয়াবোৰ আছিল মিৰ আটিছ্ বা দাৰোগা-ই-টোপখানা (হিলৈদাৰী সেনাৰ অধীক্ষক), নাজিৰ-ই-বুয়োটত (ৰাজকীয় কাৰখানাৰ অধীক্ষক), মিৰ বাৰাক (বন

অধীক্ষক), মিৰ অর্জ (সম্রাটৰ আগত আবেদন দাখিল কৰা বিষয়া) আৰু মিৰ তজক (উৎসৱ-পার্বণৰ পাৰদর্শী)।

১২.৪ প্রাদেশিক প্রশাসন

প্রশাসন আৰু ৰাজহ সংগ্রহৰ সুবিধার্থে মোগল সাম্রাজ্যক কিছুমান প্রদেশত ভাগ কৰা হৈছিল আৰু এইবোৰক চুৱা বুলি জনা গৈছিল। আকবৰে সাম্রাজ্যখনক ১২টা চুৱাত ভাগ কৰিছিল। পাছলৈ যেতিয়া আকবৰে দাক্ষিণাত্যৰ কিছু প্রদেশ অধিকাৰ কৰিলে তেতিয়া তেওঁৰ ৰাজত্বৰ শেহৰ ফাললৈ এই সংখ্যা বাঢ়ি ১৫টা হ'লগৈ। ক্রমাগতভাৱে চুৱাৰ সংখ্যা বাঢ়ি জাহাঙ্গীৰৰ ৰাজত্বকালত হ'লগৈ ১৭ শ্বাহজাহানৰ সময়ত ১৯ আৰু ঔৰংগজেৱৰ সময়ত সর্বাধিক ২১ হ'লগৈ।

মোগল সাম্রাজ্যৰ প্রদেশবোৰৰ প্রশাসনিক গাঁথনি কেন্দ্রীয় চৰকাৰৰ গাঁথনিৰ এক ক্ষুদ্র প্রতিৰূপহে আছিল। চুবাৰ মুৰব্বী গৰাকী আছিল চুবেদাৰ আৰু তেওঁক সম্রাটে প্রত্যক্ষভাৱে নিযুক্তি দিছিল। তেওঁ এখন চুবাৰ অসামৰিক আৰু সামৰিক প্রশাসনৰ মুৰব্বী আছিল। এখন প্রদেশৰ ৰাজহ প্রশাসনৰ মুৰব্বী প্রাদেশিক দিৱানজনকো সম্রাটে নিযুক্তি দিছিল। তেওঁ এজন স্বাধীন বিষয়া আছিল। বিত্ত সম্পর্কীয় সকলো প্রশ্নৰ উত্তৰ তেওঁ দিছিল।

প্রাদেশিক বক্সি গৰাকীয়ে সামৰিক বিভাগটো চোৱাচিতা কৰিছিল আৰু মনচবদাৰৰ দৰমহা আৰু আন খা-খৰছৰ এক হিচাপ ৰাখিছিল। প্রাদেশিক পর্যায়ৰ সদৰ, কাজি, বুয়াটত, মুহটাছিব আদিয়ে কেন্দ্রীয় বিষয়াবর্গৰ লেখীয়া একে দায়িত্ব আৰু কার্য কৰিছিল। তদুপৰি প্রতিখন চুবাৰ সদৰত চোৱাংচোৱা আৰু ডাক ব্যৱস্থা চোৱা-চিতা কৰাৰ বাবে দাৰোগা-ই-দাগচৌকি প্রতিষ্ঠা কৰা হৈছিল। সম্রাটক প্রত্যক্ষভাৱে বাতৰি যোগান দিবলৈ ৰাকাই নবিছ আৰু ৰাকাই নিগাৰ নামৰ দুগৰাকী বিষয়াৰ নিযুক্তি দিয়া হৈছিল। তদুপৰি সম্রাটক গোপনীয় খবৰ দিবলৈ ছাৱানিহ নিগাৰ পদবীৰ এজনক নিযুক্ত কৰা হৈছিল।

- **স্থানীয় প্রশাসন**

চুৱাৰ নিম্নৱর্তী প্রশাসনক কিছুমান চৰকাৰত বিভক্ত কৰা হৈছিল আৰু চৰকাৰবোৰৰ পুনৰ কিছুমান পৰগণাত বিভক্ত কৰা হৈছিল। চৰকাৰৰ মুখ্য কার্যবাহী মুৰব্বীজন আছিল ফৌজদাৰ আৰু এওঁৰ মূল দায়িত্ব আছিল নিজৰ অধিকাৰ ক্ষেত্রৰ ভিতৰত আইন-শৃংখলা ৰক্ষা তথা ৰজাৰ হুকুম তথা নীতি-নিয়ম ৰূপায়ণ কৰা। ইয়াৰ লগতে তেওঁৰ শক্তিশালী জমিদাৰসকলক নিয়ন্ত্রণত ৰাখিব লাগিছিল। তেওঁৰ পিছতে চৰকাৰৰ গুৰুত্বপূর্ণ বিষয়াজন ৰাজহ সংগ্রহকাৰী আছিল আৰু তেওঁক অমলগুজাৰ নামে জনা গৈছিল। আইন-শৃংখলা ৰক্ষাৰ বাবে অশান্তজর্জৰ অঞ্চল আৰু নগৰৰ চৌপাযে কিছুমান থানা স্থাপন কৰা হৈছিল আৰু এই থানাৰ মুৰব্বীজনক থানেদাৰ বোলা হৈছিল।

শিকদাৰ পদবীৰ এজনৰ হাতত এখন পৰগণাৰ সাধাৰণ প্রশাসনৰ দায়িত্ব ন্যস্ত আছিল আৰু তেওঁ এখন পৰগণাৰ আইন-শৃংখলাৰ ৰক্ষা কৰিব লাগিছিল। তেওঁক এজন আমিল (ৰাজহ

সংগ্রহকর্তা), এগৰাকী আমিন (ৰাজহ নির্ধাৰক), এজন পোটদাৰ (কোষাধ্যক্ষ), কানুনগো (মাটিৰ নথি-পত্র ৰক্ষক) আৰু কিছুসংখ্যক বিটিকচিজে (লেখক বা কেৰাণী) সহায় কৰিছিল।

মোগল প্রশাসনিক গাঁথনিৰ সর্বনিম্নতম প্রশাসনিক গোটটি আছিল গাঁও। গাঁৱৰ প্রধানক মুকদ্দম বোলা হৈছিল। তেওঁক সহযোগ কৰিছিল পাটোৱাৰীয়ে আৰু তেওঁৰ দায়িত্ব আছিল গাঁৱৰ ৰাজহৰ হিচাপ ৰখা। এই পর্যায়ত মোগলে শ্বেৰ শ্বাহৰ লেখিয়াকৈ একেটা আর্হিতে প্রশাসন পৰিচালনা কৰিছিল। চহৰ অঞ্চলৰ মুখ্য প্রশাসন এজন কটোৱালৰ হাতত ন্যস্ত আছিল আৰু তেওঁক কেন্দ্রই নিযুক্তি দিছিল। তেওঁৰ দায়িত্ব আছিল নগৰখনৰ ৰক্ষণাবেক্ষণ দিয়া, সাধাৰণ লোকৰ আচৰণত নজৰ দিয়া আৰু অপৰাধ নিয়ন্ত্রণ কৰা, সামাজিক বাক-বিতণ্ডা নিয়ন্ত্রণ, বজাৰ নিয়ন্ত্রণ, উত্তৰাধিকাৰীবিহীন সম্পত্তিৰ যত্ন লোৱা আৰু নির্দিষ্ট ব্যৱস্থা লোৱা।

মোগলৰ দুর্গবোৰক কিলা বোলা হৈছিল। এইবোৰ ৰণকৌশলৰ ফালৰ পৰা গুৰুত্বপূর্ণ ঠাইবোৰত অৱস্থিত আছিল, য'ত বৃহৎ সংখ্যক দুর্গৰক্ষী সেনাদলৰ বাবে সৰু সৰু চহৰ গঢ় লৈ উঠিছিল। এইবোৰ কিলাৰ পৰিচালনাৰ বাবে কিছুমান উচ্চ পর্যায়ৰ মনচবদাৰক কিলাদাৰ হিচাপে নিযুক্তি দিয়া হৈছিল। মুটাছদ্দিয়ে বন্দৰবোৰৰ পৰিচালনা কৰিবলৈ নিযুক্তি কৰিছিল। কিছুমান ক্ষেত্রত এই পদবীটো নীলামত দিয়া হৈছিল আৰু যিয়ে সর্বোচ্চ ডাক আগবঢ়ায় তেওঁলৈ এই পদবী আগবঢ়োৱা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোনে মুখ্য কাজি আৰু সদৰ-উজ-সুদুৰৰ পদবী পৃথক কৰিছিল?

প্রশ্ন নং ২ ঃ চুবেদাৰৰ কর্তব্য কি আছিল?

প্রশ্ন নং ৩ ঃ মুটাছদ্দি কোন আছিল?

- **মোগলসকলৰ ন্যায়িক ব্যৱস্থা ঃ**

মোগল সম্রাট সকল ন্যায় সম্পর্কে সদায় সচেতন আছিল আৰু সেইবাবে তেওঁলোক সকলোৱেই এক সুস্থ ন্যায়িক ব্যৱস্থাৰ ৰূপায়ণৰ ওপৰত গুৰুত্ব দিছিল। প্রাৰম্ভীক পর্যায়ত তেওঁলোকে চুলতানসকলৰ আমোলত প্রচলিত ইছলাম ধর্মীয় নীতিৰ ভিত্তিত গঢ় লোৱা ন্যায় ব্যৱস্থাৰ পালন কৰিছিল। এই নীতি অনুসৰি প্রজাসকলক দুভাগত ভাগ কৰা হৈছিল। এই ভাগ দুটা হ'ল— ধর্মবিশ্বাসী সকল আৰু জিমি। ইয়াৰে জিমিসকলক নাগৰিক হিচাপে গণ্য কৰা হোৱা নাছিল। অৱশ্যে আকবৰৰ ৰাজত্ব কালত ন্যায়ৰ ক্ষেত্রত কেৱল ইছলাম ধর্মীয় নীতিসমূহকে মানি নচলি ইয়াৰ ক্ষেত্রত কিছু পৰিৱর্তন সাধন কৰা হয়।

ন্যায়ব্যৱস্থাটোৰ একেবাৰে শীর্ষ পর্যায়ত আছিল সম্রাটজন আৰু তেওঁকেই মূলতঃ ন্যায়ৰ উৎস হিচাপে গণ্য কৰা হৈছিল। সপ্তাহটোৰ এটা নির্দিষ্ট দিনত তেওঁ ৰাজসভাৰ আয়োজন কৰিছিল আৰু সকলো চৰকাৰী গোচৰৰ সমাধান কৰিছিল। কোনো লোকক মৃত্যুদণ্ড দিয়াৰ

ক্ষমতা কেৱল সম্রাটৰহে আছিল। ৰাজসভাৰ পৰৱর্তী পর্যায়ৰ সভাখনৰ দায়িত্ব বহন কৰে সদৰ-ওজ-সুদুৰ উপাধিৰ বিষয়াই যি ধর্ম সংক্রান্ত গোচৰৰ মীমাংসা কৰিছিল আৰু কাজি-উল-কজত নামৰ বিষয়াজনে সকলো পর্যায়ৰ বিবাদৰ মীমাংসা কৰিছিল।

ইয়াৰ উপৰি প্রদেশবোৰত পৃথক ন্যায়িক ব্যৱস্থাৰ প্রচলন আছিল। প্রদেশবোৰত ন্যায়িক ব্যৱস্থাটোৰ মুখ্য দায়িত্ব আছিল চুবেদাৰ, দীৱান আৰু কাজিজনৰ ওপৰত । চুৰি, ডকাইতি আদি সকলো ধৰণৰ ফৌজদাৰী গোচৰৰ বিচাৰ চুবেদাৰজনে কৰিব লাগিছিল। অসামৰিক গোচৰবোৰ বিচাৰ কৰাৰ দায়িত্ব আছিল দীৱানজনৰ ওপৰত। কাজি-জনেও অৱশ্যে প্রচুৰ পৰিমাণৰ ন্যায়িক ক্ষমতা উপভোগ কৰিছিল। কাজিজনে মুফটি আৰু মিৰাডি আদি বিষয়াসকলৰ সহযোগত হিন্দু-মুছলীম, দুয়ো ধর্মৰ লোকৰ অসামৰিক আৰু ফৌজদাৰী গোচৰ মীমাংসা কৰিছিল। চৰকাৰ আৰু পৰগণা পর্যায়ত চিকদাৰজনে মুখ্য ন্যায়িক বিষয়া হিচাপে দায়িত্ব পালন কৰিছিল আৰু সকলো ধৰণৰ ফৌজদাৰী গোচৰৰ মীমাংসা কৰিছিল। এই পর্যায়ত অসামৰিক গোচৰবোৰ অমিলজনে মীমাংসা কৰিছিল। অৱশ্যে কাজি আৰু কটোৱালেও কিছুমান অসামৰিক আৰু ফৌজদাৰী গোচৰ বিচাৰ কৰিব পাৰিছিল। সমান ন্যায়িক ব্যৱস্থাটোৰ একেবাৰে নিম্ন পর্যায়ত আছিল পঞ্চায়ত।

মোগল ন্যায়িক ব্যৱস্থাটোত কোনো ধৰণৰ নির্দিষ্ট লিখিত আইন নাছিল। মুছলমানসকলৰ গোচৰসমূহ, কোৰানৰ আৰু হদিঠ বা হজৰতৰ বাণী, ফতৱা বা বিশিষ্ট ন্যায়াধিশসকলৰ ৰায়-সমূহৰ ওপৰত ভিত্তি কৰি মীমাংসা কৰা হৈছিল। হিন্দুসকলৰ গোচৰসমূহৰ ক্ষেত্রত প্রথাযায়ী আৰু পৰম্পৰাগত বা চলিত ন্যায়ৰ ওপৰত ভিত্তি কৰি মীমাংসা কৰা হৈছিল। ফৌজদাৰী গোচৰৰ ক্ষেত্রত দুয়োটা ধর্মৰ লোকৰ বাবে কিছুমান বিশেষ আইনৰ ব্যৱস্থা আছিল। ৰাজনৈতিক বিবাদসমূহ সামৰিক আৰু অসামৰিক দুয়োধৰণৰ লোকৰে গঠিত বিচাৰপীঠৰ দ্বাৰা সমাধান কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ন্যায়িক ব্যৱস্থাটোৰ একেবাৰে নিম্ন এককৰ নাম কি আছিল ? .....

প্রশ্ন নং ৫ ঃ হদিঠ ব্যাখা কৰক ?

.....

প্রশ্ন নং ৬ ঃ চৰকাৰ আৰু পৰগণাৰ মুখ্য ন্যায়িক বিষয়া কোন আছিল ?

.....

১২.৫ জাগিৰদাৰী ব্যৱস্থা

মোগলৰ দিনৰ জাগিৰদাৰী ব্যৱস্থাটো পূৰ্বৰে পৰা চলি অহা ইকতা ব্যৱস্থা যি মোগলৰ দিনৰ আগৰ পৰাই সামন্তবাদ গাঁথনিৰ এটা অংশ আছিল। ই এটা শাসন সম্বন্ধীয় নীতি যাৰ লগত ৰাজহ বিষয়ক লৈ দায়িত্ব জড়িত হৈ আছিল আৰু যিটো চুলতানী যুগত হস্তান্তৰ নতুবা খাৰিজ কৰিব পৰা গৈছিল। এই ব্যৱস্থাৰ জৰিয়তে কোনো এটা বিশেষ অঞ্চলৰ শাসকীয় শ্রেণীটোৱে বংশানুক্রমিক অধিকাৰ নথকা স্বত্বেও কেন্দ্রীয় কর্তৃপক্ষৰ প্রত্যক্ষ তদাৰকত ৰাজহ ব্যৱস্থাটো চম্ভালিবলগীয়া হৈছিল।

পূৰ্বতে যিহেতু পুতেকে বংশানুক্রমিকভাৱে চৰকাৰী পদসমূহ লাভ কৰিছিল সেয়ে ৰাজহ বিষয়ক কাম-কাজ বিলাক স্থায়ী আৰু বংশানুক্রমিক স্বত্বৰ দ্বাৰাই চম্ভালিবলগীয়া হৈছিল। সি যি কি নহওক, লোড়ীসকলৰ শাসনত সম্ভ্রান্ত আফগানসকলক এনেধৰণৰ ৰাজহৰ নির্দেশপত্র ব্যৱস্থাৰ ভাৰ অর্পণ কৰা হৈছিল য'ত ৰজাৰ সহায় বা অনুগ্রহ আংশিকভাৱেহে প্রাপ্ত হৈছিল। মোগল শাসনৰ এই ৰাজহ ব্যৱস্থাটোক জাগিৰ আৰু যাৰ ওপৰত ইয়াৰ দায়িত্ব অর্পণ কৰা হয় তেওঁলোকক জাগিৰদাৰ বুলি কোৱা হয়। ইকতা ব্যৱস্থাটো প্রশাসনীয় আৰু ৰাজহ বিষয়ক বন্দৰস্ত আছিল, বিপৰীতে মোগলসকলৰ জাগিৰদাৰী ব্যৱস্থাটো নিভাঁজ ৰূপত ৰাজহৰ ওপৰত প্রতিষ্ঠিত আছিল।

আকবৰে ভূমিবোৰক দুটা শ্রেণীত ভাগ কৰিছিল-খালিচা আৰু জাগিৰ। খালিচা মাটিৰ ৰাজহটো পোনে পোনে ৰাজকোষলৈ গৈছিল, আনহাতে জাগিৰটো পদ অনুযায়ী জাগিৰদাৰসকলে ভোগ কৰিছিল। সিসকল মনচবদাৰে নগদ বেতন লাভ কৰিছিল তেওঁলোকক নক্দি (Naqdi) বোলা হৈছিল। জাগিৰবিলাক সাধাৰণতে মনচবদাৰ আৰু সাম্রাজ্যৰ শাসকীয় শ্রেণীৰ হাতত ন্যস্ত আছিল।

মোগলৰ তলতীয়া জাগিৰবোৰ তিনি বা চাৰি-বছৰৰ পিছত হস্তান্তৰ কৰিবপৰা গৈছিল আৰু কোনো জাগিৰদাৰকে দীঘলীয়া সময়ৰ কাৰণে একেটা জাগিৰতে বাহাল থকাৰ অনুমতি দিয়া নহৈছিল। জাগিৰদাৰ ব্যৱস্থাৰ এই ৰূপটোৱে জাগিৰদাৰসকলক নিয়ন্ত্রণ কৰাৰ উপৰিও তেওঁলোকৰ অঞ্চলবিলাকৰ দীর্ঘকালীন উন্নতিৰ ক্ষেত্রতো সহায় কৰিছিল।

সেই সময়ত সাধাৰণতে চাৰিধৰণৰ জাগিৰ আছিল- যিবোৰ বেতনৰ পৰিৱর্তে দিয়া হৈছিল সেইবোৰ জাগিৰ তন্খা (Jagir Tankha), যিবোৰ কিছুমান চর্তসাপেক্ষে কোনো ব্যক্তিক দিয়া হৈছিল সেইবোৰ মচ্ৰুত জাগিৰ (Mashrut Jagir), যিবোৰ স্বাধীন আছিল আৰু সেৱাৰ লগত কোনো ধৰণৰ সম্পর্ক নাছিল সেইবোৰ ইনাম জাগিৰ (Inam Jagir) আৰু যিবোৰ জমিদাৰসকলে নিজৰ গৃহভূমিত ভোগ কৰিছিল সেইবোৰ আছিল ৰতন জাগিৰ (Watan Jagir)। ইয়াৰে শেষৰটো জাগিৰ ব্যৱস্থাৰ হস্তান্তৰ কৰিব পৰা নিয়মৰ ব্যতিক্রম আছিল।

ঔৰংগজেৱৰ শাসনৰ শেষৰফালে মনচবদাৰৰ সংখ্যা বৃদ্ধি তথা মাটিৰ পৰিমাণ সীমিত হোৱাৰ লগতে প্রশাসনীয় আৰু ৰাজহ বিষয়ক বিশৃংখলৰ কাৰণে জাগিৰদাৰী ব্যৱস্থাত সংকটে দেখা দিছিল। মনচবদাৰ হিচাপে নিযুক্ত হোৱা সৰহসংখ্যকেই তেওঁলোকৰ জাগিৰ লাভ কৰাত অসুবিধা পাইছিল। জাগিৰদাৰী ব্যৱস্থাটো মোগল সাম্রাজ্যৰ কৃষি সম্বন্ধীয় সংকটৰ উল্লেখযোগ্য কাৰণবোৰৰ এটা আছিল।

আকবৰৰ আগলৈকে জাগিৰ শব্দটো চৰকাৰী নথি-পত্রত অন্তর্ভুক্ত হোৱা নাছিল, যদিও আকবৰৰ পিছৰপৰা ইয়াক-পর্যায়ক্রমে ব্যৱহাৰ কৰা হৈছিল। জাগিৰ শব্দটো ১৫৬১ চনৰ পৰা বাৰম্বাৰ পৰিৱর্তন কৰি সঘনাই ব্যৱহাৰ কৰা হৈছিল আৰু ১৫৭৫ চনত এইটো হ্রাস পাইছিল। এইটো সম্ভৱতঃ বিভিন্ন ধৰণৰ নির্দেশপত্রৰ মূল নথিপত্রত ঘনাই হোৱা পৰিৱর্তনশীল প্রশাসনীয় খেলিমেলিৰ বাবেই হৈছিল। বাবৰৰ সময়ত ৱাজহ (Wajah) আৰু আকবৰৰ শাসনৰ প্রথম চাৰিবছৰ হুকুমত (Hukumat) চৰদাৰী (Sardari), দৱাৰী (Dawari), হিৰাচত (Hirasat) আদি অস্পষ্ট শব্দ ব্যৱহাৰ কৰা হৈছিল।

ৰাজহ বিষয়ৰ দায়িত্ব আৰু প্রশাসনীয় পদবীসমূহৰ পার্থক্যটো হয়তো সম্ভৱত শ্বেৰ-শাহৰ চৰকাৰ পর্যায়ৰ (Sarkar level) সেনাপতিৰ নিযুক্তিৰ ফল আছিল। এই ব্যৱস্থাটো ইচলাম স্বাহে (Islam Shah) আগুৱাই নিছিল। তেওঁ সকলো ধৰণৰ সামৰিক কাম-কাজ নিজৰ আয়ত্বত ৰাখি নগদ বেতন দিয়াৰ চেষ্টা কৰিছিল।

উচ্চশ্রেণীৰ সম্ভ্রান্তসকলৰ জাগিৰ বিশেষকৈ তেওঁলোকৰদ্বাৰা শাসিত অঞ্চলতে অৱস্থিত আছিল। কিন্তু, এই অঞ্চল ৰাজহ দায়িত্বকৈ বহু বেছি দূৰলৈ বিয়পি আছিল।

কিছু সময়ত উচ্চ খাপৰ সেনাপতিয়ে তেওঁৰ অঞ্চলৰ ৰাজহ চম্ভালিব নে মাত্র তেওঁৰ ব্যক্তিগত জাগিৰ চম্ভালিব এই লৈ খেলিমেলিৰ সৃষ্টি হৈছিল। এনে ধৰণৰ চিন্তা-ভাবনাই আঞ্চলিক সেনাপতি আৰু কেন্দ্রীয় কর্তৃপক্ষৰ মাজত বিবাদৰ সৃষ্টি কৰিছিল।

১৫৭৫ চনমানত জাগিৰ ব্যৱস্থাৰ কিছু সালসলনি হয়। এজন সম্ভ্রান্তৰ জাগিৰ তেওঁৰ অধীনত থকা অঞ্চলৰ সংগৃহিত ৰাজহৰ এটা অংশৰ পৰিৱর্তে এটা নির্দিষ্ট প্রক্রিয়াৰ দ্বাৰা ধার্য কৰা নির্ধাৰিত উপার্জন আছিল। দ্বিতীয়তে, সম্ভ্রান্ত আৰু মুখ্য হাকিমৰ তলত সেৱা আগবঢ়াই থকাসকলৰ জাগিৰৰ মূল্য (স্থানীয় আৰু নামমাত্র) নির্ধাৰণৰ ক্ষমতা কেন্দ্রীয় দীৱানৰ হাতত ন্যস্ত আছিল।



জানি থোৱা ভাল

যৌনপুৰৰ আলি কুলি খানে (হাকিম), তেওঁৰ ভাতৃ বাহাদুৰ খানক বেনাৰস চৰকাৰ হস্তান্তৰ কৰি ইয়াক যথাৰীতি ৰজাৰ সপক্ষে বুলি প্রস্তুত কৰে। বয়াজিদ বয়াট (Bayazid Bayat এ তাজকিৰা-ই-হুমায়ুন-বা-আকবৰ (Tazkira-i-Humayan-Wa-Akbar) নামৰ গ্রন্থত উল্লেখ কৰামতে এইটোৱেই একমাত্র ব্যতিক্রমী ঘটনা আছিল য'ত ৰাজহ বিষয়ৰ সিদ্ধান্ত কেন্দ্রীয় কর্তৃপক্ষৰ আগতীয়া কর্তৃত্ব প্রদানৰ পূর্বেই গ্রহণ কৰা হৈছিল।

কেন্দ্রীয় দীৱানৰ উপস্থিতিত উচ্চ পর্যায়ৰ সম্ৰান্তসকলৰ মাজত জাগিৰবিলাকৰ বিতৰণ আৰম্ভ হৈছিল। আবুল ফজলে ১৫৬২ চনৰ মালৱাৰ নির্দেশ পত্রৰ সংক্রান্তত এই বিষয়ে জানিবলৈ দিয়ে। জাগিৰ আৰু স্থানীয় ঠাই বিশেষৰ মূল্য কেন্দ্রীয় দীৱানে জাৰী কৰা চনদৰ মতে নির্ধাৰণ কৰা হৈছিল। আৰু এই কার্য প্রণালী মানি চলাত অপাৰগতা দেখুওৱাটো এটা অপৰাধ হিচাপে গণ্য কৰা হৈছিল, যিটো গ্রহণযোগ্য নাছিল।

১৫৬০ চনলৈকে এজন সম্ৰান্তৰ জাগীৰটো দুটা বা ততোধিক পৰগণাৰ আংশিক জামা (Jama) বা নির্ধাৰিত উপার্জনৰ বিপক্ষে কেতিয়াও স্থিৰ কৰা হোৱা নাছিল। নিৰূপিত পৰগণাৰ জামা বা নির্ধাৰিত উপার্জন অন্তর্গত জাগিৰবিলাক স্থাপিত হৈছিল। আকবৰৰ শাসনৰ প্রাৰম্ভিক বছৰবোৰত বিভিন্ন অঞ্চলৰ ৰাজহৰ কেন্দ্রীয় ভাগ নির্দিষ্ট কৰি দিয়া হৈছিল, কিন্তু ৰাজহ সংগ্রহ কৰা আৰু ৰাজকোষলৈ পঠিওৱাৰ ক্ষেত্রত দায়িত্বত থকা সম্ৰান্তসকলে আত্মসাৎ হৰণ-ভগন কৰিছিল। এইটোৱেই সম্ভৱতঃ ১৫৬১ চনত ৰাজকোষ উদং হোৱাৰ কাৰণ আছিল।

শক্তিশালী জাতিৰ সম্ৰান্তসকলে তেওঁলোকৰ জাগিৰসমূহ এটা বিশেষ অঞ্চলত কেন্দ্রীভূত হৈ আছিল। বেছিভাগ জাগিৰেই একে জাতিৰ সদস্যসকলৰ মাজত যেনে- জৌনপুৰৰ উজবেকসকল, সম্বলৰ মির্জাসকল, লক্ষ্ণৌ আৰু অৱধৰ জলাইসকল, কাৰা আৰু মাণিকপুৰৰ কাকশ্বালাসকল আৰু পাঞ্জাৱৰ এট্কাসকলৰ মাজত বিতৰণ কৰা হৈছিল। এই ব্যৱস্থাটোৱে জাগিৰ হস্তান্তৰ কৰিব পৰা প্রক্রিয়াৰ ক্ষতিসাধন কৰিছিল।

১৫৬১ চন মানৰ পৰা জাগিৰ নিৰূপণৰ ক্ষেত্রত কিছুমান পৰিৱর্তনৰ সূচনা কৰা হৈছিল। বহুকেইখন পৰগণাৰ জাগিৰবিলাক খণ্ড খণ্ডকৈ নিৰূপিত কৰা হৈছিল আৰু আইন-ই-দহশ্বালাই (Ain-i-Dahsala) ই জাগিৰবিলাকৰ খণ্ডৰ সত্যতা নিৰূপণ কৰিছিল।

১২.৬ মনচবদাৰীব্যৱস্থা

মনচবদাৰী প্রথা আছিল মোগলসকলৰ সামৰিক আৰু অসামৰিক প্রশাসনৰ মূল ভেটি, যিটো আকবৰে নিজেই পাৰস্য দেশৰ পৰা অনুকৰণ কৰিছিল।

মনচব শব্দটোৱে মোগলৰ প্রশাসন ব্যৱস্থাত পদ-মর্যাদা বা পদবী গৰাকিৰ উপাধি (Mansabdar) বুজায়। এই দৃষ্টিকোণৰ পৰা মনচবদাৰসকল মোগলৰ বেতনভোগী কর্মচাৰী আছিল। যোগ্যতা বা দেশলৈ আগবঢ়োৱা সেৱাৰ ভিত্তিত সামৰিক তথা অসামৰিক দুয়োধৰণৰ বিষয়াক মনচববোৰ প্রদান কৰা হৈছিল আৰু সেয়ে তেওঁলোক মোগলৰ বিভাগীয় শাসন প্রণালীৰ অবিচ্ছেদ্য অংগ আছিল। সেয়েহে মনচবদাৰসকল সামৰিক আৰু অসামৰিক বিভাগৰ অন্তর্ভুক্ত আছিল। তেওঁলোকক সামৰিকৰ পৰা অসামৰিক বা অসামৰিকৰ পৰা সামৰিকলৈ ৰদ বদল কৰিব পৰা গৈছিল। মনচবদাৰসকলে তেওঁলোকৰ পদ অনুযায়ী ৰাজ্যক কিছু পৰিমাণে সৈন্য যোগান ধৰিব লাগিছিল। আকবৰৰ দিনত মনচবদাৰসকলক ১০ ৰ পৰা ১০, ০০০ সৈন্যৰ সেনাপতিক লৈ ৩৩ টা ভাগত বিভাজন কৰা হৈছিল। সাধাৰণতে ৭,০০০ বা তাতকৈ ওপৰৰ মনচবৰ পদসমূহ ৰাজকুমাৰসকল বা ৰাজপৰিয়ালৰ সদস্যৰ কাৰণে সংৰক্ষিত আছিল।

মনচবদাৰ উপাধিটো উচ্চ শ্রেণীৰ বিষয়াৰ কাৰণে নির্ধাৰণ কৰা হৈছিল আৰু তলৰ শ্রেণীৰ বিষয়াসকলক ৰৌজিন্দাৰ উপাধি দিয়া হৈছিল।

মনচবদাৰী প্রথাৰ দুটা চাৰিত্রিক বৈশিষ্ট আছিল। প্রথম, বহল অর্থত গোটেই মনচবদাৰ সকল ৰজাৰ তলতীয়া আছিল। অর্থাৎ, যুদ্ধৰ অভিযানসমূহত তলৰ শ্রেণীৰ মনচবদাৰে ঊর্দ্ধতন মনচবদাৰৰ কথা মানি চলিব লাগিছিল। দ্বিতীয়তে, মোগল মনচবদাৰসকলক পদমর্যাদা অনুসৰি জাট আৰু চৰাৰ (Jat and Sawar) নামেৰে জনা গৈছিল। যিসকল মনচবদাৰে ঘোঁৰা, গৰু গাড়ী, হাতী ইত্যাদিৰ হিচাপ ৰাখিছিল আৰু যত্ন লৈছিল তেওঁলোকক জাট বুলি চিহ্নিত কৰা হৈছিল। মনচবদাৰে কিমান অশ্বচালক যোগান ধৰিব বা যত্ন ল'ব, এই কামৰ তদাৰক চৰাৰে নির্ণয় কৰিছিল। চৰাৰৰ পদমর্যাদাটো হয় জাটৰ সমকক্ষ আছিল বা তলৰ আছিল। সেয়েহে মনচবদাৰৰ স্থানটো চৰাৰৰ পৰিৱর্তে জাট সংখ্যাৰ দ্বাৰা নির্ণয় কৰা হৈছিল। উদাহৰণ স্বৰূপে, ৪,০০০ জাট আৰু ২০০০ চৰাৰ থকা মনচবদাৰ ৩,০০০ জাট আৰু ৩,০০০ চৰাৰ থকা মনচবদাৰতকৈ উচ্চ পদবীৰ আছিল।

মোগলৰ তলতীয়া মনচবসকলৰ পদবীটো বংশানুক্রমিক নাছিল। এজন মনচবদাৰৰ পুত্রই উত্তৰাধিকাৰী সূত্রে তেওঁৰ পিতৃৰ পদবীটো লাভ কৰিব নোৱাৰিছিল। এনেধৰণৰ অনুদান সম্রাটৰ ইচ্ছাৰ উপৰত নির্ভৰশীল আছিল। এই ব্যৱস্থাৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য আছিল আইন জাপ্তি, যাৰ দ্বাৰা যেতিয়া এজন মনচবদাৰৰ মৃত্যু হয় তেওঁৰ সমস্ত সম্পত্তি ৰজাৰ দ্বাৰা জপ্ত কৰা হৈছিল। এই ব্যৱস্থাটোৰ সূচনা এই কাৰণেই কৰা হৈছিল যাতে মনচবদাৰসকলে ইচ্ছামতে জনসাধাৰণক শোষণ কৰিব নোৱাৰে। মনচবদাৰৰ বেতনৰ সন্দর্ভত নগদ ধন দিয়া বা এটা জাগিৰৰ প্রদান কৰা ব্যৱস্থা প্রচলিত আছিল। সাধাৰণতে, এজন মনচবদাৰে জাগিৰৰ লগত জড়িত থকা সামাজিক মর্যাদাৰ কাৰণে নগদ ধনৰ পৰিৱর্তে জাগিৰক প্রাধান্য দিছিল।

আকবৰে প্রৱর্তন কৰা মনচবদাৰী প্রথাটো মোগল সাম্রাজ্যৰ প্রশাসনিক ব্যৱস্থাৰ অদ্বিতীয় বৈশিষ্ট আছিল। কিন্তু, ই সন্দেহাতীতভাৱে এটা জটিল ব্যৱস্থা আছিল।

মনচব অধিকাৰ ভোগ কৰি থকাসকলৰ ক্রমাংক আছিল। এহাজাৰ (One Hazari) বা তাৰ ওপৰৰ স্থান অধিকাৰ কৰি থকাসকলক ওমৰাহ (Omrah) আৰু এহাজাৰৰ তলৰখিনিক মনচবদাৰ বুলি নামাংকিত কৰা হৈছিল। তেওঁলোকে প্রায় একেধৰণৰ দায়িত্ব পালন কৰিছিল। মনচবদাৰ সকলক তিনিধৰণে শ্রেণীবিভাজন কৰা হৈছিল। যদি জাট আৰু চৰাৰৰ সংখ্যা একে হয় তেনেহ'লে মনচবদাৰজন প্রথম শ্রেণীৰ অন্তর্ভুক্ত হৈছিল। যদি চৰাৰৰ সংখ্যা জাটৰ আধা হয়, মনচবদাৰজন দ্বিতীয় শ্রেণীৰ অন্তর্ভুক্ত হৈছিল। যদি চৰাৰৰ সংখ্যা জাটৰ সংখ্যাৰ আধাতকৈও কম হয় বা তেওঁৰ কোনো চৰাৰ নাথাকে তেনেহ'লে মনচবদাৰজন তৃতীয় শ্রেণীৰ অন্তর্ভুক্ত হৈছিল।

সাম্রাজ্যৰ ভিতৰত শৃংখলতা আনিবলৈ মোগল সকলে শাসকৰ কেন্দ্রীয় কর্তৃত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। মনচবদাৰী ব্যৱস্থাটো গুৰুত্বপূর্ণ হিচাপে বিবেচিত হ'বলৈ আৰম্ভ কৰিছিল যাৰ জৰিয়তে মুখিয়াল (Chieftains), কুল নেতা (Clan Leaders) আৰু অভিজাত (aris-

tocrats) সকল যিয়ে যথেষ্টসংখ্যক ক্ষমতা আৰু পদমর্যাদাৰ নেতৃত্ব দিছিল, তেওঁলোকক সম্ৰান্ত শ্রেণীত অধিষ্ঠিত কৰা হৈছিল। মনচব এজনে তেওঁতকৈ উচ্চ মনচব বা ঊৰ্দ্ধতন বিষয়াৰ পৰিৱর্তে সম্ৰাটক প্রতিবেদন দাখিল কৰিব লাগিছিল। সম্ৰাটজনে সম্ৰান্তসকলৰ বিভাগীয় কার্যালয়ত সঘনাই উপস্থিত হৈ তেওঁলোকক যথেষ্ট নিয়ন্ত্রণত ৰাখিছিল যিটোৱে সম্ৰান্তসকলকো তেওঁলোকৰ মর্যাদা বজাই ৰখাত সহায় কৰিছিল। টোগলক আৰু লোডী বংশৰ সময়ৰ নিচিনাকৈ সম্ৰান্তসকলে বংশানুক্রমিক স্বত্বত ক্ষমতা প্রতিপন্ন বা দাবী কৰিব নোৱাৰিছিল। আকবৰে এই প্রথা আঁতৰাই দিছিল আৰু এজন বিষয়াৰ পদ বা বাব তেওঁৰ মৃত্যুৰ লগে লগে শেষ হৈছিল। আনকি, মনচবদাৰ সকলক ৰাষ্ট্রীয় ক্ষমতাৰ সবলীকৰণৰ বাবে স্থানান্তৰিতও কৰা হৈছিল। মোগল ৰাজকুমাৰসকলক সম্ৰাটৰ তলতীয়া পদবী দিয়া হৈছিল। এই ব্যৱস্থাই মোগল সৈন্যত গৰিষ্ঠ সংখ্যক সৈন্য নিযুক্তিত সহায় কৰিছিল।

ই উন্নত ধৰণৰ সমৰ প্রভুসকলৰ অন্তর্ভুক্তি নিশ্চিত কৰিছিল। যিসকল সমৰ প্রভুৱে উন্নতমানৰ ঘোঁৰাৰ যোগান ধৰিছিল, তেওঁলোকক পুৰস্কাৰ আৰু উন্নত মানৰ ভৰণ পোষণ প্রদান কৰা হৈছিল।

মোগলৰ পৰোক্ষ নিযুক্তিয়ে ভাৰতীয় সামৰিক শক্তিক খামুচি ধৰিছিল যাৰ বাবে ই দুর্বল হৈ পৰিছিল। এই ব্যৱস্থাত কোনো কঠোৰ বিধি বা নিয়ন্ত্রণ নাছিল। তাৰ পৰিৱর্তে মনচবদাৰৰ সংখ্যা বাঢ়ি গৈছিল যাৰ ফলত সাম্রাজ্যখন নতুন নতুন অঞ্চললৈ সম্প্রসাৰিত হৈছিল।

যিসকল মনচবদাৰক দাক্ষিণাত্যত নিযুক্তি দিয়া হৈছিল তেওঁলোকে মাত্র ৩ বা ৪ মাহৰ কাৰণেহে জাগিৰ লাভ কৰিছিল। মনচবৰ সংখ্যা বৃদ্ধি পোৱাটো জামা বা নির্ধাৰিত উপার্জনৰ তুলনাত বহুগুণে বেছি আছিল। জাট আৰু চৰাৰৰ বেতন বহুপৰিমাণে হ্রাস কৰি পৰিস্থিতিটো চম্ভালা হৈছিল আৰু ই সামাজিক আৰু অর্থনৈতিক সমস্যা এটাৰ সৃষ্টি কৰিছিল। আকবৰে নিজৰ শাসনৰ ভেঁটি সুদৃঢ় কৰাৰ উদ্দেশ্যে হিন্দু মুখিয়াল আৰু মুছলমান সম্ৰান্তসকলৰ মাজত ব্যক্তিগত আৰু অর্ধ-আমোলা তান্ত্রিক সম্পর্কৰ সৃষ্টি কৰিছিল। আকবৰৰ তলতীয়া মনচবদাৰৰ বেছিভাগেই ভাৰতত জন্ম লাভ কৰা মুছলমানসকল, পাৰস্যসকল, তুৰাণী আৰু ৰাজপুত মুখিয়ালসকল আছিল।

একেবাৰে নিম্ন খাপৰ মনচবদাৰজন আছিল ১০ টা অশ্বাৰোহীৰ সেনাপতি আৰু উচ্চতম পর্যায়ৰ মনচবদাৰজন ১০,০০০ অশ্বাৰোহীৰ সেনাপতি আছিল। আকবৰৰ দিনত ৫,০০০ ওপৰৰ মনচবদাৰ আছিল তেওঁৰ পুত্রসকল।

জানি থোৱা ভাল

আব্দুল কাদিৰ বাদাউনী (আকবৰৰ দিনৰ এজন বিবৰণী লিখক) য়ে লিখিছিল যে মনচবদাৰৰ একোটা গোট খাছ-খাইলান (তেওঁৰ ওপৰত ব্যক্তিগতভাৱে নির্ভৰশীল লোকসকল) আৰু লগতে বর্গীৰ (Bargirs) নামৰ ভেৰোণীয়া সৈন্যৰ দ্বাৰা গঠিত আছিল।

তেওঁলোকৰ সাফল্যৰ ওপৰত ভিত্তি কৰি হয় মনচবদাৰসকলৰ পদোন্নতি বা পদাৱনতি ঘটোৱা হৈছিল। আকবৰে বিভাগীয় তালিকাৰ সূচনা কৰিছিল আৰু ৰাজকীয় পৰিদৰ্শকৰ দ্বাৰা এই তালিকাসমূহ পৰিদৰ্শন কৰাৰ ওপৰতহে বেতন নিৰ্ভৰশীল আছিল। মনচবদাৰসকলৰ মাজত ঘোঁৰা আদান-প্রদান কৰা কাৰ্যক যাতে বাধা দিব পাৰি তাৰ কাৰণে ঘোঁৰাক দাগ বা চিহ্ন দিয়া প্রথাটো বাধ্যতামূলক কৰা হৈছিল।

বেছিভাগ উচ্চ খাপৰ মনচবদাৰসকলেই চুবাবিলাকৰ গৱর্ণৰ আছিল। পুত্রবিলাকে বংশানুক্রমিকভাৱে পিতৃতকৈ তলৰ শ্রেণীৰ মনচব লাভ কৰিছিল।

ছাৰ থমাচ ৰ'য়ে (Sir Thomas Roe) উল্লেখ কৰিছে যে মনচবদাৰৰ সতি-সন্ততিসকলে উত্তৰাধিকাৰী সূত্রে সম্পত্তিৰ ক্ষুদ্র অংশ যেনে,"ঘোঁৰা, লগুৱা আৰু পশুধন" লাভ কৰিছিল। সেয়েহে মনচবদাৰৰ মৃত্যুৰ পিছত উত্তৰাধিকাৰী সূত্রে সম্পত্তি লাভ কৰাৰ পৰিৱর্তে ৰজাই বাজেয়াপ্ত কৰা প্রথাটো (Law of escheat) ৰ কাৰণে মনচবদাৰসকলক নিজৰ বাসনা পূর্ণ কৰি দুর্নীতি কৰাৰ পৰা বিৰত ৰাখিছিল যদিও এই প্রথাই তেওঁলোকৰ সীমাহীন ধন খৰচ কৰাৰ প্রৱণতাকো উৎসাহিত কৰিছিল। জে. এন. চৰকাৰৰ মতে, এই প্রথাই সভ্রান্তসকলক স্বার্থপৰ বনাইছিল আৰু তেওঁলোকৰ গুৰুত্বপূর্ণ পদবীসমূহ অক্ষত ৰখাৰ স্বার্থত প্রত্যেকটো উত্তৰাধিকাৰী যুদ্ধত বিজয়ী পক্ষত যোগ দিছিল যিহেতু তেওঁলোকৰ পদবীসমূহ ৰজাৰ ইচ্ছাৰ ওপৰত নির্ভৰ কৰিছিল।



অগ্রগতিৰ খতিয়ান

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক

প্রশ্ন নং ৭ ঃ মনচবদাৰী প্রথাত জাট শব্দই কি সূচায়?

প্রশ্ন নং ৮ ঃ জাগিৰবিলাক খণ্ড খণ্ডকৈ নিৰূপিত কৰা সত্যতা নিৰূপণ কৰিছিল.....।

প্রশ্ন নং ৯ ঃ একমাত্র হস্তান্তৰ কৰিব নোৱাৰা ধৰণৰ জাগিৰৰ নাম কি ?



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- ৰজাই সার্বভৌম ক্ষমতা লাভ কৰিছিল, কিন্তু মোগল ৰাজত্বৰ সময়ছোৱাত চৰকাৰ বিকেন্দ্রীকৰণ হৈছিল।
- সাম্রাজ্যক বিভিন্ন স্তৰত সুদক্ষ শাসক আৰু বিষয়ববীয়াসকলৰ মাজত বিভাজিত আৰু উপবিভাজিত কৰি দিয়া হৈছিল।
- জাগিৰদাৰী আৰু মনচবদাৰী ব্যৱস্থা মোগল প্রশাসনৰ দুটা এৰাব নোৱাৰা অংশ আছিল আৰু ই সামৰিক-অসামৰিক প্রশাসনিক ব্যৱস্থাৰ ভেটি গঠন কৰিছিল।



১২.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Roy, Kaushik. (2013). *Military manpower, Armies and Warfare in South Asia.* New York, USA: Taylor and Francis.

২) Chandra, Satish. (Reprint 2008). *Medieval India: From Sultanate to the Mughals, Delhi Sultanate (1206-1526) Part one.* New Delhi, India: Har-And Publication Pvt. Ltd.

৩) Prasad, Ishwari. (1965). *A Short History of Muslim Rule in India*. Allahabad, India: The Indian Press Ltd. (2nd edtion)

৪) Richards, John F. (1996).*The Mughal Empire.* Cambridge, UK : Cambridge University Press.

৫) Habib, Irfan (2000). *Agrarian system of Mughal India 1557-1707* (3rd edition). Bombay, India: Oxford University Press.



১২.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ঔৰংগজেৰ

২নং প্ৰশ্নৰ উত্তৰ ঃ তেওঁ এখন চুবাৰ অসামৰিক আৰু সামৰিক প্ৰশাসনৰ মুৰব্বী আছিল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মুটাছদ্দিয়ে বন্দৰবোৰ পৰিচালনা কৰিছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ পঞ্চায়ত

৫নং প্ৰশ্নৰ উত্তৰ ঃ হজৰতৰ বাণী

৬নং প্ৰশ্নৰ উত্তৰ ঃ চিকদাৰ

৭নং প্ৰশ্নৰ উত্তৰ ঃ যিসকল মনচবদাৰে ঘোঁৰা,গৰু গাড়ী, হাতী ইত্যাদিৰ হিচাপ ৰাখিছিল আৰু যত্ন লৈছিল তেওঁলোকক জাট বুলি চিহ্নিত কৰা হৈছিল।

৮নং প্ৰশ্নৰ উত্তৰ ঃ আইন-ই-দশ্বালাহ

৯নং প্ৰশ্নৰ উত্তৰ ঃ ৰাতন-জাগিৰ



১২.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ দীৱানৰ কৰ্তব্য কি আছিল?

প্ৰশ্ন নং ২ ঃ কাজি-ওল-কজতে কেনে ধৰণৰ গোচৰৰ মীমাংসা কৰিছিল?

প্ৰশ্ন নং ৩ ঃ মোগল প্ৰশাসনিক ব্যৱস্থাটোৰ প্ৰধান খনিকৰ কোন আছিল?

প্ৰশ্ন নং ৪ ঃ ঔৰংগজেৱৰ ৰাজত্বকালত দাক্ষিণাত্যত কিমানটা চুবা আছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ১৫০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ কোনো ধৰণৰ নিৰ্দিষ্ট লিখিত আইন নথকাত ন্যায় কি দৰে প্ৰদান কৰা হৈছিল?

প্ৰশ্ন নং ২ ঃ কি দৰে ৰাজ্যৰ ৰাজহৰ ভাগ নিৰ্ণয় কৰা হৈছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০ - ৫০০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ মোগল প্ৰাদেশিক প্ৰশাসন ব্যৱস্থাই কিদৰে কেন্দ্ৰীয় প্ৰশাসনক প্ৰতিফলিত কৰিছিল দৰ্শাওক।

প্ৰশ্ন নং ২ ঃ মোগল প্ৰশাসনীক ব্যৱস্থাৰ মুখ্য বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ জাগীৰদাৰী ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

———————

অধ্যায় ১৩ ঃ মোগল যুগৰ সমাজ আৰু অর্থনীতি

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ সামাজিক ব্যৱস্থা
- মহিলাৰ স্থান

১৩.৪ অর্থনৈতিক অৱস্থা
- কৃষি
- ব্যৱসায় বাণিজ্য

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতি খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মোগল যুগৰ সামাজিক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- মোগলৰ সমাজ ব্যৱস্থাত মহিলাৰ স্থানৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব, আৰু
- মধ্যযুগিয় ভাৰততে মোগলসকলৰ অর্থনৈতিক বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

এই অধ্যায়টিত আমি, মধ্যযুগিয় ভাৰতবর্ষত মোগলসকলৰ আর্থ-সামাজিক অৱস্থা সম্পর্কে বিশদভাৱে আলোচনা কৰিম। এয়া উল্লেখযোগ্য যে মোগল ৰাজত্বকালৰ সময়ছোৱাত শাসকসকলে উদাৰ দৃষ্টিভঙ্গী লৈছিল যাৰ ফলত সংশ্লেষণৰ প্রক্রিয়া আকবৰৰ সময়ত শীর্ষস্থান পাইছিল।

বাবৰৰ দিনৰ পৰা মোগলসকলে প্রসাৰৰ নীতি গ্রহণ কৰিছিল কিন্তু সেই সময়ত ভাৰতীয় সমাজ বৃহৎ পৰিৱর্তনৰ দিশে আগবাঢ়িছিল। নতুন ৰাজহ পদ্ধতিৰে অর্থনৈতিক আৰু কৃষি, বাণিজ্যৰ দিশতো লক্ষণীয় পৰিৱর্তন দেখা গৈছিল।

এই আটাইবোৰ দিশ এই অধ্যায়ত আলোচনা কৰা হ'ব।

১৩.৩ সামাজিক ব্যৱস্থা

- **সামাজিক বিভাজন**

মোগল যুগৰ সমাজবোৰ সামন্তবাদী প্ৰথাৰে নিয়ন্ত্ৰিত শৃংখলাৱদ্ধ সমাজ আছিল। সমাজ ব্যৱস্থাৰ মুৰব্বী আছিল ৰজা। তেঁও অপৰিসীম ক্ষমতা আৰু মৰ্যাদাৰ গৰাকী আছিল। সমাজত ৰজাৰ পাচতেই স্থান পাইছিল অভিজাত শ্ৰেণীটোৱে। তেঁওলোককো সমাজে যথেষ্ট সন্মান কৰিছিল। মোগল শাসক শ্ৰেণীটোত কেইটিমান স্বীকৃত সামাজিক দল অন্তৰ্ভুক্ত হৈ আছিল। তেঁওলোক হ'ল- টুৰাণি, ইৰাণী, আফগান, শ্বেখজাদা, ৰাজপুত ইত্যাদি। অধিকাংশ সামন্তই বিপুল সম্পত্তিৰ গৰাকী আছিল আৰু তেওঁলোকে সাধাৰণতে প্ৰাচুৰ্যভৰা জীৱন উপভোগ কৰিছিল। তেওঁলোক সাধাৰণতে অমিতব্যয়ী আছিল। সুৰাপান তেওঁলোকৰ মাজত বহুলভাৱে প্ৰচলিত আছিল। আশ্চৰ্যকৰ কথা এয়ে যে এজন সামন্তৰ মৃত্যুৰ পাছত তেওঁৰ সকলো সম্পত্তি সম্ৰাটে বাজেয়াপ্ত কৰিছিল। সেয়েহে সামন্তসকলে সঞ্চয়ৰ ওপৰত অকণো গুৰুত্ব আৰোপ কৰা নাছিল কাৰণ তেওঁলোকে নিশ্চিতভাৱে জানিছিল যে তেওঁলোকৰ মৃত্যুৰ পাছত সকলো সম্পত্তি সম্ৰাটলৈ হস্তান্তৰিত হ'ব। সামাজিক গাঁথনিটোত সামন্ত সকলৰ পিছতে আছিল মধ্যবিত্ত সকল যি অসমসত্ব ভাৱে গঠিত আছিল। মধ্যবিত্ত শ্ৰেণীটো ধনী, সদাগৰ, বিভিন্ন বৃত্তিধাৰীসকল, নিম্নবৰ্গৰ মনচবদাৰ সকল আদি বিভিন্ন ধৰণৰ লোকেৰে গঠিত। এই মধ্যবিত্ত শ্ৰেণীটোৱে আড়ম্বৰপূৰ্ণ আৰু ব্যয়বহুল জীৱন-যাপন কৰিব পৰা নাছিল। তেওঁলোকৰ সম্পত্তিসমূহ মৌজাদাৰ বা আঞ্চলিক প্ৰশাসকসকলে বলপূৰ্বক অধিগ্ৰহণ কৰিব বুলি সদায় এক সন্দেহৰ আবৰ্তত জীৱন কটাব লগা হৈছিল। সেইবাবে তেওঁলোকে পাৰ্যামানে নিজৰ সম্পত্তিসমূহ গোপনে ৰখাৰ যত্ন কৰিছিল। অৱশ্যে পশ্চিম প্ৰান্তৰ ডাঙৰ ডাঙৰ ব্যৱসায়ীসকল এই সমস্যাৰ সন্মুখীন হ'ব লগা হোৱা নাছিল। নিম্নবৰ্গৰ মনচবদাৰসকলে প্ৰভাৱশালী মনচবদাৰসকলৰ জীৱনশৈলী অনুকৰণ কৰাৰ যত্ন কৰিছিল যদিও সমগ্ৰ সমাজ ব্যৱস্থাটোত তেওঁলোকে এক বিশেষ ভূমিকা পালন কৰিব পৰা নাছিল। খেতিয়ক, বাঢ়ৈ, ক্ষুদ্ৰ ব্যৱসায়ী, দাস, দোকানী আদিৰে সমাজখনৰ নিম্নবৰ্গৰ শ্ৰেণীটো গঠিত হৈছিল। তেওঁলোকে এক কষ্টসাধ্য জীৱন ধাৰণ কৰিছিল। তেওঁলোকে সাধাৰণ জীৱন যাপন কৰিছিল আৰু তেওঁলোকৰ সম্পত্তি একেবাৰে সীমিত আছিল। মোগল সাম্ৰাজ্যৰ মুছলীমসকলৰ মাজত হজ যাত্ৰাই এক বিশেষ প্ৰধান্য লাভ কৰিছিল। মোগল সাম্ৰাজ্যৰ গোটেই বৰ্ণ ব্যৱস্থাটো জন্মসূত্ৰে নিৰূপণ কৰা হৈছিল। ইয়াত বৃত্তিৰ কোনো ভূমিকা নাছিল। প্ৰত্যেক জাতি বা বৰ্ণৰেই কিছুমান নিজস্ব নীতি-নিয়ম আছিল। সেই সময়ত দুটা বেলেগ বেলেগ বৰ্ণৰ মাজত খোৱা-লোৱা আৰু বিবাহৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল।

● পৰম্পৰা (সাজ-পাৰ আৰু খাদ্য প্ৰণালী)

মোগল সমাজ ব্যৱস্থাত পৰম্পৰাৰ এক বিশেষ ভূমিকা আছিল। হিন্দুসকলে উদ্‌যাপন কৰা গুৰুত্বপূৰ্ণ উৎসৱ সমূহৰ ভিতৰত চ'ঠী, চৎৱন, মুণ্ডন, বিদ্যাৰম্ভ, বিবাহ আৰু শ্ৰাদ্ধই আছিল প্ৰধান। চ'ঠী, সন্তান জন্মৰ ষষ্ঠ দিনা উদ্‌যাপন কৰা হৈছিল। অন্নপ্ৰসন্ন অনুষ্ঠানটোক চৎৱন হিচাপে পালন কৰা হৈছিল। চুলি খুৰুৱা কাৰ্যটোক মুণ্ডন আৰু শিক্ষাৰম্ভৰ প্ৰথম দিনটোক বিদ্যাৰম্ভ বুলি উদ্‌যাপন কৰা হৈছিল। অন্য এক উল্লেখযোগ্য কাৰ্য হ'ল বিবাহ কাৰ্য। আৰু মৃত্যুৰ পাছত শ্ৰাদ্ধ পতা হৈছিল। তেনেদৰে মুছলমানসকলেও তেওঁলোকৰ বিভিন্ন পমম্পৰাসমূহ পালন কৰিছিল, যেনে— আকিকাহ, বিচমিল্লাহ, নিকাহ আৰু ছাহলুম। সন্তান জন্মৰ পিছত আকিকাহ আৰু বিদ্যাৰম্ভৰ দিনা বিচমিল্লাহ পালন কৰা হৈছিল। নিকাহ হ'ল বিবাহ কাৰ্য, মৃত্যুৰ চল্লিশ দিনৰ দিনা ছাহলুম সম্পন্ন কৰা হৈছিল।

ৰাজ পৰিয়ালৰ লোকে আৰু পৰিষদ বৰ্গই উপাৰ্জনৰ এক বৃহৎ অংশ পোছাক-পৰিচ্ছদত খৰচ কৰিছিল। তেওঁলোকে দীঘল কোট, পাইজামা আৰু পাগুৰি বা টুপী পিন্ধিছিল আৰু কঁকালত ওলমি থকাকৈ পাটৰ চাদৰ মাৰিছিল। অভিজাতসকলে ডিঙিত মালা, কাণত অলংকাৰ আৰু ভৰিত চেণ্ডেল পিন্ধিছিল। তেওঁলোকে সাধাৰণতে হাতত তৰোৱাল লৈ ফুৰিছিল। সামাজিক মৰ্যাদাৰ লগত সংগতি ৰাখি তেওঁলোকে বিভিন্ন ধৰণৰ সাজ-পোছাক আৰু আ-অলংকাৰ পৰিধান কৰিছিল। হিন্দু পুৰুষসকলে সাধাৰণতে ধুতী আৰু মুছলমানসকলে কূৰ্তা-পায়জামা পিন্ধিছিল। হিন্দু মহিলাই শাড়ী আৰু মুছলমান মহিলাই পাইজামা বা ঘাগৰা পিন্ধি মূৰত এখন কাপোৰ লৈছিল। কম-বেছি পৰিমাণে অলংকাৰ সকলোৱে পৰিধান কৰিছিল।

বিভিন্ন অঞ্চলৰ খাদ্য প্ৰণালী একে নাছিল। হিন্দুসকল সাধাৰণতে নিৰামিষভোজী আৰু মুছলমানসকল আমিষভোজী আছিল। গাঁৱৰ সমাজত গাখীৰক এক প্ৰধান খাদ্য হিচাপে গণ্য কৰা হৈছিল।

● উৎসৱ-পাৰ্বণ

হিন্দু আৰু মুছলীম উভয়েই নিজা নিজা উৎসৱ-পাৰ্বনসমূহ পালন কৰিছিল। হিন্দুসকলৰ উল্লেখযোগ্য উৎসৱসমূহ হ'ল— হোলী, বসন্ত-পঞ্চমী, দশেৰা, দেৱালী, শিৱৰাত্ৰী আৰু সংক্ৰান্তি। ফাগুন মাহত ৰঙৰ উৎসৱ হোলী পালন কৰা হৈছিল। তেনেদৰে মাঘ মাহত বসন্তৰ আগলি বতৰা কঢ়িওৱা বসন্ত-পঞ্চমী পালন কৰা হৈছিল। দুৰ্গা উৎসৱ সকলোৱেই পালন কৰিছিল আৰু দেৱালী ব্যৱসায়ীসকলৰ মাজত বিশেষভাৱে জনপ্ৰিয় আছিল। অৱশ্যে এই উৎসৱটোৰ লগত এটা বেয়া দিশ জড়িত আছিল সেইটো হ'ল

জুৱাখেল। দেৱালীত জুৱাখেলে বিশেষ প্ৰধান্য পাইছিল। সংক্ৰান্তি আৰু পূৰ্ণিমাক শুভদিন হিচাপে গণ্য কৰা হৈছিল।

মুছলিম সকলৰ উৎসৱৰ ভিতৰত ঈদ-উজ-জোহা, ঈদ-উল-ফিটৰ, মহৰম আদি উল্লেখযোগ্য। ঈদ-উজ-জোহা ইছলামীয় কেলেণ্ডাৰৰ একেবাৰে শেষৰ মাহত পালন কৰা হয়। এই উৎসৱটো পুৰণা বছৰটোক বিদায় দিয়াৰ এটা উৎসৱ। এই উৎসৱত জীৱ-জন্তু উৎসৰ্গা কৰা হয়। ইছলামীয় কেলেণ্ডাৰৰ দশম মাহৰ প্ৰথম দিনা ইদ-উল-ফিটৰ পালন কৰা হয়। এই উৎসৱসমূহ পালনৰ সময়ত ৰাজপ্ৰাসাদ আৰু ৰাজসভা সুন্দৰকৈ সজাই বিশেষ দৰবাৰ আৰু ভোজ-ভাতৰ ব্যৱস্থা কৰা হয়। তীৰ্থযাত্ৰী আগমনৰ বিভিন্ন মন্দিৰবিলাক, যেনে— হিন্দুসকলৰ বাবে হৰিদ্বাৰ, প্ৰয়াগ, অযোধ্যা, মথুৰা, গয়া, উজ্জয়িনী আদি আৰু মুছলীমসকলৰ আজমিৰ, পানিপথ, চাৰহিন্দ আদি স্থানত বিভিন্ন সময়ত কিছুমান জাকত জিলিকা মেলাৰ আয়োজন কৰা হৈছিল।



জানি থোৱা ভাল

আকবৰে দেশৰ ঐক্য আৰু সংহতি বজাই ৰাখিবলৈ হিন্দু আৰু মুছলমানৰ মাজৰ সামাজিক বৈষম্য আঁতৰাই আন্তঃভোজন আৰু আন্তঃবিবাহ কার্যত উৎসাহ যোগাইছিল। এই উদ্দেশ্যেৰে তেওঁ হিন্দুসকলৰ হোলী, দেৱালী, দুর্গা উৎসৱ আৰু অন্য ধর্মীয় অনুষ্ঠানবিলাকত অংশ গ্ৰহণ কৰিছিল।

● মহিলাৰ স্থান

মোগল সাম্ৰাজ্যত মহিলাসকলে পৰিয়ালত এক বিশেষ মর্যাদা লাভ কৰিছিল। তেওঁলোকে এক উচ্চ মর্যাদাসম্পন্ন জীৱন-যাপন কৰিছিল। মহিলাগৰাকীৰ তত্বাৱধান আৰু দায়িত্ববোধৰ ওপৰতে পৰিয়াল এটাৰ উন্নতি বহু পৰিমাণে নির্ভৰ কৰিছিল। মুছলমানসকলৰ মাজত বহু বিবাহৰ প্ৰচলন দেখা গৈছিল। অৱশ্যে মাজে সময়ে হিন্দু-সকলেও একাধিক পত্নী গ্ৰহণ কৰিছিল। মুছলমানসকলৰ মাজত তালাক বা বিবাহ বিচ্ছেদ আৰু পুনৰ বিবাহ আদি নিত্যনৈমিত্তিক ঘটনা আছিল যদিও হিন্দুসকলৰ মাজত প্ৰচলন নাছিল। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল হ'ব যে সমাজৰ নিম্ন শ্ৰেণীৰ মহিলাসকলেহে মুকলিকৈ চলা ফুৰা কৰিছিল। হিন্দু মহিলাসকলে সাধাৰণতে ঘৰৰ পৰা ওলাই ৰাজহুৱাভাৱে চলা ফুৰা নকৰিছিল। অভ্যাস আৰু অর্থনৈতিক প্ৰয়োজনীয়তাৰ বাবে হিন্দুসকলে একবিবাহক সাধাৰণ নিয়ম কৰি লৈছিল। হিন্দুসকলৰ মাজত সতীদাহ প্ৰথাৰ বিশেষ প্ৰচলন আছিল। প্ৰায় সকলো ঠাইতে সেই সময়ত বাল্য বিবাহৰো প্ৰচলন আছিল। সতীদাহ প্ৰথা, বাল্য-বিবাহ, বহুবিবাহ, জৌহাৰ আৰু পর্দা প্ৰথাই সমাজত মহিলাসকলৰ জীৱন দুর্বিষহ কৰি তুলিছিল। অৱশ্যে সেই সমাজব্যৱস্থাৰ

মাজত নুৰজাহান, মুমতাজ মহল, জাহানাৰা, ৰৌশানাৰা, তাৰাবাই, যোধাবাই, ৰূপমতি আদি কৰি কেইবাগৰাকী বিদুষী আৰু প্ৰভাৱশালী মহিলাৰ উপস্থিতি মন কৰিবলগীয়া। এওঁলোকে সেই সময়ৰ সমাজ আৰু ৰাজনীতি উভয়তে প্ৰভাৱ পেলাইছিল। অৱশ্যে এওঁলোক যিহেতু সকলোৱেই ৰাজবংশীয় আছিল গতিকে স্বাভাৱিকতে এওঁলোকে সমাজত এক উচ্চ আসন লাভ কৰিছিল। কিন্তু সেই সময়ত সৰ্বসাধাৰণ মহিলাসকলক শিক্ষা দীক্ষাৰ পৰা বঞ্চিত কৰাৰ লগতে জীৱন ধাৰণৰ মৌলিক অধিকাৰবোৰৰ পৰাও বঞ্চিত কৰা হৈছিল। মহামতি আকবৰৰ দিনত বাল্যবিবাহ ৰোধ কৰাৰ বাবে বিবাহৰ ন্যূনতম বয়স নিৰ্ধাৰণ কৰি দিয়াৰ লগতে সতীদাহ প্ৰথা বন্ধ কৰাৰ বাবে চেষ্টা কৰা হৈছিল। তেওঁ মহিলা সকলৰ শিক্ষাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছিল। মুঠতে এই ক্ষেত্ৰত তেওঁ সংস্কাৰৰ জৰিয়তে এক নতুন দিশৰ উন্মোচন কৰিবলৈ যত্ন কৰিছিল যদিও ই সম্পূৰ্ণৰূপে সফল হোৱা নাছিল।

● বহিঃ বিভাগীয় ক্ৰিয়া

প্ৰাৰম্ভীক কালৰ মোগল সম্ৰাটসকলে বংশানুক্ৰমিক ভাৱে চলি অহা বহিঃ খেল-ধেমালিৰ প্ৰতি আকৰ্ষিত আছিল। মোগল সম্ৰাট বাবৰে তেওঁৰ অৱসৰৰ সময়ত চিকাৰ কৰি আৰু সাঁতুৰি আনন্দ উপভোগ কৰিছিল। হুমায়ুন দুৰ্দান্ত সাহসী আছিল আৰু সেইবাবে দুসাঃহসীক খেলবোৰ খেলিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাছিল। আকবৰো এজন প্ৰতাপী চিকাৰী আছিল আৰু তেওঁ নিজকে বহু সময়ত চিকাৰত ব্যস্ত ৰাখিছিল। তেওঁ এজন পাকৈত ঘোঁৰাচালকো আছিল। জীৱ-জন্তুৰ মাজত যুঁজ লগাই আনন্দ উপভোগ কৰাটো সেই সময়ৰ মোগল সম্ৰাট আৰু পৰিষদ বৰ্গৰ মাজত বিশেষ প্ৰচলন আছিল। উল্লেখযোগ্য যে প্ৰায়েই অনুষ্ঠিত কৰা হাতীযুঁজে বিদেশী পৰ্যটকসকলক বৰকৈ আকৃষ্ট কৰিছিল। সেই সময়ৰ অন্য বহিঃ বিভাগীয় খেলবোৰ হ'ল মল্লযুঁজ, প'ল, পাৰ উৰুওৱা আদি। পাৰ উৰুওৱাৰ ইমান প্ৰচলন আছিল যে দৰিদ্ৰজনেও ঘৰত কেইটামান পাৰ পুহিছিল। দবা খেল সেই সময়ত বৰ প্ৰচলন আছিল। মোগল সম্ৰাটসকলৰ দিনত মুজৰা (নৃত্য গীতৰ বৈঠক) আৰু মুচায়েৰা (কবি সম্মিলন)ৰো প্ৰচলন আছিল। কুকুৰা যুঁজ, ষাড়-গৰু যুঁজ আদি ধনী দুখীয়া সকলোৰে মাজত সমানেই জনপ্ৰিয় আছিল।



অগ্ৰগতি নিৰীক্ষণ

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়ক—

প্ৰশ্ন নং ১ ঃ মোগল শাসণৰ কালচোৱাত মধ্যবিত্ত শ্ৰেণীটো কোন লোকেৰে গঠিত আছিল?

প্ৰশ্ন নং ২ ঃ ছাহলুম কি আছিল?

প্ৰশ্ন নং ৩ঃ মোগল সম্ৰাটসকলৰ মাজত আনন্দ উপভোগ কৰাৰ কি বিশেষ প্ৰচলন আছিল?

১১.৪ অৰ্থনৈতিক অৱস্থা

আকবৰৰ মোগল ভূমি ৰাজহ ব্যৱস্থাৰ আৰ্হি প্ৰস্তুতকাৰী বুলি কোৱা হয়। আৰম্ভণিতে তেঁও শ্বেৰ শ্বাহৰ ভূমি ৰাজহ ব্যৱস্থাটো গ্ৰহণ কৰিছিল। এই ব্যৱস্থাতে প্ৰথমে কৃষিভূমি জুখি লোৱা হৈছিল। তাৰপাছত মাটিৰ উৎপাদনশীলতাৰ আধাৰত শস্য অনুসৰি খেতিয়কৰ পৰা ৰাজহ সংগ্ৰহৰ মাত্ৰা স্থিৰ কৰিবলৈ এখন কেন্দ্ৰীয় সূচী প্ৰস্তুত কৰা হৈছিল। কিন্তু বিভিন্ন পৰীক্ষা-নীতিক্ষাৰ অন্তত আকবৰে লাহে লাহে এক অধিক ফলপ্ৰসূ ব্যৱস্থা গঢ়ি তুলিছিল। তেওঁৰ পাচৰ মোগল শাসকসকলে প্ৰায় কোনো ধৰণৰ হৰণ- ভগন নকৰাকৈ এই ব্যৱস্থাটো চলাই নিছিল।

ৰাজহ ব্যৱস্থাটো পুনৰ সংগঠিত কৰিবলৈ আকবৰে প্ৰথমে মাটিবোৰৰ সম্পূৰ্ণ তথ্য সংগ্ৰহ কৰিছিল। কৃষিযোগ্য মাটিবোৰক 'বিঘা' হিচাপে জোখা হৈছিল। জুখিবলৈ এক স্বীকৃত 'গজ' (জোখৰ এটা একক) ব্যৱহাৰ কৰা হৈছিল। ইয়াক 'জৰিব' বোলা হৈছিল। মূল্যায়নৰ বাবে কৃষিযোগ্য মাটিবোৰক চাৰিটা প্ৰধান ভাগত ভগোৱা হৈছিলঃ 'পোলাজ' (অবিৰতভাৱে খেতি কৰি থকা, এবাৰো চন নপৰা মাটি), 'পাৰাউটি' (উৰ্বৰতা ঘূৰাই আনিবৰ বাবে কেতিয়াবা খেতি নকৰাকৈ এৰি থোৱা মাটি), 'চাচাৰ' (উৎপাদনশীলতা ঘূৰাই আনিবলৈ তিনি নাইবা চাৰি বছৰ চন পেলোৱা মাটি) আৰু 'বঞ্জৰ' (পাঁচ বছৰতকৈ অধিক কাল খেতি নকৰাটো পেলাই থোৱা মাটি)। প্ৰথম দুবিধ মাটিক ('পোলাজ' আৰু 'পাৰাউটি') পুনৰ তিনিটা ভাগত ভগোৱা হৈছিল- উত্তম, মধ্যম আৰু বেয়া। এই তিনিভাগ মাটিতে হোৱা উৎপাদন হিচাপ কৰি তাৰ গড় উলিওৱা হৈছিল। গড় পৰিমাণটোৰ মাটি এডোখৰৰ প্ৰকৃত উৎপাদন বুলি ধৰা হৈছিল। এই উৎপাদনৰ আধাৰতে দেশে নিজৰ ৰাজহ দাবী কৰিছিল।

ৰাষ্ট্ৰই সাধাৰণতে নগদ ধনত ৰাজহ সংগ্ৰহ কৰিছিল। চলিত দৰৰ আধাৰত ৰাজহৰ পৰিমাণ নিৰ্ধাৰণ কৰা হৈছিল। 'পোলাজ' আৰু 'পাৰাউটি' মাটিৰ পৰা ৰাষ্ট্ৰই গড় উৎপাদনৰ এক তৃতীয়াংশ ৰাজহ সংগ্ৰহ স্থিৰ কৰিছিল। 'চাচাৰ' আৰু 'বঞ্জৰ' মাটিৰ বাবে থকা ৰাজহৰ পৰিমাণ স্থিৰ নাছিল। এই ৰাজহ বছৰ বাগৰি যোৱাৰ লগে লগে বাঢ়ি গৈছিল। এই আটাইবোৰ কাৰ্য যথেষ্ট অসুচল আছিল। কাৰ্যবোৰ অত্যন্ত ব্যয়বহুলো আছিল। টোডৰমলে (ৰাজহ শিতানটো চোৱা-চিতা কৰা 'ৰজীৰ') বিগত দহ বছৰৰ গড় শস্য মূল্যৰ আধাৰত উৎপাদিত শস্যৰ বাবে নগদ ধনৰ ৰাজহ স্থিৰ কৰিছিল। নগদ ধন দিয়া প্ৰবন্ধ আছিল যদিও খেতিয়কসকলে সমমূল্যৰ বস্তুৰ ৰূপত কৰ দিব পাৰিছিল। ওপৰত উল্লেখ কৰা ৰাজহ ব্যৱস্থাটোৰ জনপ্ৰিয় নাম হ'ল 'দহ্চালা'। এই ব্যৱস্থাটো বিহাৰ, দিল্লী, এলাহাবাদ, লাহোৰ, মূলটান, আগ্ৰা, ঔধ আৰু মালৱা প্ৰদেশৰ লগতে গুজৰাটৰ কোনো কোনো অংশত প্ৰচলিত আছিল।

সিন্ধ প্ৰদেশ, কাশ্মীৰৰ কোনো কোনো অংশ আৰু কাবুলত আন এক প্ৰকাৰৰ ৰাজহ ব্যৱস্থা প্ৰচলিত আছিল। এই ব্যৱস্থাটোৰ নাম আছিল 'ঘাল্লাবক্সা' নাইবা 'বাটাই' নাইবা 'ভাওলি'। মোগল যুগত এই পৰম্পৰাগত ৰাজহ ব্যৱস্থাটোৰ প্ৰচালনা অব্যাহত আছিল। এই ব্যৱস্থা অনুসৰি খেতি নকটা অৱস্থাতে প্ৰত্যাশিত উৎপাদনৰ এক প্ৰাক্-কলন কৰা হৈছিল। খেতি চপোৱা পাচত ৰাষ্ট্ৰই ইয়াৰ এক তৃতীয়াংশ ৰাজহ হিচাপে দাবী কৰিছিল। খেতিয়কে নিজ পচন্দ অনুসৰি নগদ ধন অথবা সমমূল্যৰ শস্যৰ জৰিয়তে ৰাজহ আদায় দিব লাগিছিল। নগদী শস্যৰ ক্ষেত্ৰত ৰাষ্ট্ৰই ৰাজহ হিচাপে প্ৰধানকৈ নগদ ধন দাবী কৰিছিল।

মোগল যুগত প্ৰচলিত আন এক ৰাজহ ব্যৱস্থা আছিল 'কণকূট'। এই ব্যৱস্থাটো চতুৰ্দশ শতিকাৰ পৰাই প্ৰচলিত আছিল। এই ব্যৱস্থাত 'কণ' (শস্যদানা) সঁচাকৈ ভগোৱাৰ সলনি এটা 'কূট' (প্ৰাক্কলন) কৰা হৈছিল। খেতিপথাৰভিত্তিক পৰিদৰ্শনৰ পাচত এই প্ৰাক্কলন কৰা হৈছিল। পূৰ্বানুমান কৰা মুঠ উৎপাদিত শস্যৰ এক তৃতীয়াংশ ৰাষ্ট্ৰই ৰাজহ হিচাপে স্থিৰ কৰিছিল। নিঃসন্দেহে ই আছিল খেতিপথাৰৰ প্ৰকৃত পৰিদৰ্শন আৰু অতীত অভিজ্ঞতাৰ আধাৰত কৰা উৎপাদনৰ মোটামুটি পূৰ্বানুমান।

মোগল যুগত 'নচাক্' নামৰ আন এটা ৰাজহ সংগ্ৰহ ব্যৱস্থাৰো প্ৰচলন আছিল। এই ব্যৱস্থাত খেতিয়কসকলৰ পৰা পূৰ্বতে সংগ্ৰহ কৰা ৰাজহৰ আধাৰত এক আনুমানিক গণনা কৰা হৈছিল। এই ব্যৱস্থাত প্ৰকৃত জোখ-মাখৰ প্ৰয়োজন নাছিল। কৃষিভূমিৰ লিপিৰদ্ধ খতিয়ানৰ আধাৰত মূল্যায়ন হৈছিল। সমগ্ৰ বংগ প্ৰদেশ আৰু গুজৰাটৰ কোনো কোনো অংশত এই ব্যৱস্থাৰ বহুল প্ৰচলন আছিল।

মোগলসকলে সৰ্বধিক ডাক মাতোতাগৰাকীৰ জৰিয়তে ৰাজহ সংগ্ৰহ ব্যৱস্থাটো উঠাই দিছিল। তাৰ পৰিৱৰ্তে ৰাষ্ট্ৰৰ ৰাজহ সংগ্ৰহ কৰিবলৈ বিশেষ বিষয়াক নিযুক্তি দিয়া হৈছিল। 'দীৱান-ঈ-আলা' ই ৰাজহ বিভাগৰ মুৰব্বীৰ দায়িত্ব পালন কৰিছিল। তেওঁ ভূমি ৰাজহ নীতি পৰিচালনা কৰিছিল আৰু অন্য তলতীয়া ৰাজহ বিষয়াবোৰৰ তদাৰক কৰিছিল। 'পৰগনা' পৰ্যায়ত ৰাজহ সংগ্ৰহৰ দায়িত্ব 'আমিল'ক অৰ্পণ কৰা হৈছিল। 'আমিল'ক সহায় কৰিবলৈ বিটক্চি, ফৌটাদাৰ, কানোনগো, পাটৱাৰী আৰু মুকদ্দম পদবীৰ বিষয়াক নিযুক্তি দিয়া হৈছিল।

মোগল শাসনকালত ভূমি সংক্ৰান্তীয় নথি-পত্ৰবোৰ 'পট্টা' আৰু 'কাবুলিয়াট' নামেৰে জাৰি কৰা হৈছিল। এনে নথিত কৃষিকাৰ্যত ব্যৱহৃত মুঠ ভূমি তথা মুঠ উৎপাদনৰ পৰা ৰাষ্ট্ৰই পাবলগীয়া অংশ সম্বন্ধীয় তথ্যৰ উল্লেখ আছিল। কৃষকক 'পট্টা' বিতৰণ কৰা হৈছিল আৰু 'কাবুলিয়াট' বোৰ চৰকাৰী খতিয়ান হিচাপে ৰখা হৈছিল।

আকবৰে মোগল সাম্ৰাজ্যৰ অৰ্থনীতিক নিৰাপত্তা আৰু সুস্থিৰতা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। মোগল সাম্ৰাজ্যৰ সম্ৰাট, অভিজাত, ব্যৱসায়ী আৰু উদ্যোগপতিসকলে ব্যয়বহুল আৰু সুখ-সমৃদ্ধ জীৱন-যাপন কৰিছিল কাৰণ ৰাষ্ট্ৰৰ অধিকাংশ সম্পত্তিৰ গৰাকী আছিল এওঁলোকেই। অৱশ্যে সাধাৰণ জনতায়ো বিশেষ অভাৱৰ সন্মুখীন হ'ব লগা হোৱা নাছিল কাৰণ নিত্য ব্যৱহাৰ্য সকলো সামগ্ৰী অতি কম খৰচত পোৱা গৈছিল। কিন্তু ঔৰংগজেৱে সিংহাসণ আৰোহন কৰাৰ

লগে লগে এই সমগ্ৰ দৃশ্যপট সলনি হৈ গ'ল। তেওঁৰ শাসন কালত হোৱা কেইবাটাও বিদ্ৰোহ দেশৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাইছিল। ইয়াৰ বাহিৰেও পৰৱৰ্তী মোগল শাসকসকলৰ দিনত দেশৰ অৰ্থনীতি ইমানেই বেয়াৰ ফালে ঢাল খালে যে সাধাৰণ জনতাই নিজৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীবোৰো নোপোৱা হ'ল।

যি কি নহওঁক শিক্ষকসকল, কলাকুশলী আৰু শিল্পীসকলৰ অৱস্থা সন্তোষজনক আছিল বুলি ক'ব পাৰি। মুঠতে এই সময়ছোৱাত বিভিন্ন ধৰণৰ কৰ-কাটলৰ বোজা হোৱা আৰু ৰাজহ বিষয়াসকলৰ শোষণৰ বলি হোৱা খেতিয়কসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল। তেওঁলোক নানান ধৰণৰ কৰ দিবলৈ বাধ্য কৰোৱা হৈছিল লগতে ৰাজহ বিষয়াবোৰৰ দ্বাৰা শোষীত হৈছিল।

- **কৃষি**

মোগল সাম্ৰাজ্যৰ গৰিষ্ঠ সংখ্যক লোকৰ জীৱিকা আছিল কৃষি। সেই সময়ৰ কৃষি পদ্ধতি আৰু এতিয়াৰ কৃষি পদ্ধতি একেই আছিল। সঁচৰাচৰ উৎপাদিত খাদ্য-শস্য, যেনে— ধান, গম, বার্লি, মাহ, মটৰ আৰু তৈলবীজ আদিৰ বাহিৰেও কুঁহিয়াৰ, লিত আৰু আঁফু বা টি'ৰ খেতিও ভাৰতৰ বিভিন্ন ঠাইত কৰা হৈছিল। মোগল সাম্ৰাজ্যৰ ভাৰতবৰ্ষত অঞ্চল বিশেষে বেলেগে বেলেগে খেতি কৰা হৈছিল। মধ্যভাৰত আৰু পশ্চিম ভাৰতৰ বিভিন্ন ঠাইত কপাহৰ খেতি কৰা হৈছিল। বিহাৰ, বংগ আৰু উত্তৰ প্ৰদেশৰ বিভিন্ন ঠাইত কুঁহিয়াৰৰ খেতি কৰা হৈছিল।

উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ বিভিন্ন ঠাইত নীল খেতি কৰা হৈছিল। খেতিয়কসকলে ১২ টা শস্যৰ পৰা আন শস্য সলনী কৰি কৰি খেতি কৰিছল। লগতে নতুন শস্যৰও উৎপাদন কৰা হৈছিল। ধপাত আৰু গোম-ধান সপ্তদ্বশ শতাব্দিত প্ৰৱৰ্ত্তন কৰা হৈছিল। বহু ক্ষেত্ৰত কৃষি ভিত্তিক আহিলা-পাতি আজিৰ সময়ৰ দৰেই আছিল। আধুনিক সংজ্ঞাত জলসিঞ্চন মোগলৰ দিনৰ ভাৰতত অজান আছিল। অৱশ্যে মোগল সাম্ৰাজ্যৰ লোকসকল আধুনিক বিভিন্ন পানী যোগান পদ্ধতিৰ বিষয়ে অজ্ঞ আছিল। খেতিয়কসকলে সাধাৰণতে ওচৰত থকা কুঁৱা বা পুখুৰীৰ পৰা পথাৰবোৰলৈ পানী যোগান ধৰিছিল। নিমখ আৰু মদৰ প্ৰছলন বহুল ভাৱে হৈছিল।

- **উদ্যোগ**

মোগল যুগত কৃষিৰ বাহিৰেও ক্ষুদ্ৰ উদ্যোগবো যথেষ্ট প্ৰাধান্য আছিল। ক্ষুদ্ৰ উদ্যোগৰ ভিতৰত কপাহী কাপোৰৰ উৎপাদন আছিল বিশেষ উল্লেখনীয়। গাঁৱৰ সকলো মানুহেই হাতেৰে কাপোৰ বব জানিছিল। এই কপাহী কাপোৰৰ কাৰখানাবোৰৰ আশে -পাশে কিছুমান ৰঙৰ কাৰখানাও গঢ় লৈ উঠিছিল। আৰু এইবোৰত খৰতকীয়াভাৱে সুন্দৰ সুন্দৰ ৰং প্ৰস্তুত কৰা হৈছিল। অয্যোধ্যা আৰু খান্দেশত উচ্চমান সম্পন্ন সোণৰ গহনা তৈয়াৰ কৰা হৈছিল। ঢাকা আৰু বংগৰ কিছুমান ঠাই ৰেচম কাপোৰ, মিহি কপাহী কাপোৰ আৰু তুলী আদিৰ বাবে বিখ্যাত আছিল। এইখিনিতে কাশ্মীৰৰ উলৰ শ্বাল আৰু দলিচা বিশেষ উল্লেখনীয়। ফাটেহপুৰ চিক্ৰি, আলোৱা আৰু জৌনপুৰত ধুনীয়া দলিচা প্ৰস্তুত কৰা হৈছিল। বেৰাৰ আহমেদাবাদ, আগ্ৰা আদিত ৰঙীণ কাপোৰ প্ৰস্তুত কৰা হৈছিল। মুঠতে বিভিন্ন বস্তুৰ অধিক উৎপাদন, প্ৰস্তুতকৰণত উৎসাহ যোগাইছিল আৰু বেছিভাগ শিল্পী আৰু কলা কুশলীক ৰাজসভাত স্থান দিয়া হৈছিল। ৰাষ্ট্ৰই বহুতো কল-

কাৰখানা স্থাপন কৰিছিল আৰু এইবোৰত শ শ লোকে কৰ্মসংস্থাপন লাভ কৰিছিল। যুদ্ধৰ সা-সামগ্ৰীবোৰ দেশৰ প্ৰায় সকলো ঠাইতে প্ৰস্তুত কৰা হৈছিল। ইয়াৰ বাহিৰেও দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী, যেনে— পিতলৰ বাচন-বৰ্তন, মাটি, ইটা আদি দেশৰ সকলো ঠাইতে উৎপাদন কৰা হৈছিল। এইটো নিশ্চিত যে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰত সেই সময়ত ভাৰতবৰ্ষ স্বনিৰ্ভৰশীল আছিল।

- **ব্যৱসায় বাণিজ্য**

মোগল সাম্ৰাজ্যৰ ভাৰতবৰ্ষত ব্যৱসায় বাণিজ্যৰ বিশেষ অগ্ৰগতি পৰিলক্ষিত হয়। সেই সময়ত এছিয়া আৰু ইউৰোপৰ বিভিন্ন দেশৰ মাজত ব্যৱসায় বাণিজ্য হৈছিল। মোগল যুগৰ ভাৰতবৰ্ষৰ পণ্য সিংহল, বাৰ্মা, চীন, জাপান, নেপাল, পাচীয়া, আৰব আৰু মধ্য এছিয়াৰ মাজত মধুৰ বাণিজ্যিক সম্পৰ্ক স্থাপিত হৈছিল। পৰ্তুগীজ, ফৰাছী, ডাচ্ আৰু বৃটিছসকলে ভাৰতীয় বিভিন্ন সামগ্ৰী ইউৰোপৰ বজাৰবোৰৰ বাবে লৈ গৈছিল। ৰপ্তানীকৃত সামগ্ৰীসমূহৰ ভিতৰত কপাহী কাপোৰ, ৰেচমৰ উপৰি, নীল, কানি, মছলা, চেনি, নিমখ, হাতী দাঁতৰ বস্তু, জালুক, হালধী আদি আছিল উল্লেখনীয়। বিদেশৰ পৰা আমদানিকৃত সামগ্ৰীসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল ৰূপ আৰু অন্য ধাতু, প্ৰবাল, ৰেচমী কাপোৰ, হাতী দাঁতৰ বস্তু, মুকুতা, সুগন্ধি দ্ৰব্য, ড্ৰাগ, চীনৰ চীনা-মাটিৰ বস্তু আদি। আফ্ৰিকাৰ দাস আৰু ইউৰোপীয় মদ আকবৰ আৰু তেওঁৰ পৰিষদ বৰ্গৰ লোকে প্ৰশংসা কৰিছিল। এই আমদানীকৃত সামগ্ৰীসমূহ লাহোৰ, মুলতান, কেম্বে, চুৰাট, পাটনা, আগ্ৰা, আহমেদাবাদ আদি নগৰবোৰলৈ পঠোৱা হৈছিল।



জানি থোৱা ভাল

মোগল শাসন কালত বৰ্তমানৰ দৰে কোনো বেংক ব্যৱস্থা নাছিল। বেছিভাগ লেন-দেন, শ্বাৰফ আৰু মহাজনসকলৰ নিয়ন্ত্ৰণত আছিল আৰু এওঁলোকেই বেংকাৰৰ দৰে আছিল। তেওঁলোকেই প্ৰয়োজনত মানুহক টকা ধাৰে দিছিল আৰু প্ৰচুৰ সুদ সংগ্ৰহ কৰিছিল।

- **মুদ্ৰা**

আকবৰে সোণ (ইলাহী) আৰু ৰূপ (জলালী)ৰ নতুন মুদ্ৰাৰ প্ৰচলন কৰিছিল। প্ৰধান তামৰ মুদ্ৰা ডাম (Dam)ৰ জনপ্ৰিয় নাম আছিল পইচা (Paisa)। তেওঁ প্ৰাদেশিক টংকশালাবোৰক দায়িত্বশীল বিষয়াৰ অধীনত ৰাখিছিল।

- **অৰ্থনৈতিক ব্যৱস্থাৰ পদ্ধতি**

মোগল অৰ্থনৈতিক ব্যৱস্থাৰ এক বিশেষ উল্লেখনীয় দিশ হ'ল যে ই উৎপাদক আৰু উপভোক্তাৰ মাজত এক বিশেষ ব্যৱধান ৰাখিছিল। খেতিয়কসকল, উদ্যোগৰ কৰ্মচাৰীসকল আৰু বেপাৰী আছিল উৎপাদনকাৰী। আনহাতে উপভোক্তাসকলৰ ভিতৰত আছিল অভিজাতসকল, বৃত্তিধাৰীসকল, ধৰ্মৰ লগত বিশেষভাৱে জড়িত বিষয়াসকল আৰু দাসসকল। আন এক বৈশিষ্ট আছিল অত্যাধিক সংখ্যক বিষয়ৱবীয়াসকল আৰু লগুৱা সকল। সেই সময়ত

হিন্দু আৰু মুছলীম বহুতো ধৰ্মীয় সন্ন্যাসী প্ৰায়েই কিছুমান ব্যয়বহুল ধৰ্মীয় অনুষ্ঠান আয়োজন কৰিছিল আৰু সকলোবোৰ খৰচৰ বোজা বহন কৰিব লগা হৈছিল উৎপাদক শ্ৰেণীটোৱে। এইবোৰ অনুষ্ঠানত ৰাজভঁৰালৰ এক বৃহৎ অংশৰ ধন খৰচ হৈছিল। সেই সময়ত অভিজাত শ্ৰেণীৰ লোকে এক বৃহৎ অংশৰ ধন দৰমহা হিচাপে পাইছিল। সাধাৰণতে তেওঁলোকে সন্তানৰ বিবাহ, সুশোভিত ঘৰ নিৰ্মাণ, মৈদাম নিৰ্মাণ আদি কামত ব্যয় কৰা দেখা গৈছিল। এই বিলাসী জীৱন ধাৰণৰ মান বজাই ৰাখিবলৈ তেওঁলোকে খেতিয়কসকলৰ পৰা যিকোনো উপায়েৰে ধন সংগ্ৰহ কৰিছিল। বৃত্তিধাৰী-সকল আৰু দেশৰ কামত নিয়োজিত উচ্চ শ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ জীৱন ধাৰণৰ মান সন্তোষজনক বুলিব পাৰি। সেই সময়ত কামত দক্ষতা থকা লোকসকলে এটা ভাল জীৱন কটাবৰ বাবে পৰ্যাপ্ত পৰিমাণে অৰ্থ উপাৰ্জন কৰিব পাৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ উচ্চ মানৰ সোণৰ সামগ্ৰী ক'ত প্ৰস্তুত কৰা হৈছিল?

প্ৰশ্ন নং ৫ ঃ মোগলৰ অৰ্থনৈতিক ব্যৱস্থাৰ বাবে কোন শ্ৰেণীৰ মানুহে আটাইতকৈ অধিক ভোগ কৰিবলগীয়া হৈছিল?

প্ৰশ্ন নং ৬ ঃ মহাজনে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল?



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো যে -

- কৃষিয়েই মোগল অৰ্থনীতিৰ ৰাজহাড় স্বৰূপ আছিল আৰু শস্য উৎপাদনৰ ক্ষেত্ৰত পৰম্পৰাগত পদ্ধতিয়েই মুখ্য আছিল।
- ব্যৱসায় - বাণিজ্যই উন্নতি লাভ কৰিছিল আৰু আমদানি -ৰপ্তানিৰে বৈদেশিক ভূমিৰ সৈতে ভাৰতৰ সংযোগ স্থাপন হৈছিল।
- বিভিন্ন ভাগত সমাজখন শ্ৰেণীবিভাজিত কৰা হৈছিল আৰু সামন্তবাদৰ ভেটিত গঠন কৰা হৈছিল।



১৩.৬ অধিক জানিবলৈ

- Chandra, Satish. (Reprint, 2008). *Medieval India: From Sultanate to the Mughals Delhi Sultanate 1206-1526) Part One.* New Delhi, India: Haranand
- Habib, Irfan. (2000). *Agrarian system of Mughal India 1556-1707.* Bombay, India: Oxford University Press.

- Prasad, Iswari. (1940). *History of Medieval India*. New Delhi, India: Indian Press.



১৩.৭ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ধনী সদাগৰ, ব্যৱসায়ী ব্যক্তি আৰু কিছু সংখ্যক নিম্নবৰ্গৰ মনচবদাৰ ইয়াৰ অন্তৰ্গত আছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ মৃতকৰ চল্লিছ দিনত পালন কৰা এটা প্ৰথা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ দুঃসাহসিক ক্ৰীড়া, জন্তুৰ যুঁজ আৰু চিকাৰ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অযোধ্যা আৰু খন্দেশ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ খেতিয়কসকলৰ নাইবা উৎপাদনকাৰী শ্ৰেণীটো।

৬নং প্ৰশ্নৰ উত্তৰ ঃ বেঙ্কাৰ বা ধন ভৰালীৰ ভূমিকা।



১৩.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যোকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ঃ মোগলৰ সময়ছোৱাত কেনেধৰণৰ সমাজ আছিল?

প্ৰশ্ন নং ২ঃ ব্যৱসায়- বাণিজ্যত কোনবোৰ সামগ্ৰী ৰপ্তানি কৰা হৈছিল?

প্ৰশ্ন নং ৩ঃ চিত্ৰাঙ্কিত কাপোৰ ক'ত উৎপাদন কৰা হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যোকটো প্ৰশ্নৰ উত্তৰ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ঃ মোগলৰ সময়ছোৱাত টকা আদান-প্ৰদানৰ পদ্ধতি কি আছিল?

প্ৰশ্ন নং ২ঃ চমুটোকা লিখক—

(ক) মোগলৰ সময়ছোৱাত মহিলাৰ স্থান

(খ) মোগল আধিপত্যৰ সময়ছোৱাত বহিঃক্ৰীড়া

(গ) মোগলসকলৰ অৰ্থনৈতিক পদ্ধতি

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যোকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিকয়)

প্ৰশ্ন নং ১ঃ মোগল সময়ছোৱাত সমাজৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ২ঃ মোগলৰ সময়ছোৱাৰ কৃষিৰ উন্নয়ন সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন নং৩ঃ মোগলৰ সময়ছোৱাত মানুহৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে চমুকৈ লিখক।

———————

অধ্যায় ১৪ঃ মোগলসকলৰ পতন

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ **মোগল সাম্ৰাজ্যৰ পতনৰ কাৰণসমূহ**
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মোগল সাম্ৰাজ্য পতনৰ বিভিন্ন কাৰণসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- মোগল সাম্ৰাজ্যৰ অৱনতিত মোগল সম্ৰাটসকলৰ ব্যক্তিগত ভূমিকা সম্পর্কে আলোচনা কৰি পাৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি মোগল শাসনছোৱাৰ সমাজ আৰু অর্থনীতি সম্পর্কে আলোচনা কৰিছোঁ। সমাজখন সামন্তবাদী আছিল আৰু শাসকসকলৰ বাবে কৃষিয়েই অর্থনীতিৰ ৰাজহাড়স্বৰূপ হৈছিল। এই সময়ছোৱাত চুবুৰীয়া দেশসমূহৰ লগ লাগি ব্যৱসায়-বাণিজ্য উন্নত হৈছিল।

চৰকাৰৰ বিকেন্দ্রীকৰণ আৰু প্রশাসনে মোগল সাম্ৰাজ্যলৈ স্থিৰতা আনিছিল। কিন্তু, সেয়া বেছিদিনলৈ নিটিকিল। এই অধ্যায়ত আমি মোগল সাম্ৰাজ্যৰ পতনৰ বিভিন্ন কাৰকসমূহৰ বিষয়ে আলোচনা কৰিম। এই কাৰকসমূহ ব্যহ্যিক আৰু আভ্যন্তৰীণ দুয়োবিধেই আছিল।

১৪.৩ মোগল সাম্ৰাজ্যৰ পতনৰ কাৰণসমূহ

বাবৰে প্রতিষ্ঠা কৰা মোগলৰ বিশাল সাম্ৰাজ্য আকবৰৰ অধীনত শীর্ষাৱস্থা পাইছিল। আকবৰক অনুসৰণ কৰি জাহাঙ্গীৰ, চাহজাহান আৰু ঔৰংগজেৱে প্র ভাৱশালীতাৰে শাসন কৰিছিল আৰু মোগল সাম্ৰাজ্যৰ মহত্ত্ব অটুট ৰাখিছিল। বৃটিছসকল অহাৰ আগলৈকে তেওঁলোকে ভাৰতত

শাসন চলাইছিল। কিন্তু ঔৰংজেৱৰ শাসনকালৰ আৰম্ভণি কালছোৱাতে মোগল সাম্ৰাজ্যৰ পতনৰ ইংগিত সুস্পষ্ট ৰূপত ধৰা পৰিছিল। পৰৱৰ্তী সময়ত বৃটিছৰ সাগৰীয় শক্তিৰ উত্থানৰ সৈতে ফেৰ মাৰি নিজৰ শাসন অটুট ৰাখিবলৈ মোগল শাসকসকলে পাৰ্যমানে চেষ্টা কৰিছিল। মোগল সাম্ৰাজ্য দুৰ্বল কৰি তোলাত বৃটিছৰ লগতে ফৰাছীসকলৰো অৱদান আছে। অৱশেষত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতত মোগল সাম্ৰাজ্যৰ পতন ঘটিছিল আৰু ভাৰতত ঔপনিৱেশিক শাসনৰ নতুন যুগ আৰম্ভ হৈছিল। দুশ বছৰ জুৰি মোগলসকলে ভৰতবৰ্ষত নিজৰ আধিপত্য চলাইছিল। কিন্তু বিভিন্ন কাৰকে মোগল সাম্ৰাজ্যক পতনৰ মুখলৈ ঠেলি দিলে।

মোগল সাম্ৰাজ্যৰ পতনৰ কাৰকসমূহ তলত আলোচনা কৰা হ'ল ঃ

(ক) স্বৈৰতান্ত্ৰিক শাসন ঃ মোগল চৰকাৰ আছিল এক কেন্দ্ৰীভূত স্বৈৰাচাৰী চৰকাৰ। এনে এক ব্যৱস্থাত সকলো সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিছিল শাসনাত্বিষ্ঠ ৰজাৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ ওপৰত। ইয়াৰ ফলত যেতিয়ালৈকে ৰজাজন ক্ষমতাৰ প্ৰয়োগ আৰু পৰিচালনা কৰিব পৰা অৱস্থানত আছিল, দেশখন সুচাৰুৰূপত পৰিচালিত হৈছিল, কিন্তু ৰজাৰ সামান্য অৱহেলাই ভীষণ বিশৃংখলতা আৰু বিভ্ৰান্তিৰ উৎপত্তি কৰিছিল। প্ৰথম ছয়জন মোগল সম্ৰাট আছিল সামৰ্থবান আৰু শক্তিশালী ব্যক্তিত্বৰ লোক। কিন্তু ঔৰংজেৱৰ উত্তৰাধিকাৰী ক্ৰমে প্ৰথম বাহাদুৰ শ্বাহৰ পৰা দ্বিতীয় বাহাদুৰ শ্বাহলৈকে সকলো আছিল অকৰ্মণ্য। যাৰ ফলত চৰকাৰৰ কাম-কাজৰ দায়িত্ব অসৎ, দুৰ্নীতিপৰায়ণ মন্ত্ৰীসকলৰ হাতলৈ যায়। অৱধাৰিতভাৱেই ইয়াৰ ফলত শত্ৰুতা, ষড়যন্ত্ৰ আৰু দুৰ্নীতিৰ উদ্ভৱ হয় যাৰ ফলত প্ৰশাসনত বিশৃংখলতাৰ সৃষ্টি হয়। এইদৰে মোগল সাম্ৰাজ্যৰ বুনিয়াদ দুৰ্বল হৈ পৰে।

(খ) সৈন্যবাহিনীৰ অৱনতি ঃ মোগল সাম্ৰাজ্যৰ পতনৰ এটা প্ৰধান কাৰণ আছিল মোগল সৈন্যবাহিনীৰ অৱনতি। মোগল সৈন্যবাহিনীৰ গঠনৰ প্ৰক্ৰিয়া আৰু উৎসৰ পৰাই আছিল ই ত্ৰুটিপূৰ্ণ। মোগল সৈন্যবাহিনী মুখ্যতঃ উচ্চ বিষয়াসকল আৰু অভিজাত শ্ৰেণীৰ দ্বাৰা নিযুক্ত গোটৰ সমষ্টি আছিল। এই গোটসমূহৰ তত্ত্বাৱধানৰ বাবে তেওঁলোকৰ হাতত দেশৰ একোটা বৃহৎ অঞ্চলৰ ৰাজহ অৰ্পণ কৰা হৈছিল। সম্ৰাট আৰু সাধাৰণ এজন সৈন্যৰ মাজত কোনোধৰণৰ সম্পৰ্ক নাছিল। পিছৰ পৰ্যায়ৰ মোগল সম্ৰাটসকলৰ দুৰ্বলতাৰ সুবিধা গ্ৰহণ কৰি উচ্চ অভিজাত শ্ৰেণীৰ বৰ্গই সৈন্যবাহিনীৰ তত্ত্বাৱধানৰ বাবে তেওঁলোকৰ হাতত অৰ্পণ কৰা অঞ্চলসমূহক বংশগত সম্পত্তিলৈ ৰূপান্তৰিত কৰিবলৈ আৰম্ভ কৰে। সৈন্যবাহিনীৰ এই দুৰ্বলতাই মোগল সাম্ৰাজ্যৰ ধ্বংসত অৰিহণা যোগায়।

(c) উত্তৰাধিকাৰৰ বাবে এক সংজ্ঞাবদ্ধ স্পষ্ট আইনৰ অনুপস্থিতি ঃ মোগলসকলৰ অধিনত ৰাজ-উত্তৰাধিকাৰৰ নিৰ্বাচনৰ বাবে কোনো আইন নাছিল। প্ৰত্যেকজন ৰজাৰ মৃত্যুৰ পিছতে উত্তৰাধিকাৰৰ বাবে সংঘাতৰ সূত্ৰপাত হৈছিল। ৰাজপাট লাভৰ বাবে

হোৱা এনে ভাতৃঘাতী সংঘাতে চৰকাৰৰ সুস্থিৰতাৰ ওপৰত অতি হ্ৰাসকাৰী মনোবল প্ৰভাৱ পেলাইছিল। ৰাজপ্ৰাসাদ আৰু ৰাজসভা, ষড়যন্ত্ৰ আৰু অভিসন্ধিমূলক আঁচনিৰ কেন্দ্ৰ হৈ উঠিছিল। এই সময়ছোৱাত সৰ্বত্ৰ বিভ্ৰান্তিকৰ পৰিস্থিতি বিৰাজ কৰিছিল। প্ৰাদেশিক চৰকাৰসমূহ স্বতন্ত্ৰ হৈ পৰিছিল। ইয়াৰ ফলত অৰ্থহানি আৰু মানৱ শক্তি হেৰুৱাই প্ৰত্যেকজন নতুন মোগল শাসকেই ৰাজপাট আৰোহণ কৰাৰ পাছত এক নতুন আৰম্ভণি ঘটাব লগাত পৰিছিল।

(গ) **অভিজাত শ্ৰেণীৰ অৱনতি ঃ** শাসক শ্ৰেণীৰ অধঃপতনে উচ্চ পদবীধাৰী অভিজাত শ্ৰেণীৰ লোকসকলৰো অধঃপতন ঘটাইছিল। প্ৰাৰম্ভিক মোগল শাসকসকলৰ সময়ত এই অভিজাত শ্ৰেণীবৰ্গই যুদ্ধ আৰু শান্তি স্থাপন উভয় দিশতে নিজৰ বিশিষ্টতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকে ইয়াৰ উপৰি প্ৰয়োজনীয় প্ৰশাসনিক কাৰ্যাৱলীও সম্পাদন কৰিছিল। মোগল সম্ৰাট আকবৰ, জাহাঙ্গীৰ আৰু চাহজাহানৰ সময়ৰ ভাৰতবৰ্ষৰ ইতিহাস ৰৈৰাম খান, মুনিম খান, মুজাফৰ খান, ইতিমাদ-উদ-দৌল্লা, মাহাবত খান, আছফ খান, ছাদুল্লা খান, আদি অভিজাত শ্ৰেণীৰ লোকৰেই ৰচনা আছিল। কিন্তু পিছৰ পৰ্যায়ৰ মোগল সম্ৰাটসকলৰ ক্ষমতাৰ অধঃপতনৰ ফলত এই অভিজাত শ্ৰেণীবৰ্গৰো চৰিত্ৰৰ অধঃপতন আৰম্ভ হয়। মনচবদাৰ আৰু পাছৰ সময়ৰ অভিজাত শ্ৰেণীৰ লোকসকলে চৰকাৰক প্ৰৱঞ্চনা কৰাৰ কোনো সুযোগ এৰা নাছিল। তদুপৰি, এই অভিজাত শ্ৰেণীৰ কিছুমান ভাগত, যেনে— ইৰাণী, তু�ৰাণী আদিত বিভক্ত হৈ পৰিছিল। এই লোকসকলে এজনে আনজনৰ সৈতে ব্যক্তিগত কৰ্তৃত্ব লাভৰ বাবে সংঘাতত লিপ্ত হৈছিল। নাদিৰ শ্বাহৰ আক্ৰমণৰ সময়ত চাদাত খান নামৰ ইৰাণী উচ্চবৰ্গৰ লোকজনে নিজৰ গৰাকীৰ সৈতে বিশ্বাসঘাতকতা কৰে। এইদৰেই মোগল সাম্ৰাজ্য ধ্বংসৰ বাবে অভিজাত শ্ৰেণীৰ লোকসকলৰ অৱনতি জগৰীয়া আছিল। ৰাষ্ট্ৰ শাসন ব্যৱস্থাটো বংশানুক্ৰমিক হৈ পৰাৰ লগে লগে সাহসী তথা সমৰ্থ লোকৰ পদোন্নতিৰ সুযোগ নাইকিয়া হৈছিল। কিছুমান অভিজাত ব্যক্তিসকল বিলাসী জীৱনত অভ্যস্ত হৈ পৰিছিল। ফলত দেশত এক শ্ৰেণীৰ দুৰ্নীতিপৰায়ণ বিষয়াৰ সৃষ্টি হৈছিল।



জানি থোৱা ভাল

পিছৰ পৰ্যায়ৰ মোগল শাসকসকলৰ সময়ত ৰাজসভাৰ উচ্চবৰ্গৰ অভিজাত লোকসকল দুটা প্ৰধান দলত বিভক্ত হৈ পৰিছিল যথাক্ৰমে তুৰাণী বা মধ্য এছিয়াৰ গোট আৰু ইৰাণী বা পাৰস্য গোট। তুৰাণীসকল চুন্নী আছিল, আনহাতে ইৰাণীসকল 'ছিয়া' মতাৱলম্বী আছিল।

(ঘ) অর্থনৈতিক দেৱলীয়াপন ঃ মোগল সাম্ৰাজ্যৰ ধ্বংসৰ অন্য এটা কাৰক হিচাপে নিশ্চিত-ভাৱে ইয়াৰ অর্থনৈতিক দেৱলীয়াপনক আৰোপ কৰিব পাৰি। আকবৰে অত্যুত্তম বিত্তীয় ব্যৱস্থা প্ৰতিষ্ঠা কৰিছিল, যাৰ ফলত চৰকাৰ ঐশ্বৰ্যশালী হৈ আহিছিল আৰু সৰ্বসাধাৰণ লোকে কিছু পৰিমাণে আৰামদায়ক জীৱন নিৰ্বাহ কৰিব সক্ষম হৈছিল। আকবৰৰ উত্তৰাধিকাৰীসকলৰ সময়ত এই ব্যৱস্থাৰ অৱনতি ঘটিবলৈ ধৰে। আকবৰৰ ৰাজহ প্ৰণালী ব্যৱস্থাই যি প্ৰত্যক্ষভাৱে খেতিয়কৰ সৈতে জড়িত আছিল, তেওঁৰ পুত্ৰ আৰু নাতিয়েকৰ শাসনৰ সময়ত অপ্ৰচলিত হৈ পৰে। পিছৰ পৰ্যায়ত মোগল শাসকসকলে অৰ্থহীন উৎপাদনক্ষমতাহীন কাৰ্যকলাপত বৃহৎ পৰিমাণৰ অর্থ ব্যয় কৰিছিল। চাহজাহানৰ সময়ত ৰাজদৰবাৰ সৌষ্ঠৱ ৰক্ষাৰ বাবে আৰু লগতে নিৰ্মাণ কাৰ্যত অর্থ ব্যয় কৰা হৈছিল। চাহজাহানে ৰাজহৰ চৰকাৰী দাবীৰ মাত্ৰা বঢ়াই খেতিমাটিৰ সৰ্বমুঠ উৎপাদনৰ অর্ধাংশ কৰে। এনেধৰণৰ অতিমাত্ৰা চাপৰ ফলত খেতিয়কসকলে তেওঁলোকৰ খেতিপথাৰ ত্যাগ কৰিব আৰম্ভ কৰে। যি খেতিয়কসকল ৰৈ গৈছিল, বলপূৰ্বকভাৱে তেওঁলোকক কৃষিকাৰ্য চলাই নিবলৈ বাধ্য কৰা হৈছিল। ঔৰংগজেৱৰ শাসনকালত ধনভঁৰাল শূন্য হৈ উঠে। তেওঁৰ দীঘলীয়া দাক্ষিণাত্য অভিযানেও মোগলসকলৰ আবদালিৰ আক্ৰমণৰ ফলতো মোগল অর্থনীতিয়ে এক গুৰুত্বৰ বিপর্যয়ৰ সন্মুখীন হয়।

(ঙ) ঔৰংগজেৱৰ ধর্মীয় নীতি ঃ ঔৰংগজেৱৰ ধর্মীয় নীতিও বহু পৰিমাণে মোগল সাম্ৰাজ্যৰ ধ্বংসৰ কাৰণ আছিল। দেশৰ সংখ্যাগৰিষ্ঠ নাগৰিক, হিন্দুসকলক ধর্মীয় উৎপীড়ন কৰাৰ দৰে অদূৰদর্শী আঁচনি গ্ৰহণ কৰি, ঔৰংগজেৱে তেওঁৰ বংশৰ পতন খৰতকীয়া কৰি তুলিছিল। আকবৰে ধর্মীয় সহনশীল নীতিৰ দ্বাৰা হিন্দুসকলৰ বিশ্বাস জয় কৰিবলৈ সমর্থ হৈছিল। আকবৰে যুঁজাৰু হিন্দু গোষ্ঠীসমূহক প্ৰধানকৈ ৰাজপুতসকলক তেওঁৰ ৰাজপাটৰ বিশ্বস্ত ৰক্ষক হিচাপে মকৰল কৰিছিল। কিন্তু ঔৰংগজেৱৰ অসহিষ্ণুতা আৰু দায়িত্বহীন-ভাৱে কৰা হিন্দু মন্দিৰৰ ধ্বংস কার্যই বৃহৎ সংখ্যক সংখ্যাগৰিষ্ঠ হিন্দুক নিশ্চিতভাৱে বিৰোধী কৰি তোলে। তেওঁ ঘৃণনীয় জিজিয়া কৰ পুনৰবাৰ হিন্দু নাগৰিকৰ ক্ষেত্ৰত বলৱৎ কৰে। ফলস্বৰূপে ৰাজপুত, শিখ, জাট আৰু মাৰাঠাসকল মোগল শাসনৰ বিৰুদ্ধে জাগ্ৰত হৈ উঠে। তেওঁ ৰাজপুতসকলক অবিশ্বাস কৰিছিল যাৰফলত ৰাজপুতসকল, যিসকলৰ সাহস আৰু আনুগত্যতা আছিল মোগল সাম্ৰাজ্যৰ সর্বশক্তিশালী সাৰথি, বিনয়ী সেৱাৰ পৰা নিজকে বঞ্চিত কৰে। ইয়াৰ উপৰি ঔৰংগজেৱে হিন্দুসকলক বিৰুদ্ধেতা কৰা দৰেই সমান তিক্ততাৰে 'ছিয়া' সকলৰো বিৰুদ্ধাচৰণ কৰিছিল। ঔৰংগজেৱে একমাত্ৰ চৰকাৰী নিয়োগৰ ক্ষেত্ৰতে 'ছিয়া'সকলৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ কৰা নাছিল, তেওঁ আনকি ছিয়াসকলৰ শিক্ষা, তেওঁলোকৰ বিদ্যালয়সমূহ আৰু ধর্মীয় চর্চাও বন্ধ কৰিবলৈ চেষ্টা কৰিছিল। ঔৰংজেৱে কৰা আন এক গুৰুতৰ ভুল আছিল শিখ গুৰু টেগ বাহাদুৰৰ প্ৰাণদণ্ড। এই কথাই শিখসকলক উত্তেজিত কৰি তুলিছিল। অর্থাৎ, ঔৰংজেৱৰ ধর্মীয় নীতিয়ে হিন্দুসকলক বিচ্ছিন্ন কৰি

পেলাইছিল আৰু এই কথাই মোগল সাম্ৰাজ্যক পতনৰ দিশে দ্ৰুত গতিৰে আগবঢ়াই নিছিল।



জানি থোৱা ভাল

শিখসকলে গুৰু গোবিন্দ সিংহৰ নেতৃত্বত মোগলসকলৰ বিৰুদ্ধে প্ৰতিশোধৰ অঙ্গীকাৰ গ্ৰহণ কৰিছিল। ইয়াৰ কাৰণ আছিল সম্ৰাট ঔৰংজেৱৰ দ্বাৰা নৱম শিখ গুৰু টেগ বাহাদুৰক নিষ্ঠুৰভাৱে হত্যা কৰিছিল। তেওঁ বিখ্যাত খালচা পন্থা স্থাপন কৰি তেওঁৰ অনুগামীসকলৰ এক সংগ্ৰামী সম্প্ৰদায়লৈ ৰূপান্তৰিত কৰিছিল, যি মোগল সাম্ৰাজ্যৰ পতনৰ এক শক্তিশালী কাৰণ আছিল।

(চ) জাগিৰদাৰী আৰু মনচবদাৰী পদ্ধতিৰ সংকটাৱস্থা

ইয়াৰ আগৰ অধ্যায়ত (অধ্যায় **১৩**) আমি মোগলসকলৰ অধীনত জাগিৰদাৰী পদ্ধতিৰ বিষয়ে আলোচনা কৰিছোঁ। যিটো মধ্যযুগৰ ভৰতবৰ্ষৰ অৰ্থনৈতিক আৰু সামাজিক গাঁথনিত সংলগ্ন আছিল। মোগলসকল খুদ-কাষ্ট (শক্তিশালী খেতিয়ক যিয়ে জন্মসূত্ৰে মাটিৰ অধিকাৰ পাইছিল), জমিৰদাৰ আৰু জাগিৰদাৰসকলৰ ওপৰত অতিপাত নিৰ্ভৰশীল আছিল। যদিওবা শাসকসকলে সেই দলবোৰৰ শক্তি নিয়ন্ত্ৰণ কৰিবলৈ বিচাৰিছিল, তেওঁলোকৰ প্ৰচেষ্টাই কাম নিদিলে, বৰঞ্চ কিছুমান নতুন সংকটে দেখা দিলে। মোগল সাম্ৰাজ্য অৱনতিৰ অন্যতম কাৰক জাগিৰদাৰী পদ্ধতিৰ উল্লেখযোগ্য দিশ কিছুমান হ'ল—

- অভিজ্যত শ্ৰেণীৰ আয়তন বৃদ্ধি হৈছিল। তাৰেই কিছুমানলোক আছিল, মধ্য এছিয়াৰ পৰা সোঁত প্ৰৱাহিত হোৱা সুযোগকাৰী সৈন্যৰ দল, খানাজাদসকল (মনচবসকলৰ পুত্ৰ আৰু সম্পৰ্কীয়), শ্বেইখজাদাসকল (ধৰ্মীয় নেতাসকলৰ পুত্ৰ) আৰু অন্যবিলাক আছিল শাসকৰ পৰা নিযুক্তি বিচাৰি অহা লোকসকল ।
- সামাজিক বিশেষ ক্ষমতাত মনচবসকল পৰিলক্ষিত হোৱাৰ দৰে বিভিন্ন গোষ্ঠীৰ উৎপত্তিও অন্য এক সংকট আছিল।
- মোগলসকলৰ ৰাজত্বকালত পৰ্যাপ্ত ৰাজহ উৎস নাছিল আৰু মোগল শাসকসকলে ভূমিসম্বন্ধীয় সম্পৰ্কৰ আমূল পৰিৱৰ্তনত অনিচ্ছুকতাই এই অসাফল্যৰ কাৰণ আইছল। তেওঁলোক জমিদাৰ, খুদ কাষ্ট খেতিয়ক আৰু জাগিৰদাৰসকলক সন্তুষ্ট কৰাতেই অহৰহ ব্যস্ত আছিল।
- ঔৰংগজেৱৰ শাসন কালছোৱাত এই সংকটে উচ্চ সীমা পাইছিল, কাৰণ তেওঁ নতুন আবেদনকাৰীসকলক জাগিৰ প্ৰদান কৰাৰ আপিল নাকচ কৰিছিল।
- সংৰক্ষিত ভূমি অথবা খালিচাৰ সীমা নিৰ্ধাৰণ কৰা প্ৰথাটোৰে সমস্যাৰ সৃষ্টি কৰিছিল। মনচবদাৰসকলে জোৰ তলৰ জাগিৰ বলবৎ কৰিছল য'ত ৰাজহ কৰ উঠোৱাটো কঠিন আছিল। আনকি যেতিয়া কোনো উৎপাদন হোৱা নাছিল তেতিয়া মনচবদাৰসকলৰ পৰা কৰ পৰিশোধ কৰিছিল।

- জাগিৰদাৰী পদ্ধতিৰ প্ৰধান সংকট আছিল আইন- কানুন ৰক্ষা কৰাত ইয়াৰ অসফলতা আৰু ৰাজ কৰ সংগ্ৰহ কৰাত অসমৰ্থতা। জাগিৰদাৰীসকলৰ সঘনে স্থান পৰিৱৰ্তন হ্ৰাস হোৱা আৰু ক্ষমতাশালী জাগিৰদাৰ আৰু মনচবদাৰসকলৰ ওপৰত কোনো প্ৰশাসনিক নিৰীক্ষণ নথকাটোৱেও মোগল সাম্ৰাজ্যৰ পতনত অৰিহণা যোগাইছে।

(ছ) ঔৰংগজেৱৰ দাক্ষিণাত্য নীতি ঃ ঔৰংজেৱৰ দাক্ষিণাত্য নীতিয়ে মোগল সাম্ৰাজ্যক এক মৃত্যুমুখী আঘাত হানে। তেওঁৰ দাক্ষিণাত্য নীতিৰ ফলত সুদক্ষ সেনাবাহিনী ধ্বংস হৈছিল আৰু মোগল সাম্ৰাজ্যৰ গৌৰৱক দুৰ্বল কৰি তুলিছিল, যি প্ৰধানকৈ তেওঁৰ ব্যক্তিগত তদাৰকৰ ওপৰত নিৰ্ভৰশীল আছিল। তেওঁৰ উদ্দেশ্য আছিল মাৰাঠান শক্তিক তেওঁৰ অধিনলৈ অনা। ঔৰংজেৱে ১৬৮৬ চনত বীজাপুৰ আৰু ১৬৮৭ চনত গোলকুণ্ডাৰ শিয়া ৰাজ্য ধ্বংস কৰিছিল। একে সময়তে তেওঁ মাৰাঠাসকলৰ বিৰুদ্ধে দীঘলীয়া যুদ্ধৰ সূচনা কৰিছিল। মাৰাঠা শক্তিৰ বিৰুদ্ধে চলা- যুদ্ধখনত মোগলসকলৰ বিত্তীয় শক্তি ধ্বংস হৈছিল আৰু ঔৰংজেৱৰ মান-মৰ্যাদা লাঘৱ হৈছিল। ইয়াৰ উপৰি দেশৰ ৰাজধানীত তেওঁৰ দীৰ্ঘদিনীয়া অনুপস্থিতিৰ ফলত চৰকাৰৰ ভেটি দুৰ্বল হৈ পৰিছিল। কাৰণ এই ভেটিৰ আধাৰ আছিল সূক্ষ্ম ব্যক্তিগত নিৰীক্ষণ। প্ৰাদেশি শাসনকৰ্তাসকলে সম্ৰাটৰ অনুপস্থিতিৰ সুযোগ লৈছিল। কিছুমানে নিয়মীয়া ৰাজহ আদায় দিয়া বন্ধ কৰিছিল আৰু কিছুমানে স্বাধীনতা ঘোষণা কৰিছিল।

ভি.এ. স্মিথে অৱস্থাৰ সঠিক মূল্যায়ন কৰি কৈছিল যে ডেক্কান অঞ্চলটোৱে ঔৰংজেৱৰ মান-মৰ্যাদা আৰু শৰীৰ দুয়োটাকে কবৰস্থ কৰিছিল।

(জ) সাম্ৰাজ্যৰ বিশালতা ঃ ঔৰংজেৱৰ সময়ত মোগল সাম্ৰাজ্য ইমান বিশালকাৰ হৈ উঠিছিল যে বাস্তৱিকতে সেই সময়ৰ মধ্যযুগীয় পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰে মাত্ৰ এটা কেন্দ্ৰৰ পৰা ইয়াক শাসন কৰাটো কঠিন হৈ পৰিছিল। সীমান্তৱৰ্তী প্ৰদেশসমূহ পৰিচালনা কৰাটো কঠিন হৈ উঠিছিল। ফলস্বৰূপে এই প্ৰদেশসমূহ যে প্ৰশাসনীয় বিশৃংখলতাত ভুগিছিল; এই কথা সোতৰশ আৰু ওঠৰশ শাতিকাত ভাৰতলৈ আগমণ ঘটা ইউৰোপীয় পৰিব্ৰাজকসকলৰ প্ৰামাণ্যৰ পৰা জানিব পাৰি। পিছৰ পৰ্যায়ৰ মোগলসকলৰ সময়ত প্ৰদেশসমূহত কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণ দুৰ্বল হৈ পৰে। ইয়াৰ ফলত ভাঙোনমুখী শক্তিসমূহ দ্ৰুত গতিত আগবাঢ়ে।

(ঝ) স্বাধীন ৰাজ্যৰ উত্থান ঃ পিছৰ পৰ্যায়ৰ মোগলসকলৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি উচ্চাকাংক্ষী প্ৰাদেশিক শাসনকৰ্তাসকলে তেওঁলোকৰ স্বাধীনতা সাব্যস্ত কৰে। মহম্মদ শ্বাহৰ ৰাজত্বকালত, দাক্ষিণাত্যত নিজাম উল মুলক ছয়খন চুবাত নিজকে স্বাধীন শাসক ৰূপে প্ৰতিষ্ঠা কৰে। চাদত খানে অৱধত স্বাধীন ৰাজ্য প্ৰতিষ্ঠা কৰে । বংগত আলি বৰ্দি খান স্বাধীন হৈ উঠে। এই সময়ছোৱাৰ পূৰ্বতেই মাৰাঠাসকলে তেওঁলোকৰ স্বাধীনতা সাব্যস্ত কৰে। মোগল প্ৰদেশ মালৱা, গুজৰাট আৰু বুন্দেলখণ্ডত তেওঁলোকৰ কৰ্তৃত্ব স্থাপন কৰে আৰু সমগ্ৰ দেশকে নিজৰ অধীনলৈ আনিব চেষ্টা কৰে।

(ঞ) ইষ্ট-ইণ্ডিয়া কোম্পানীৰ উত্থান ঃ ইষ্ট ইণ্ডিয়া কোম্পানীৰ উত্থানে মোগল সাম্ৰাজ্যত এক আঘাত হানে। সামৰিক কৌশল আৰু অস্ত্ৰৰ দিশত সময়ৰ সৈতে তাল মিলাই চলিবলৈ অসমৰ্থ হয়। ইংৰাজসকল অত্যাধুনিক অস্ত্ৰ শস্ত্ৰ, যুদ্ধকৌশলৰ নতুন ব্যৱস্থা আৰু শৃংখলাবদ্ধতাৰ দ্বাৰা ভাৰতৰ সৰ্বোচ্চ শক্তিত পৰিণত হৈ উঠে। তদুপৰি জলস্থলত ইংৰাজ নৌবাহিনী আছিল বৰ শক্তিশালী, মোগলসকলে তেওঁলোকৰ সাগৰীয় শক্তিক শক্তিশালী কৰাৰ দিশত গুৰুত্ব দিয়া নাছিল। এইদৰে ভাৰতবৰ্ষত ইংৰাজ শক্তিৰ উত্থান, মোগল সাম্ৰাজ্যৰ পতনৰ অন্যতম মুখ্য কাৰণ আছিল।

(ট) শাসক আৰু শাসিতৰ মাজৰ ব্যৱধান ঃ সমগ্ৰ মোগল শাসনকালত শাসক আৰু শাসিতৰ মাজত এক ব্যৱধান আছিল। আকবৰে এই ব্যৱধান আঁতৰাবলৈ এক প্ৰয়াস কৰিছিল। কিন্তু তেওঁৰ মৃত্যুৰ পিছত এই ব্যৱধান আৰু বিস্তাৰ হৈ উঠে। ইয়াৰ ফলস্বৰূপে এখন ৰাজ্যৰ সুস্থিৰতাৰ বাবে প্ৰয়োজনীয় নাগৰিকৰ জনপ্ৰিয় সমৰ্থন মোগল সাম্ৰাজ্যই অন্তিম দিনবোৰত হেৰুৱাই পেলাইছিল।

(ঠ) বাহ্যিক কাৰণসমূহ ঃ নাদিৰ শ্বাহ আৰু আহমেদ শ্বাহ আবদালিৰ দ্বাৰা হোৱা বহিঃ আক্ৰমণে মোগল সাম্ৰাজ্যৰ অৱশিষ্ট শক্তিও ধ্বংস কৰি পেলায়।

মহম্মদ শ্বাহৰ সময় চোৱাত নাদিৰ শ্বাহে মোগল সাম্ৰাজ্যৰ ক্ষমতা, ঐশ্বৰ্য আৰু গৌৰৱ; মেৰামতি কৰিব নোৱাৰাকৈ ক্ষতিগ্ৰস্ত কৰে। ১৭৩৬ত পাৰস্যৰ ৰাজপাট দখল কৰাৰ পাছত তেওঁৰ মনোযোগ ভাৰতবৰ্ষৰ পিনে আকৰ্ষিত হয়। ১৭৩৯ চনত তেওঁ দিল্লী অভিমুখে যাত্ৰা কৰিছিল। পাণীপথৰ ওচৰৰ কৰ্নালত ৰাজকীয় সৈন্য বাহিনীক লগ ধৰি তেওঁ দিল্লীত প্ৰৱেশ কৰিছিল আৰু লুণ্ঠন চলাইছিল। নাদিৰ শ্বাহৰ দিল্লী প্ৰৱেশ কৰে আৰু এক বৃহৎ পৰিমাণৰ ঐশ্বৰ্য হস্তগত কৰি পাৰস্যলৈ উভতি যায়। নাদিৰ শ্বাহে প্ৰায় সত্তৰ কোটি টকা মূল্যৰ সা-সম্পত্তি লুট পাট কৰে য'ত পৃথিৱী বিখ্যাত ময়ূৰ সিংহাসন আৰু প্ৰখ্যাত কোহিনুৰ হীৰাও অন্তৰ্ভুক্ত আছিল। নাদিৰ শ্বাহৰ সফলতাই মোগল সাম্ৰজ্যৰ আভ্যন্তৰীণ দুৰ্বলতাক প্ৰকট কৰি তোলে আৰু ইয়াৰ গৌৰৱ সম্পূৰ্ণৰূপে ধূলিস্যাৎ কৰি দিয়ে। প্ৰকৃতাৰ্থত নাদিৰ শ্বাহৰ আক্ৰমণে মোগল সাম্ৰাজ্যত এক মৰ্মান্তিক আঘাত হানে।

নাদিৰ শ্বাহৰ আক্ৰমণৰ পাছত তেওঁৰ সহকাৰী আহমেদ শ্বাহ আবদালীয়ে, যি নাদিৰ শ্বাহৰ হত্যাৰ পিছত কাবুলৰ ৰজা আছিল, সাতবাৰ ভাৰত আক্ৰমণ চলায়। ১৭৪৮ত আহমেদ শ্বাহ আবদালীয়ে পঞ্জাৰ আক্ৰমণ কৰে। ১৭৬১ চনত আহমেদ শ্বাহ আবদালীয়ে পাণিপথৰ তৃতীয় যুদ্ধত মাৰাঠাসকলক পৰাজিত কৰে। মাৰাঠাসকলৰ পৰাজয়ে সুদূৰপ্ৰসাৰী ফলাফল প্ৰদান কৰিছিল। মাৰাঠাসকলৰ সাম্ৰাজ্যবাদী নীতিয়ে এক কঠোৰ পৰাজয় বৰণ কৰিছিল। তদুপৰি মাৰাঠাসকলৰ পৰাজয়ে ইংৰাজক বঙ্গত নিজৰ স্থিতি শক্তিশালী কৰিবৰ বাবে প্ৰয়োজনীয় সুবিধা প্ৰদান কৰিছিল। এই সকলোবোৰ পৰিঘটনাই মোগল সাম্ৰাজ্যৰ অৱনতিত অৰিহণা যোগাইছিল।

নাদীৰ শ্বাহ আৰু আহমেদ শ্বাহ আবদালীৰ বহিৰাক্রমণে বৃহত সংখ্যক মানৰ জীৱন ধ্বংস কৰাৰ লগতে ৰাজকোষৰ ধনৰো অৱনতি ঘটায়। ইয়ে প্রশাসনিক বিশৃংখলতা আৰু ৰাজনৈতিক দেউলীয়া অৱস্থাৰ দ্বাৰ মুকলি কৰি দিয়ে। ইয়ে ভাৰতক আভ্যন্তৰীণ আৰু বহিঃ ভাঙোনমুখী শক্তিসমূহৰ বাবে অসুৰক্ষিত আৰু আক্রমণসাধ্য কৰি তোলে।



অগ্রগতি নীৰিক্ষণ

প্রশ্ন নং ১ ঃ জিজিয়া কৰ কোনে পুনৰ প্রচলন কৰিছিল ?

প্রশ্ন নং ২ ঃকোন বছৰত নাদিৰ শ্বাহে দিল্লী আক্রমণ কৰিছিল ?

প্রশ্ন নং৩ ঃ শিখসকলৰ নৱম গুৰুগৰাকীৰ নাম কি ?

প্রশ্ন নং ৪ ঃ পাণিপথৰ তৃতীয় যুদ্ধ কেতিয়া হৈছিল ?



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলোঁ যে -

- মোগল সাম্রাজ্যৰ পতনৰ বাবে ঔৰংজেৰ আংশিকভাৱে জগৰীয়া যদিও সাম্রাজ্যৰ প্রশাসনিক গাঁথনিটোতো বহুতো বিসংগতি আছিল আৰু সেইবোৰেও সাম্রাজ্যৰ পতন প্রক্রিয়াটো দ্রুত কৰি তুলিছিল।
- পৰৱর্তী সময়ত মোগল শাসকসকল দুর্বল আৰু অযোগ্য হৈ পৰিছিল আৰু তেওঁলোক পূর্বপুৰুষসকলৰ গৰিমা অক্ষুণ্ণ ৰখাত বিফল হৈছিল।
- তদুপৰি আভ্যন্তৰীণ দলীয় মতানৈক্য, বাহ্যিক শক্তি আদিয়েও মোগল সাম্রাজ্যৰ পতনত বিশেষ ভূমিকা লৈছিল।



১৪.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Chandra, Satish. (Reprint, 2008). *Medieval India: From Sultanate to the Mughals, Delhi Sultanate (1206-1526) (Part One).* New Delhi, India: Haranand and Publications Pvt. Ltd.

২) Habib, Irfan. (2000). *Agrarian system of Mughal India 1556-1707.* Bombay, India: Oxford University Press.

৩) Prasad, Iswari. (1940). *History of Medieval India.* New Delhi, India: Indian Press.

৪) Richards, John F. (1996). *The Mughal Empire*. Cambridge, UK: Cambridge University Press.

১৪.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ঔৰংজেৰ

২নং প্রশ্নৰ উত্তৰ ঃ ১৭৩৯

৩নং প্রশ্নৰ উত্তৰ ঃ গুৰু টেগ বাহাদুৰ

৪নং প্রশ্নৰ উত্তৰ ঃ ১৭৬১

১৪.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ চাদত খান কোন আছিল?

প্রশ্ন নং ২ ঃ তুৰাণীসকল কোন আছিল?

প্রশ্ন নং ৩ ঃ আহমেদ শ্বাহ আবদালীয়ে কিমান বাৰ ভাৰত আক্রমণ কৰিছিল?

খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ মোগল সাম্রাজ্যৰ বিশালতাই কেনেদৰে ইয়াৰ পতন মাতি আনিছিল?

প্রশ্ন নং ২ ঃ মোগল অভিজাত শ্রেণীটোৰ স্খলনৰ বাবে কেনে পৰিস্থিতি দায়ী আছিল?

প্রশ্ন নং ৩ ঃ নাদিৰ শ্বাহৰ আক্রমণে কি কথা উদঙাই দেখুৱাইছিল?

গ) ৰচনাধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ মোগল সাম্রাজ্যৰ পতনত অৰিহণা যোগোৱা আভ্যন্তৰীণ কাৰকবোৰ আলোচনা কৰক।

প্রশ্ন নং ২ ঃ মোগল সাম্রাজ্যৰ পতনৰ বাবে ঔৰংজেৰ কিমানখিনি জগৰীয়া? ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ মোগল সাম্রাজ্যৰ পতনত মনচব্দাৰী আৰু জাগিৰদাৰী প্রথাই কেনে ধৰণৰ অৱদান আগবঢ়াইছিল? ব্যাখ্যা কৰক।

* * * * * * * * * *

অধ্যায় ১৫ ঃ মাৰাঠাসকলৰ উত্থান আৰু পতন

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ মাৰাঠাসকলৰ পটভূমি

- শিৱাজী ঃ পটভূমি

১৫.৪ শিৱাজী আৰু তেওঁৰ বিজয়সমূহ

১৫.৫ শিৱাজীৰ শাসনকালৰ প্ৰশাসনীয় ব্যৱস্থা

১৫.৬ পেছোৱাসকলৰ প্ৰভূত্ব

১৫.৭ মাৰাঠাসকলৰ পতনৰ কাৰণসমূহ

১৫.৮ মাৰাঠা শাসনৰ তাৎপর্য

১৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.১০ অধিক জানিবলৈ

১৫.১১ অগ্রগতিৰ খতিয়ান

১৫.১২ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টিত অধ্যয়ন কৰি আপুনি—

- শিৱাজীৰ শাসনকালত মাৰাঠাসকলৰ উত্থানৰ বর্ণনা কৰিবলৈ সমর্থ হ'ব,
- শিৱাজীৰ সামৰিক অভিযান আৰু মাৰাঠা ৰাজ্যত তেওঁৰ প্ৰশাসনীয় ব্যৱস্থাৰ আলোচনা কৰিব পাৰিব,
- পেছোৱাসকলৰ ক্ৰমাগতভাৱে বৃদ্ধি হোৱা প্ৰভুত্বৰ বিভিন্ন পৰিঘটনাৰ আলোচনা কৰিব পাৰিব, আৰু
- মাৰাঠাসকলৰ পতনৰ কাৰণসমূহৰ বিশ্লেষণ কৰিব পাৰিব।

১৫.২ পৰিচয়

১৭ শতিকাৰ মধ্যযুগৰ ভাৰতবর্ষই সমগ্ৰ দেশতেই বিশেষকৈ দাক্ষিণাত্যত প্ৰান্তীয় ৰাজ্যৰ উত্থানৰ সাক্ষ্য বহন কৰিছিল। মাৰাঠা ৰাজ্যও এনে এখন ৰাজ্য যি মধ্যযুগৰ ভাৰতবর্ষৰ ৰাজনৈতিক ইতিহাসত এক গুৰুত্বপূর্ণ অৱদান আগবঢ়াই। দৰাচলতে মাৰাঠাসকলৰ উত্থানৰ বিষয়ে উল্লেখ নকৰিলে মধ্যযুগীয় ভাৰতবর্ষৰ ইতিহাস বিশেষকৈ মোগল যুগটো আধৰুৱা আৰু অসম্পূর্ণ হৈ

ৰ'ব। এই অধ্যায়টিত আমি মাৰাঠা শক্তিৰ উত্থান আৰু ভাৰতীয় ইতিহাস তেওঁলোকৰ অৱদানৰ বিষয়ে আলোচনা কৰিম।

১৫.৩ মাৰাঠাসকলৰ উত্থান

বাহ্মনী সাম্ৰাজ্যৰ সময়ৰ পৰাই মাৰাঠাসকলে দাক্ষিণাত্যৰ ৰাজনৈতিক বিষয়সমূহত তেওঁলোকৰ গুৰুত্ব প্ৰদৰ্শন কৰি আহিছিল। বাহ্মনী শাসকসকলৰ তত্ত্বাৱধানত মাৰাঠী সৈন্যবাহিনী 'বাৰ্গীৰ' (মুক্ত সহায়কাৰী) হিচাপে কৰ্মৰত আছিল, আনহাতে কিছুমান গুৰুত্বপূৰ্ণ মাৰাঠা পৰিয়ালৰ লোকে আকৌ 'মনচব' বা জাগিৰ পদত নিযুক্ত আছিল। ৰাজপুত সকলৰ দৰে মাৰাঠা মনচবদাৰসকল স্বাধীন শাসক নাছিল যদিও তেওঁলোকে সামৰিক সুযোগকাৰীৰূপেহে নিজকে প্ৰকট কৰিছিল। আনকি বাহ্মনী সাম্ৰাজ্যৰ পতনৰ পিছতো মাৰাঠাসকল দক্ষিণ ভাৰতত বিকাশ লাভ কৰা স্বাধীন মুছলিম ৰাজ্যসমূহত নিৰৱচ্ছিন্নভাৱে কৰ্মৰত হৈয়েই আছিল। মাৰাঠাসকলৰ কূটনৈতিক দক্ষতাত দাক্ষিণাত্যৰ ৰাজ্য বিলাকৰ চুলতানসকল বাৰুকৈয়ে প্ৰভাৱিত হৈছিল। এনেদৰেই মাৰাঠা মুখিয়ালসকলে দাক্ষিণাত্যৰ শক্তিশালী ৰাজ্যসমূহত নিজৰ ক্ষমতা আৰু প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। যেতিয়া মোগলসকলে দাক্ষিণাত্য আক্ৰমণ কৰিছিল, তেতিয়া তেওঁলোকে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছিল আৰু কিছু সংখ্যক মাৰাঠা মনচবদাৰ, যেনে পুনাৰ ছাহাজী ভোঁচলেয়ে দাক্ষিণাত্যত 'কিং মেকাৰ' ৰ ভূমিকা লৈছিল। **১৬৩৬** চনলৈ ছাহজী ভোঁচলেই এক অৰ্ধমুক্ত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

ভাৰতবৰ্ষৰ মাৰাঠা শক্তিৰ উত্থান যে শিৱাজীৰ ৰাজত্বকালৰ পৰাই আৰম্ভ হৈছে তাত কোনো সন্দেহ নাই। তথাপিও অন্যান্য কাৰকৰো যে এই ক্ষেত্ৰত বিশেষ ভূমিকা আছিল তাক নাকচ কৰিব নোৱাৰি।

সৰ্ব প্ৰথমে, মহাৰাষ্ট্ৰৰ ভৌগলিক পৰিবেশ যি বৃহৎ পৰ্বতেৰে আবৃত, অনুৰ্বৰ ভূমি, সামান্য পৰিমাণৰ বৰষুণ ইত্যাদিয়ে তেওঁলোকক এক বিলাসিতাপূৰ্ণ জীৱনৰ পৰা আঁতৰাই ৰাখিছিল আৰু যিয়ে মাৰাঠাসকলৰ সাহসী, আত্মনিৰ্ভৰশীল, মহৎ আদি গুণৰ অধিকাৰী কৰি তুলিছিল।

দ্বিতীয়তে, প্ৰখ্যাত মাৰাঠী ভক্তি সংস্কাৰকসকল যেনে তুকাৰাম, একনাথ, ৰামদাস, য়মন পণ্ডিত ইত্যাদিয়ে সমগ্ৰ মাৰাঠা ৰাজ্যতেই ঈশ্বৰৰ ওপৰত আস্থা আৰু ধৰ্মীয় সহিষ্ণুতাৰ বাণী প্ৰচাৰ কৰিছিল যিয়ে মাৰাঠাসকলক একতা আৰু ভ্ৰাতৃত্ববোধৰ এনাজৰীৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছিল।

তৃতীয়তে, ভাষা আৰু সাহিত্যয়ো মহাৰাষ্ট্ৰৰ বাসিন্দাসকলক একত্ৰিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ভক্তি আন্দোলনৰ গুৰি ধৰোতাসকলে তেওঁলোকৰ গীত-মাতসমূহ মাৰাঠী ভাষাত ৰচনা কৰাৰ জৰিয়তে সাধাৰণ জনতাৰ মনত একতাৰ ভাব জগাই তোলাত বিশেষ সফলতা লাভ কৰিছিল।

চতুর্থতে, মাৰাঠাসকলৰ গেৰিলা যুদ্ধ কৌশলৰ জ্ঞান আৰু ৰণাংগনত ইয়াৰ সফল ব্যৱহাৰে বহিঃ শত্রুৰ আক্রমণৰ পৰা নিজ ৰাজ্যক সুৰক্ষা প্রদান কৰাত সহায় কৰিছিল। ঠিক তেনেদৰে দাক্ষিণাত্যৰ চুলতানসকলৰ তত্ত্বাৱধানত 'জাগীৰদাৰ' আৰু মনচবদাৰ' হিচাপে সেৱা আগবঢ়াই মাৰাঠাসকলে সামৰিক আৰু প্রশাসনিক জ্ঞান ভালেখিনি আয়ত্ত কৰিছিল আৰু যিয়ে তেওঁলোকৰ উমৈহতীয়া স্বার্থ ৰক্ষাত সহায় কৰিছিল।

সেয়েহে আমি ক'ব পাৰো যে শিৱাজীৰ ৰাজত্বকালৰ বহু আগৰ পৰাই মাৰাঠাসকলৰ উত্থানৰ পটভূমি প্রস্তুত হৈছিল।

- **শিৱাজী ঃ**

যুনাৰৰ ওচৰৰ শিৱনেৰ দুর্গত **১৬৩০** চনৰ **১৯** ফ্রেব্রুৱাৰী তাৰিখে শিৱাজী জন্ম গ্রহণ কৰিছিল। নিজামশ্বাহীৰ শাসক আহমেদনগৰৰ আদিল শ্বাহৰ পুনাৰ জাগীৰদাৰ ছাহজী ভোঁচলে শিৱাজীৰ পিতৃ আৰু জীজাবাই তেওঁৰ মাতৃ আছিল। শৈশৱ কালৰ পৰাই শিৱাজীৰ জীৱন আৰু ব্যক্তিত্ব গঢ়াত তিনিজন লোকে বিশেষ প্রভাৱ পেলাইছিল — তেওঁৰ মাতৃ জীজাবাই, তেওঁৰ প্রতিপালক দাদাজী কোনডাদেও আৰু আধ্যাত্মিক গুৰু স্বামী ৰামদাস। বাৰ বছৰ বয়সতেই শিৱাজীয়ে কিছুমান অত্যুৎসাহী যুৱকৰ দ্বাৰা সেনাদল গঠন কৰি দাঁতিকাষৰীয়া অঞ্চলসমূহত সামৰিক অভিযান চলাইছিল।

তেওঁ **১৬৪৭** চনত পুনেত থকা জাগীৰ সম্পূর্ণ স্বত্বাধিকাৰ লাভ কৰিছিল। সেই একেটা বছৰতেই শিৱাজীয়ে বিজাপুৰৰ অন্তঃকান্দলৰ সুযোগ লৈ কিছু অঞ্চল অধিকাৰ কৰিছিল। **১৬৪৮** চনত বিজাপুৰৰ চুলতানে শিৱাজীৰ পিতৃ ছাহাজীক ষড়যন্ত্রত লিপ্ত থকাৰ অভিযোগত আটক কৰে। **১৬৪৯** চনত বাংগালোৰ আৰু কোণ্ডানা দূর্গ বিজাপুৰ চুলতানক অর্পণৰ যোগেদি শিৱাজীয়ে তেওঁৰ পিতৃক মোকলাই আনিবলৈ সক্ষম হয়।



অগ্রগতিৰ নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ১ঃ শিৱাজীৰ জন্ম ক'ত হৈছিল?

প্রশ্ন নং ২ঃ দাদাজী কোনডাদেও কোন?

প্রশ্ন নং ৩ঃ শিৱাজীৰ আধ্যাত্মিক গুৰুজনাৰ নাম কি?

১৫.৪ শিৱাজী আৰু তেওঁৰ বিজয়সমূহ

১৬৫৬ চনত শিৱাজীয়ে যেতিয়া চন্দ্রৰাও মোৰেৰ পৰা জাভলী অধিকাৰ কৰিবলৈ সক্ষম হয় তেতিয়াৰ পৰাহে তেওঁৰ প্রকৃত বিজয়গাথা আৰম্ভ হয়। জাভলী বিজয় শিৱাজীৰ বাবে গুৰুত্বপূর্ণ আছিল কিয়নো ইয়াৰ জৰিয়তে তেওঁ সমগ্র মাভালা অঞ্চলৰ অবিসম্বাদী শাসক হৈ উঠে। ইয়াৰ ওপৰিও হাজাৰোধিক মাভলি সেনাই শিৱাজী সেনাবাহিনীত যোগদান কৰি তেওঁৰ সেনাবাহিনীৰ শক্তি বৃদ্ধি কৰিছিল।

১৬৫৬ চনত মোগলসকলে বিজাপুৰ আক্রমণৰ পৰিকল্পনা হাতত লৈছিল। শিৱাজীয়ে তেওঁৰ বিচক্ষণ কূটনীতি প্রদর্শনৰ জৰিয়তে প্রথমে মোগলসকলৰ লগত বন্ধুত্ব স্থাপন কৰে যদিও পিছলৈ বিজাপুৰী চুলতানৰ সৈতে সন্ধি স্বাক্ষৰিত কৰি আহমেদ নগৰ আক্রমণৰ জৰিয়তে জুনাৰ অধিকাৰ কৰে। একে সময়তে মোগল সাম্রাজ্যত সিংহাসনক লৈ গৃহযুদ্ধৰ সূত্রপাত ঘটাত শিৱাজীয়ে এই সুযোগৰ সদ্ব্যৱহাৰ কৰে আৰু পর্তুগীজসকলক ৰাজহ আদায় দিবলৈ বাধ্য কৰায়।

শিৱাজীৰ বর্ধিত প্রভাৰে বিজাপুৰৰ চুলতানক শংকিত কৰি তুলিছিল। সেয়েহে তেওঁ **১৬৫৯** চনত আফজল খানৰ নেতৃত্বত এক বৃহৎ সেনাদল মাৰাঠা ৰাজ্য আক্রমণৰ বাবে পঠায়। দীঘলীয়া যুদ্ধৰ অন্তত আফজল খান শিৱাজীৰ সৈতে সাক্ষাৎ লাভ কৰাৰ চলেৰে তেওঁক বন্দী কৰাৰ এক অভিসন্ধিত লিপ্ত হয়। কিন্তু এই ষড়যন্ত্র বিফল হোৱাত আফজল খানৰ মৃত্যু ঘটে। ইয়াৰোপৰি মাৰাঠা সেনাবাহিনীয়ে কোলহাপুৰ আক্রমণ কৰি পানহালা দুর্গ দখল কৰে।

শিৱাজীৰ সাহসিকতাই তেওঁক দাক্ষিণাত্যৰ এক যুগান্তকাৰী ব্যক্তিলৈ পৰিণত কৰিছিল আৰু মোগলৰ সীমাত মাৰাঠাসকলৰ উত্থানে মোগল বাদশ্বাহ ঔৰংগজেৱক বাৰুকৈয়ে চিন্তিত কৰিছিল। ঔৰংগজেৱে চেইষ্টা খানক দাক্ষিণাত্যৰ গৱর্ণৰ হিচাপে নিযুক্তি দিয়ে। কিন্তু চেইষ্টা খানৰ পৰাজয়ে ঔৰংগজেৱক বিতুষ্ট কৰে। এই সুৱর্ণ সুযোগ সম্পূর্ণ সৎ ব্যৱহাৰ কৰি **১৬৬৪** চনত শিৱাজীয়ে মোগলৰ আন এটা ৰাজকীয় দুর্গ, চুৰাট, আক্রমণ কৰি বৃহৎ পৰিমাণৰ সম্পত্তি অধিকাৰ কৰে।

চেইষ্টা খানৰ বিফলতাৰ পিছত বাদশ্বাহ ঔৰংগজেৱে অম্বৰৰ ৰজা জয় সিংহক মাৰাঠা ৰাজ্য আক্রমণৰ বাবে পঠিয়াই। বিশেষ কোনো বাধাৰ সন্মুখীন নোহোৱাকৈয়ে মোগল বাহিনীয়ে বজ্রাগড় আক্রমণ কৰি **১৬৬৫** চনত পুৰন্দৰ দখল কৰে। জয় সিংহৰ সফলতাই শিৱাজীক **১৬৬৫** চনত মোগল বাদশ্বাহ ঔৰংজেৱৰ সৈতে শান্তি চুক্তিত স্বাক্ষৰিত কৰিবলৈ বাধ্য কৰায়। এই পুৰন্দৰ সন্ধিৰ চর্ত মতে, শিৱাজীয়ে **২৩** টা দুর্গ মোগলৰ হাতত অর্পণ কৰে আৰু বৃহৎ পৰিমানৰ ধন মোগল দৰবাৰত আদায় দিবলৈ বাধ্য হয়। ইয়াৰ উপৰি শিৱাজীয়ে তেওঁৰ পুত্র সম্ভাজীক মোগল দৰবাৰলৈ প্রেৰণ কৰিবলৈ সন্মত হয় আৰু সময়ে সময়ে মোগল সৈন্যবাহিনীৰ হকে যুদ্ধত যোগদান কৰিব বুলি সহমত প্রকাশ কৰে।

শিৱাজীৰ মোগল ৰাজ দৰবাৰ ভ্রমণে মোগল মাৰাঠা সম্পর্কৰ তিক্ততা আৰু বৃদ্ধিহে কৰে। ন মাহৰ বাবে শিৱাজীক গৃহবন্দী কৰা হয় যদিও তেওঁ তাৰ পৰা পলাই যাবলৈ সক্ষম হয়। ইয়াৰ পিছত শিৱাজীয়ে নিজৰ ৰাজ্য শক্তিশালী কৰাত মনোনিবেশ কৰে। উত্তৰ পশ্চিমাঞ্চলত মোগল আফগানসকলৰ যুদ্ধৰ সুবিধা বুজি দাক্ষিণাত্যত শিৱাজীয়ে বহুতো মোগল দুর্গ দখল কৰে। **১৬৭০** চনত দ্বিতীয়বাৰৰ বাবে চুৰাট দূর্গ আক্রমণ কৰি বৃহৎ সম্পত্তি লাভ কৰে। ইয়াৰ পিছৰ চাৰি বছৰৰ ভিতৰত শিৱাজীয়ে পুৰন্দৰ, পানহালাৰ নিচিনা বহু দুর্গ আৰু বেৰাৰ, কানাড়া আৰু খানদেচ আদি অঞ্চল নিজৰ দখললৈ আনিবলৈ সক্ষম হয়।

১৬৭৪ চনটো মাৰাঠা ইতিহাসৰ আটাইতকৈ উল্লেখযোগ্য সময় আছিল কিয়নো এই বছৰতেই শিৱাজী আনুষ্ঠানিকভাৱে ৰায়গড়ত সিংহাসনত অধিষ্ঠিত হয়। অভিষেক অনুষ্ঠানটো যোগেদি মুছলমান অধ্যুষিত দাক্ষিণাত্যত এখন স্বাধীন হিন্দু ৰাজ্য প্ৰতিষ্ঠা কৰাৰ বাণী প্ৰচাৰিত হৈছিল। ৰাজ-অভিষেক সমাৰোহে শিৱাজীৰ আত্মবিশ্বাস বহু গুণে বৃদ্ধি কৰিছিল আৰু ইয়ে তেওঁৰ ৰাজ্য বিস্তাৰৰ মনোবল বহুগুণে বৃদ্ধি কৰে। তেওঁ বেগলান খানদেচ আৰু কোলহাপুৰ আক্ৰমণ কৰি বৃহৎ ৰাজহ আদায় কৰিছিল। ইয়াৰ উপৰি পৰবৰ্তীসময়ত মাৰাঠা সৈন্য বাহিনীয়ে বৰোদা, কোলহাপুৰ আৰু গুলকোণ্ডা দখল কৰিছিল। **১৬৭৬** চনত শিৱাজীয়ে বিজাপুৰৰ কৰ্ণাটক আক্ৰমণ কৰে। **১৬৭৮** চনত শিৱাজীয়ে তেওঁৰ সম্পৰ্কীয় ভাতৃৰ ৰাজ্যৰ পৰা কিছু অঞ্চল নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা চলায়। যেতিয়া তেওঁৰ ভাতৃ ভেংকোজীয়ে এই প্ৰস্তাৱ নাকচ কৰে শিৱাজীয়ে আৰনি, কোলাৰ, হচকোটে, বাংগালোৰ, বালাপুৰ আৰু চাইৰা আদি জিলা আক্ৰমণ কৰি নিজ ৰাজ্যত অন্তৰ্ভুক্ত কৰে। ১৬৮০ চনত শিৱাজীৰ মৃত্যু হয়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ শিৱাজীয়ে কোন চনত জাভলি অধিকাৰ কৰে?

প্ৰশ্ন নং ৫ঃ ৰজা জয়সিংহ কোন আছিল?

প্ৰশ্ন নং ৬ঃ পুৰন্দৰ সন্ধি কেতিয়া স্বাক্ষৰিত হৈছিল?

১৫.৫ শিৱাজীৰ অধিনত প্ৰশাসনীয় ব্যৱস্থা

শিৱাজী এজন কেৱল প্ৰখ্যাত যোদ্ধাই নহয়, তেওঁ এজন সুদক্ষ প্ৰশাসকো আছিল। যদিও শিৱাজীৰ প্ৰশাসন ব্যৱস্থা দাক্ষিণাত্যৰ ৰাজ্যসমূহৰ আৰ্হিত প্ৰস্তুত কৰা আছিল, তথাপিও তেওঁ এই ব্যৱস্থা ধৰ্ম আৰু জাতিভেদ প্ৰথাক লৈ প্ৰস্তুত কৰা নাছিল।

(ক) কেন্দ্ৰীয় প্ৰশাসন

শিৱাজীৰ প্ৰশাসনীয় ব্যৱস্থাত তেওঁৰে চৰকাৰ নিয়ন্ত্ৰিত কৰিছিল। তেওঁৰ অভিমতেই সৰ্বগ্ৰহণযোগ্য আছিল। শিৱাজীক প্ৰশাসনীয় কাম-কাজত সহায়ৰ বাবে আঠজন বিষয়াৰে গঠিত এক মন্ত্ৰী পৰিষদ আছিল যাক 'অষ্ট প্ৰধান' নামেৰে জনা গৈছিল। শিৱাজীৰ মন্ত্ৰী পৰিষদৰ 'অষ্ট-প্ৰধান'কেইজন হ'ল —

- পেছোৱা বা মুখ্য প্ৰধানঃ শিৱাজীৰ পিছত এওঁ দ্বিতীয় প্ৰধান মাৰাঠা বিষয়া আছিল। তেওঁ সমগ্ৰ প্ৰশাসনীয় ব্যৱস্থাৰ নিৰীক্ষণ আৰু সংশোধন কৰে আৰু ৰাষ্ট্ৰৰ আৰ্থিক দিশটোৰো তদাৰক কৰে।
- অমাত্য বা মজুমদাৰ ঃ তেওঁ মাৰাঠা ৰাজ্যৰ বিত্তমন্ত্ৰী হিচাপে কাম সমাপন কৰে আৰু ৰাষ্ট্ৰ আয়-ব্যয়ৰ হিচাপ ৰাখে।
- ৰাকিয়ানভিছ বা মন্ত্ৰী ঃ সাধাৰণতে তেওঁ চোৰাংচোৰা, ডাক বিভাগ আৰু পৰিয়াল

উন্নয়ন বিভাগৰ তদাৰক কৰে। তেওঁ ৰাজ্যৰ দৈনন্দিন কৰ্মৰ খতিয়ান সংৰক্ষণ কৰাৰ লগতে ৰাজ সভাৰ কাম -কাজো তদাৰক কৰে।

- চুৰুনভীছ বা চিটনিচ বা সচিব ঃ তেওঁ ৰাজকীয় সচিবালয় চোৱাচিতা কৰাৰ উপৰিও ৰাজকীয় আদেশ আৰু বার্তাসমূহ তদাৰক কৰিছিল।
- ডাবিৰ বা চামন্ট্ ঃ তেওঁ ৰজাৰ বৈদেশিক মন্ত্রী হিচাপে কৰ্ম সম্পাদন কৰে আৰু বৈদেশিক নীতি আৰু যুদ্ধ আৰু শান্তি বিষয় চোৱাচিতা কৰিছিল।
- সৰ-ই-নৌবট বা সেনাপতিঃ মাৰাঠা সৈন্যদলৰ সেনাপতি হিচাপে তেওঁ কাম কৰে। তেওঁ সেনাবাহিনীৰ নিযুক্তি, সংগঠন আৰু শৃংখলা চোৱাচিতা কৰে। যুদ্ধৰ সময়ত যথোপযুক্ত সেনাবাহিনী প্রস্তুত কৰাৰ দায়িত্বও তেওঁৰ হাততেই ন্যস্ত আছে।
- পণ্ডিত ৰাৱ বা দানধ্যক্ষ ঃ তেওঁ ৰজাৰ মুখ্য ধার্মীক উপদেষ্টা আছিল। তেওঁ মন্দিৰসমূহলৈ ধর্মীয় পৃষ্ঠপোষকতা আগবঢ়োৱাৰ লগতে সাধু, পণ্ডিত আৰু শিক্ষানুষ্ঠানলৈ অনুদান আগবঢ়ায়।
- ন্যায়াধীশ ঃ তেওঁ ৰাজ্যৰ সামৰিক আৰু অসামৰিক বিবাদসমূহৰ ন্যায় চোৱাচিতা কৰে।

(খ) প্রাদেশিক প্রশাসন

এক সুস্থ প্রশাসনীয় ব্যৱস্থা স্থাপনৰ উদ্দেশ্যেৰে শিৱাজীয়ে সমগ্র ৰাজ্যখনক চাৰিখন প্রদেশত বিভক্ত কৰিছিল আৰু এজন চুবেদাৰ বা মামলতদাৰৰ হাতত ইয়াৰ চোৱা-চিতাৰ দিহা কৰিছিল যি কেৱল কেন্দ্রীয় চৰকাৰৰ ওচৰতহে জবাবদিহি আছিল। প্রদেশসমূহক আকৌ বিভিন্ন প্রান্তত ভাগ কৰা হৈছিল, যাক পুনঃ পৰগণা আৰু তাৰফত বিভক্ত কৰিছিল। পৰগণা আৰু তাৰফট্সমূহৰ চোৱা-চিতাৰ দায়িত্ব চুবেদাৰ আৰু হাৱালদাৰৰ হাতত অর্পণ কৰা হৈছিল। মাৰাঠী প্রশাসনৰ সকলোতকৈ নিম্ন একক আছিল গাওঁ য'ত পেটেল বা গাওঁবুঢ়াক দায়িত্ব অর্পণ কৰা হয়; তেওঁৰ প্রধান দায়িত্ব আছিল গাওঁৰ পৰা ভূমি ৰাজহ সংগ্রহ কৰা। পেটেল সকলক সহায়ৰ হাত আগবঢ়াই কুলকার্ণিসকলে যি গাঁৱৰ হিচাপ নিকাচ চোৱাচিতা কৰিছিল।

শিৱাজীয়ে জাগীৰ প্রদান প্রথা বন্ধ কৰি মন্ত্রীসকলক বস্তুৰ সলনি দৰমহা আদায় দিয়াৰ ব্যৱস্থা কৰে। তদুপৰি চৰকাৰী পদবিত নিযুক্তিৰ ক্ষেত্রত বংশবাদৰ ধাৰণাৰ অৱসান ঘটাই।

(গ) সামৰিক প্রশাসন

শিৱাজী এজন প্রখ্যাত সামৰিক যোদ্ধা আছিল যিয়ে এক শক্তিশালী সামৰিক বাহিনী তৈয়াৰ কৰি ৰাখিছিল। ৰাজ্যখনৰ বিস্তাৰ আৰু প্রতিৰক্ষাৰ বাবে তেওঁ এক সষ্টম পদাতিক বাহিনী মজুত ৰাখিছিল। শিৱাজীৰ সেনাবাহিনীৰ প্রধান অংগ আছিল পদাতিক আৰু অশ্বাৰোহী বাহিনী। অশ্বাৰোহী সকলক আকৌ দুটা ভাগত ভাগ কৰা হৈছিল— বার্গিৰ সকল, যিয়ে চৰকাৰৰ পৰা ঘোঁৰা আৰু অস্ত্র-শস্ত্র লাভ কৰিছল আৰু আনটো আছিল চিলাহাদাৰসকল যি নিজেই নিজৰ অস্ত্র সংগ্রহ কৰিব লাগিছিল। পদাতিক বাহিনীকো দুটা ভাগত ভাগ কৰা হৈছিল — পল্টন আৰু ব্রিগেড। মাৰাঠা সেনাবাহিনীত নায়ক, হাৱালদাৰ, জুমলদাৰ, হাজাৰি আদিয়ে

গুৰুত্বপূৰ্ণ পদ লাভ কৰিছিল যদিও তেওঁলোক সৰ-ই-নৌবটৰ দ্বাৰা পৰিচালিত আছিল।

মাৰাঠা সামৰিক ব্যৱস্থাত দুৰ্গসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। অতি সাৱধানেৰে সেনাবাহিনীক দুৰ্গত পদাৰ্পণ কৰা হৈছিল আৰু সমমৰ্যাদা সম্পন্ন তিনিজন বিষয়াক এই বাহিনীটো চোৱাচিতা আৰু ষড়যন্ত্ৰৰ মোকাবিলা কৰাৰ বাবে নিযুক্তি দিছিল। শিৱাজীয়ে এক শক্তিশালী নৌবাহিনী তৈয়াৰ কৰিছিল আৰু কোলাবাত ইয়াৰ নৌঘাটি তৈয়াৰ কৰিছিল। নৌ বাহিনীৰ সহায়তেই শিৱাজীয়ে মোগলৰ ব্যৱসায়িক জাহাজবোৰ ধ্বংস কৰিছিল আৰু সদাগৰ সকলৰ পৰা বৃহৎ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিছিল।

শিৱাজীয়ে সেনাবাহিনীক দৰমহা প্ৰদানৰ প্ৰথা আৰম্ভ কৰিছিল কিন্তু কেতিয়াবা সেনা বিষয়াসকলক সৰঞ্জম বা ভূমি ৰাজহো প্ৰদান কৰা হৈছিল। সেনাবাহিনীত নিয়মানুবৰ্তিতা কঠোৰভাৱে পালন কৰা হৈছিল আৰু কোনো মহিলা নৰ্তকীসকলে সৈন্যসকলক সংগ দিয়াত বাধা আছিল।

(ঘ) ৰাজহ প্ৰশাসন

ৰাজ্যৰ আৰ্থিক অৱস্থা সুদৃঢ় কৰাৰ অৰ্থে শিৱজীয়ে ৰাজহ প্ৰশাসনত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ আহমেদ নগৰৰ মালিক অম্বৰৰ ৰাজহ ব্যৱস্থাটোক প্ৰধানকৈ অনুসৰণ কৰিছিল। ভূমিৰ জোখমাপৰ স্থিৰ ব্যৱস্থাৰ ভিত্তিত ৰাজহ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। অম্বৰৰ কঠি ব্যৱস্থাক জোখ মাপৰ একক হিচাপে ধাৰ্য কৰা হৈছিল। শিৱাজীয়ে কৃষকসকলৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰিছিল যাতে প্ৰজাহিতকৰ আঁচনিসমূহ তেওঁলোকে লাভ কৰে আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়তো যাতে চৰকাৰী সা-সুবিধৰে সহায় কৰিব পাৰে।

তেওঁ ভূমি ৰাজহৰ উপৰিও 'চৌথ' আৰু 'চৰদেশমুখী' ব্যৱস্থাই মাৰাঠা সাম্ৰাজ্যৰ আয় বৃদ্ধিত অৰিহণা যোগাইছিল। আচলতে 'চৌথ' হৈছে মাৰাঠা আক্ৰমণৰ পৰা হাত সাৰিবলৈ এক চতুৰ্থাংশ ভূমি কৰ মাৰাঠা সকলক আদায় দিয়া ব্যৱস্থা। আনহাতে 'চৰদেশমুখী' কৰ মোগল সাম্ৰাজ্যৰ অন্তৰ্গত সেই অঞ্চলসমূহে প্ৰদান কৰিব লাগে য'ত মাৰাঠা সকলে তেওঁলোকৰ পৈতৃক অধিকাৰৰ কথা ঘোষণা কৰে। তেওঁলোকে এই কৰ এক-দশমাংশ প্ৰদান কৰিব লাগে।



অগ্ৰগতিৰ নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ৭ঃ ৰাকিয়া নভিচ কোন ?

প্ৰশ্ন নং ৮ঃ শিৱাজীৰ শাসনকালত গাঁৱৰ মুৰব্বীজনক কি বুলি জনা গৈছিল ?

প্ৰশ্ন নং ৯ঃ শিৱাজীয়ে তেওঁৰ নৌ ঘাটি ক'ত স্থাপন কৰিছিল ?

১৫.৬ পেছোৱাসকলৰ প্ৰভূত্ব

- **শিৱাজীৰ পিছৰ মাৰাঠা সাম্ৰাজ্য**

১৬৮০ চনত শিৱাজীৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ সম্ভাজীয়ে সিংহাসন অধিগ্ৰহণ কৰে। কিন্তু তেওঁৰ দক্ষতাহীনতা আৰু দূৰ্বল কূটনৈতিক নীতিৰ বাবে জনসাধাৰণৰ মাজত জনপ্ৰিয়তা লাভ কৰাত ব্যৰ্থ হয়। **১৬৮১** চনত ঔৰংগজেৱৰ বিদ্ৰোহী সন্তান যুৱৰাজ আকবৰে মাৰাঠা সাম্ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰে, যাৰ ফলত পুনৰ এবাৰ মোগল মাৰাঠা সংঘৰ্ষৰ সূত্ৰপাত ঘটে। দাক্ষিণাত্যত বিজয় সাব্যস্ত কৰি ঔৰংজেৱে সমস্ত ধ্যান মাৰাঠাসকললৈ কেন্দ্ৰীভূত কৰে আৰু **১৬৮৭** চনত আকস্মিক আক্ৰমণেৰে সম্ভাজীক কৰায়ত্ত কৰি পিছলৈ প্ৰাণদণ্ড দিয়ে।

১৬৮৯ চনত সম্ভাজীৰ সতিয়া ভাতৃ ৰাজাৰামাক মন্ত্ৰী পৰিষদে ৰায়গড়ত ৰজা হিচাপে মনোনীত কৰে। সেই একে সময়তেই মোগলসকলে জিনজী দখল কৰি সম্ভাজীৰ পৰিয়ালৰ সকলো সদস্যক কৰায়ত্ব কৰে। ইয়াৰোপৰি তেওঁ পুত্ৰ চাহুকো গ্ৰেপ্তাৰ কৰে যি গৰাকীয়ে ঔৰংজেৱৰ মৃত্যুলৈকে বন্দী হিচাপে কাল কটায়।

ৰাজাৰামৰ মৃত্যুৰ পিছত তেওঁৰ পত্নী তাৰাবাইয়ে নাবালক পুত্ৰ দ্বিতীয় শিৱাজীক সিংহাসনত বহুৱাই আৰু নিজে পৰামৰ্শদাতাৰূপে কৰ্ম সম্পাদন কৰে। তাৰাবাই এগৰাকী সুদক্ষ শাসক আৰু তেওঁৰ সু-নেতৃত্বত মাৰাঠা বাহিনীয়ে **১৭০৩** চনত বেৰাৰ আক্ৰমণ আৰু **১৭০৬** চনত গুজৰাট হস্তগত কৰে। একেটা বছৰতেই মাৰাঠা বাহিনীয়ে আহমদ নগৰৰ মোগল নিৰীক্ষণ চকী লুট পাট কৰে আৰু বুৰহানপুৰ, চুৰাট আৰু ভাৰোচ ধ্বংস কৰে। কিন্তু এই সকলোবোৰ সাফল্য পৰিৱৰ্তন হ'বলৈ ধৰে যেতিয়া মোগল বাদশ্বাহ বাহাদুৰ শ্বাহে সম্ভাজীৰ পুত্ৰ চাহুক কাৰামুক্ত কৰে। চাহুৱে মাৰাঠা ৰাজ মুকুটৰ দাবী উত্থাপন কৰে, যাৰ ফলস্বৰূপে চাহু আৰু তাৰাবাইৰ মাজত পলখেদত গৃহযুদ্ধৰ সূচনা হয়। **১৭০৮** চনত চাহুৱে চাতাৰত নিজৰ দখল স্থাপন কৰে আৰু তাৰাবাইয়ে তেওঁৰ পুত্ৰ দ্বিতীয় শিৱাজীৰ সৈতে কোলাহাপুৰ শাসন কৰে।

চাহুৱে তেওঁৰ এই দুৰ্যোগৰ সময়ত এজন দক্ষ, সাহসী তথা বিশ্বাসী বিষয়া বালাজী বিশ্বনাথৰ সহায় লাভ কৰে। সেয়েহে চাহুৱে তেওঁক নিজ কৰ্মৰ দক্ষতাৰ বাবে পেছোৱা পদত নিযুক্তি প্ৰদান কৰে। সেই সময়ৰ পৰা পেছোৱা যিহেতু সৰ্বেসৰ্বা হৈ পৰে সেয়েহে মহাৰাষ্ট্ৰত পেছোৱাসকলে নিজৰ ক্ষমতা স্থাপন কৰিবলৈ সক্ষম হয়।

- **পেছোৱা সকলৰ প্ৰভূত্ব ঃ**

চাহুৰ শাসনকালত বালাজী বিশ্বনাথৰ নেতৃত্বত মাৰাঠা প্ৰশাসনত এক নতুন ব্যৱস্থাৰ অৱতাৰণা ঘটে। এই নতুন পৰিৱৰ্তন যোগেদি মাৰাঠা ইতিহাসত পেছোৱা সকলৰ আধিপত্যৰ এক নতুন যুগৰ সূচনা হয়। পেছোৱা সকল মাৰাঠা ৰাজ্যত সৰ্বশক্তিময় হোৱাত বিভিন্ন কাৰকে সহায় কৰিছিল।

পোনপ্রথমে শিৱাজীৰ পৰা তাৰাবাইৰ শাসন কাললৈকে পেছোৱাসকলে নিজকে দক্ষ প্রশাসক আৰু সাহসী যোদ্ধা হিচাপে প্রমাণিত কৰি আহিছে। পেছোৱাসকলে মাৰাঠা শক্তিৰ বৃদ্ধি ঘটাই আৰু ইয়াক উচ্চ শিখৰলৈ লৈ গৈছিল। দ্বিতীয়তে, শিৱাজীৰ দুর্বল উত্তৰাধিকাৰী সকলে সমগ্র মাৰাঠা সাম্রাজ্যতেই বিশৃংখলতা আৰু সন্দেহহিন ভাৱৰ সৃষ্টি কৰিছিল। কিন্তু পেছোৱাসকলে নিজৰ জ্ঞান আৰু ত্যাগৰ বলেৰে মাৰাঠাসকলৰ মাজত আত্মবিশ্বাসৰ ভাব জগাই তুলিছিল। তৃতীয়তে, ৰাজনৈতিক প্রেক্ষাপটত সঘনাই হৈ থকা উত্তৰাধিকাৰীৰ সংঘাতে জনসাধাৰণক বিতুষ্ট কৰি তুলিছিল আৰু তেওঁলোকে ইয়াৰ পৰিৱর্তন বিচাৰিছিল। 'অষ্ট প্রধান' আৰু শাসকসকল তেওঁলোকৰ এই পৰিৱর্তন অনাত বিফল হৈছিল। পেছোৱাসকলেই গোটেই সাম্রাজ্যৰ বৃদ্ধিৰ দায়িত্বভাৰ গ্রহণ কৰিছিল। শেষত, চাহু আৰু তেওঁৰ মন্ত্রী পৰিষদে জনসাধাৰণৰ চকুত নিজৰ সন্মান আৰু গৌৰৱ হেৰুৱাইছিল। সেয়েহে অতি সহজেই পেছোৱা সকলৰ হাতত ৰাজ্যৰ ৰাজনৈতিক ক্ষমতা পেছোৱাসকললৈ হস্তান্তৰিত হৈছিল।

মাৰাঠা সাম্রাজ্যত বালাজী বিশ্বনাথে পেছোৱাৰ প্রভূত্ব আৰম্ভণি ঘটাইছিল। তেওঁ অন্যান্য মন্ত্রীৰ তুলনাত পেছোৱা পদটোৰ ক্ষমতা আৰু গৰিমা বৃদ্ধিত সহায় কৰিছিল। মোগল বিষয়াসকলৰ অন্তঃ কন্দলৰ সুযোগ লৈ বালাজী বিশ্বনাথে দাক্ষিণাত্যৰ ৰাজ্যসমূহৰ পৰা 'চৌথ আৰু সৰদেশমুখী' কৰ সংগ্রহ কৰিবলৈ সক্ষম হৈছিল। নিজৰ দক্ষ কূটনীতিৰ জৰিয়তে বালাজী বিশ্বনাথে দাক্ষিণাত্যৰ চৈয়দ ভাতৃদ্বয়ৰ সৈতে এক চুক্তিত মিলিত হৈছিল আৰু মোগল বাদশ্বাহ ফা�ৰুক চিয়াৰৰ দ্বাৰা চাহুক স্বৰাজ্যৰ ৰজা হিচাপে মনোনীত কৰিছিল। খানদেচ, গেণ্ডৱানা, বেৰাৰ, হাইদৰাবাদৰ কিছু জিলা আৰু কর্ণাটক প্রদেশ চাহুক পুনৰ ঘূৰাই দিয়া হৈছিল। তদুপৰি দাক্ষিণাত্যৰ ছখন ৰাজ্যত 'চৌথ' আৰু 'চৰদেশমুখী' কৰ আদায় লোৱাৰ অধিকাৰ প্রদান কৰা হৈছিল। ইয়াৰ পিছত **১৭১৯** চনত দিল্লীৰ সিংহাসনৰ পৰা ফা�ৰুক চিয়াৰক উফৰাই দিয়াত চৈয়দ ভাতৃদ্বয়ক বালাজী বিশ্বনাথে সহায় কৰিছিল। তেওঁ পেছোৱা পদটো বংশানুক্রমিক কৰিছিল আৰু নিজে মাৰাঠা সাম্রাজ্যৰ প্রকৃত শাসকৰূপে কর্ম সম্পাদন কৰিছিল।

বালাজী বিশ্বনাথৰ উত্তৰাধিকাৰী, তেওঁৰ পুত্র প্রথম বাজীৰাও, এজন বিখ্যাত সেনাধ্যক্ষ আছিল আৰু শিৱাজীৰ পিছত গেৰিলা যুদ্ধৰ কৌশলৰ বহুল ব্যৱহাৰকাৰীও আছিল। তেওঁৰ নেতৃত্বতে মাৰাঠা শক্তিয়ে শীর্ষস্থান পাইছিল। **১৭৩১-৩৩** চনলৈ প্রথম বাজীৰাৱে গুজৰাট, বুন্দেলখণ্ডৰ কিছু অংশ আৰু জানজিৰাত বিজয় সাব্যস্ত কৰিছিল। তেওঁ নিজাম উল-মুল্ককো পৰাজিত কৰি **১৭৩৭** চনত দুৰাই চৰাই সন্ধিত মিলিত হৈছিল য'ত প্রথম বাজীৰাৱে মালৱা আৰু বুন্দেলখণ্ড লাভ কৰিছিল। ঠিক তেনেদৰে **১৭৩৯** চনত পর্তুগীজসকলৰ বিৰুদ্ধে এক বৃহৎ অভিযানত মাৰাঠাসকলে ছালছিট আৰু বেচিন অধিগ্রহণ কৰিছিল। তেওঁ পেছোৱা পদত অধিষ্ঠিত হৈ থকা সময়তেই গায়কোৱাড, হোলকাৰ, সিন্ধিয়া আৰু ভোঁচলে পৰিয়ালৰ উত্থান ঘটিছিল।

১৭৪০ চনত প্রথম বাজিৰাওৰ মৃত্যু ঘটে আৰু তেওঁৰ পুত্র বালাজী বাজীৰাও বা নানা চাহেব পেছোৱা পদত অধিষ্ঠিত হয়।**১৭৪৯** চনত চাহুৰ মৃত্যু হয় আৰু তেতিয়া বালাজী

বাজীৰাৱেও মাৰাঠা প্ৰশাসনৰ প্ৰধান বিষয়া হৈ উঠি তেওঁৰ ৰাজসভা পুনালৈ স্থানান্তৰ কৰি তাত মুখ্য কাৰ্যালয় স্থাপন কৰে। তেওঁৰ পিতৃৰ নিচিনাই বালাজী বাজীৰাৱে মাৰাঠা আৰু বুন্দেল খণ্ডত তেওঁ সফলভাৱে মাৰাঠাৰ দমন অব্যাহত ৰাখিছিল, ওৰচাৰ বুন্দেলা মুখিয়ালসকলক পৰাজিত কৰি ঝান্সী অধিকাৰ কৰিছিল। **১৭৪৩** চনত তেওঁ বংগৰ আলীবৰ্দী খানৰ বিৰুদ্ধে অভিযান চলাই আৰু উৰিষ্যা দখল কৰিছিল। **১৭৫১** চনত মহাশুৰ ৰাজ্য আৰু দক্ষিণাত্যৰ কিছু অঞ্চল হস্তগত কৰি ৰাজহ আদায় কৰিছিল। ইয়াৰ উপৰি **১৭৫২** চনত মাৰাঠা সকলে ইমাড-উল-মুল্ক ৰাজিৰ হোৱাত সহায় কৰিছিল। সেই সময়তেই মোগল বাদশ্বাহ আহমদ শ্বাহৰ সৈতে চুক্তিত মিলিত হৈ চৌথৰ পৰিৱৰ্তে মোগল সাম্ৰাজ্যক আভ্যন্তৰীণ আৰু বহিঃ সুৰক্ষা প্ৰদানৰ দায়িত্ব বালাজী বাজিৰাৱে গ্ৰহণ কৰে। ইয়াৰ পিছত মাৰাঠা সকলে পাঞ্জাৱ নিজৰ অধীনলৈ অনাৰ প্ৰয়াস কৰে আৰু আফগানিস্তানৰ বীৰযোদ্ধা আহমদ শ্বাহ আবডালিৰ প্ৰতিনিধিক বহিষ্কাৰ কৰিছিল। অতি সোনকালেই আহমদ শ্বাহ আবডালি আৰু মাৰাঠা সকলৰ মাজত যুদ্ধ আৰম্ভ হয়, যি যুদ্ধক ভাৰতীয় ইতিহাসত তৃতীয় পানীপথৰ যুদ্ধ নামেৰে জনা যায়। **১৭৬১** চনৰ **১৪** জানুৱাৰীত পাণিপথত দুয়ো দলৰ তয়াময়া ৰণ লাগে য'ত মাৰাঠা সেনাবাহিনী সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। মাৰাঠাসকলৰ ক্ষয় ক্ষতিৰ পৰিমাণ সৰ্বাধিক আছিল য'ত তেওঁলোকৰ সুদক্ষ সেনাপতি ক্ৰমে বিশ্বৰাও, সদাশিৱ ৰাও ভাও আদিয়ে প্ৰাণ হেৰুৱাইছিল আৰু ইয়াৰ পিছত **১৭৬১** চনৰ **২৩** জুনত বালাজী বাজীৰাৱে ইহলীলা সম্বৰণ কৰে।

বালাজী বাজীৰাওৰ মৃত্যুৰ পিছত তেওঁৰ **১৭** বছৰীয়া পুত্ৰ মাধৱ ৰাওএ পেছোৱা পদত অধিষ্ঠিত হয় আৰু তেওঁৰ খুড়া ৰঘুনাথ ৰাওক ৰাজ প্ৰতিনিধি নিৰ্বাচনৰ কৰা হয়। তৃতীয় পাণিপথৰ যুদ্ধত মাৰাঠা সকলৰ পৰাজয়ে তেওঁলোকৰ শত্ৰু পক্ষক উৎসাহিত কৰিছিল আৰু আকৌ এবাৰ ৰাজ্য আক্ৰমণৰ পৰিকল্পনা কৰিছিল। কিন্তু মাধৱৰাওৰ দক্ষ কূটনীতি আৰু বীৰত্বই হায়দৰাবাদৰ নিজামক পৰাভূত কৰিছিল আৰু মহীশূৰৰ হাইদৰ আলীক কৰ প্ৰদান কৰিবলৈ বাধ্য কৰিছিল। তেওঁ ৰোহিলা সকলক পৰাস্ত কৰি আৰু ৰাজপুত ৰাজ্য আৰু জাট মুখিয়ালসকলক দমন কৰি উত্তৰ ভাৰতত মাৰাঠা শক্তিৰ প্ৰভূত্ব বজাই ৰাখিছিল। **১৭৭১** চনত দিল্লীত মোগল বাদশ্বাহ শ্বাহ আলমক সিংহাসনত পুনঃ সংস্থাপন কৰি মোগল ৰাজসভাত মাৰাঠাসকলৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। **১৭৭২** চনত মাধৱৰাওৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিছত পেছোৱা পদটোৰ গৰিমা বহু পৰিমাণে লাঘৱ হয় আৰু মাৰাঠা মুখিয়ালসকলৰ মাজত ক্ষমতা কেন্দ্ৰিক দ্বন্দ অব্যাহত থাকিল।

ঠিক একেখিনি সময়তেই মাৰাঠা মুখিয়াল সকলে উত্তৰ দিশে অৰ্ধ স্বাধীন ৰাজ্য প্ৰতিষ্ঠা কৰে। এই সকলৰ ভিতৰত বৰোদাৰ গাইকোৱাড়, নাগপুৰৰ ভোঁচলে, ইন্দো�ৰৰ হোলকাৰ আৰু গোৱালিয়ৰৰ সিন্ধিয়া আদি প্ৰধান আছিল। আনহাতে পুনাত মাধৱৰাওৰ কনিষ্ঠ ভাতৃ নাৰায়ণ ৰাও পেছোৱা পদত অধিষ্ঠিত হয় যদিও তেওঁৰ খুড়াকে তেওঁক হত্যা কৰে। **১৭৭৪** চনত নাৰায়ণ ৰাওৰ পুত্ৰ মাধৱ ৰাও নাৰায়ণক পেছোৱা ৰূপে স্বীকৃতি প্ৰদান কৰা হয় আৰু তেওঁৰ ৰাজপ্ৰতিনিধি স্বৰূপে নানা ফড়নাভিচক নিযুক্তি দিয়া হয়। সেই সময়তে নাৰায়ণৰাওৰ হত্যাকাৰী ৰঘুনাথৰাৱে বৃটিছসকলৰ আশ্ৰয় গ্ৰহণ কৰে। এনেদৰেই মাৰাঠা ইতিহাসত এক নতুন অধ্যায়ৰ

আৰম্ভণি ঘটিছিল য'ত তেওঁলোকে বৃটিছসকলৰ বিৰুদ্ধে এক দীঘলীয়া যুদ্ধত অৱতীর্ণ হ'বলগীয়া হৈছিল। তিনিখন ইং-মাৰাঠা যুদ্ধৰ জৰিয়তে মাৰাঠাসকলে নিজৰ হেৰুৱা গৌৰৱ পুনৰুদ্ধাৰ কৰিব বিচাৰিছিল আৰু আন্যহাতে বৃটিছসকলে উক্ত অঞ্চলত নিজৰ আধিপত্য স্থাপন কৰিব খুজিছিল।

১৫.৭ মাৰাঠাসকলৰ পতনৰ কাৰণসমূহ

যদিও মাৰাঠাসকল বিভিন্ন মুছলমান শক্তিতকৈ শক্তিশালী আছিল তথাপিও বৃটিছসকলৰ নেতৃত্ব, কূটনীতি, সামৰিক সংগঠন আৰু অস্ত্র-সস্ত্র ব্যৱহাৰৰ তুলনাত নিচেই গৌণ আছিল। আচলতে তেওঁলোকৰ পতন স্বাভাৱিক আৰু অৱধাৰিত আছিল। তেওঁলোকৰ পতনত তলৰ কাৰকসমূহে প্রধান ভূমিকা লৈছিল।

পোন প্রথমে, মাৰাঠা প্রধান সকলৰ ব্যক্তিগত আক্রোশ আৰু একতাৰ অভাৱৰ ফলত তেওঁলোকে বৃটিছ সেনাবাহিনীৰ বিৰুদ্ধে একতাৰে থিয় দিব পৰা নাছিল। বৃটিছ বিষয়াসকলে ইয়াৰ সম্পূর্ণ সুযোগ লাভ কৰি মাৰাঠা শক্তিক ধূলিসাৎ কৰিছিল।

দ্বিতীয়তে, দক্ষ বিষয়াৰ অভাৱো মাৰাঠাসকলৰ পতনৰ প্রধান কাৰণ আছিল। তৃতীয় পাণিপথৰ যুদ্ধৰ পিছত দক্ষ বিষয়াৰ অভাৱ মাৰাঠাসকলে বাৰুকৈয়ে উপলব্ধি কৰিছিল আৰু তেওঁলোকে বৃটিছ আক্রমণৰ বিৰুদ্ধে নিজকে সংঘবদ্ধ কৰিব পৰা নাছিল।

তৃতীয়তে, নীতিত দূৰদর্শীতাৰ অভাৱৰ হেতু মাৰাঠা সকলে সমসাময়ীক শক্তিৰ পৰা সমর্থন আহৰনত বিফল হৈছিল।

চতুর্থতে, প্রশাসনীয় বিশৃংখলতাও মাৰাঠাসকলৰ পতন ঘটাত অৰিহণা যোগাইছিল। প্রশাসনীয় দুর্বলতাৰ বাবেই তেওঁলোকে দুর্যোগৰ সময়ত জনসাধাৰণ বা চৰকাৰী কর্মচাৰীৰ সহযোগিতা পোৱা নাছিল।

জাতিভেদ প্রথাৰ প্রচলন মাৰাঠা শক্তিৰ পতনৰ আন এটা কাৰণ। দ্বিতীয় বাজী ৰাওৰে কেৱল ব্রাহ্মণ সকলকহে চাকৰিত নিযুক্তি আৰু ধর্মীয় সা-সুবিধা প্রদান কৰিছিল। ইয়াৰ ফলস্বৰূপে এক সংঘবদ্ধ জাতি হিচাপে মাৰাঠা সকল দুর্বল হৈ পৰিছিল।

অর্থনৈতিক দুৰৱস্থা মাৰাঠা সকলৰ পতনৰ আন এটা কাৰণ। এহাতে জনসাধাৰণৰ সুনাম আৰু সমর্দ্ধন হেৰোৱাইছিল আৰু আনহাতে, সঞ্চয়ৰ অভাৱত তেওঁলোকক সামৰিক আৰু প্রশাসনীয় কাম-কাজ চলাই নিয়াত অসুবিধাত পৰিছিল।

দুর্বল চোৱাংচোৱা ব্যৱস্থা মাৰাঠাসকলৰ পতন ঘটাইছিল। বিশৃংখল তথা দক্ষ সেনানায়কৰ অভাৱে যেনেকৈ মাৰাঠা সেনাবাহিনীক দুর্বল কৰিছিল ঠিক তেনেদৰে চোৱাংচোৱা বাহিনীৰ বিফলতাই মাৰাঠা সকলক আকস্মিক বৃটিছ আক্রমণৰ মুখলে ঠেলিদিছিল। দুর্বল চোৱাংচোৱা ব্যৱস্থাৰ বাবেই মাৰাঠাসকল বৃটিছৰ সম্ভাব্য আক্রমণৰ বিষয়ে অজ্ঞাত থাকিল। এনে পৰিস্থিতিত তেওঁলোকৰ পৰজয় আৰু পতন অনিবার্য আছিল।

তেওঁলোকৰ পুৰণি গেৰিলা যুদ্ধৰ ৰণকৌশলৰ সুচিন্তিত প্ৰয়োগৰ অভাৱো মাৰাঠা শক্তিৰ পতনৰ অন্যতম কাৰণ হিচাপে ইতিহাসবিদসকলে অভিহিত কৰে।

১৫.৮ মাৰাঠা শাসনৰ তাৎপর্য

ভাৰতৰ প্ৰাদেশিক শক্তি সমূহৰ ভিতৰত মাৰাঠাসকলে ভাৰতীয় ৰাজনৈতিক ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। শিৱাজীৰ সফল নেতৃত্বত মাৰাঠাসকল দাক্ষিণাত্যৰ এটা অপৰাজেয় শক্তি হিচাপে উদ্ভাসিত হৈছিল। শক্তিশালী মোগল আৰু বৃটিছ বাহিনীক মাৰাঠাসকলেই প্ৰথমে প্ৰত্যাহ্বান জনাইছিল। মোগল সাম্ৰাজ্যৰ ধ্বংসৰ সময়ত তেওঁলোকে এখন নতুন ৰাষ্ট্ৰ নিৰ্মাণৰ শেষ প্ৰয়াস কৰিছিল। প্ৰায় দুই শতিকা জুৰি মোগল আৰু বৃটিছে ভাৰতত ৰাজনৈতিক প্ৰভুত্ব অক্ষুণ্ণ ৰখাৰ বাবে মাৰাঠা সকলৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হৈছিল। দাক্ষিণাত্যৰ মুছলমান অধ্যুষিত অঞ্চলত শিৱাজীৰ নেতৃত্বতে মাৰাঠাসকলে এখন হিন্দু ৰাষ্ট্ৰ নিৰ্মাণ কৰিছিল। তেওঁলোকে কেৱল দাক্ষিণাত্যত বৰ্তি থকাই নহয় বৰঞ্চ দাক্ষিণাত্যৰ ৰাজ্য সমূহত নিজৰ ৰাজনৈতিক প্ৰভুত্ব চলাবলৈও সক্ষম হৈছিল। পিছত পেছোৱাসকলৰ দক্ষ পৰিচালনাত উত্তৰ ভাৰতলৈকে তেওঁলোকে ৰাজ্য বিস্তাৰ কৰিব সক্ষম হৈছিল।

মাৰাঠাসকলৰ উত্থানে ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰখনত হিন্দুত্ববাদ আৰু ব্ৰাহ্মণ্য বাদৰ পুনৰুত্থান ঘটাইছিল। তেওঁলোকৰ একতা আৰু দেশপ্ৰেমে তেওঁলোকক ভাৰতত এক শক্তিশালী ৰাজনৈতিক শক্তি হিচাপে পৰিগণিত কৰিছিল। জীৱনৰ প্ৰত্যেক দিশত সামাজিক একতাৰ ওপৰত মাৰাঠাসকলে প্ৰাধান্য দিছিল। শিৱাজী আৰু পিছত পেছোৱাসকলে তেওঁলোকৰ সেনাবাহিনীত দক্ষ আৰু সাহসী কৃষক শ্ৰেণীৰ যুৱকক অন্তৰ্ভুক্ত কৰিছিল। আধুনিক সমৰ কলাত গেৰিলা ৰণ কৌশলৰ যথাৰ্থতা মাৰাঠাসকলে প্ৰমাণিত কৰিছিল। শিৱাজী আৰু অন্যান্য মাৰাঠা প্ৰধানে এই ৰণকৌশলৰ ব্যৱহাৰ বহুল ৰূপত কৰিছিল। এই প্ৰসিদ্ধ ৰণকৌশল প্ৰয়োগ কৰিয়েই আফজল খান আৰু চেইষ্টা খানৰ নিচিনা বীৰ যোদ্ধাক পৰাভূত কৰিবলৈ সক্ষম হৈছিল। ভাৰতৰ ইতিহাসত মাৰাঠাৰ গুৰুত্বপূৰ্ণ শাসন কালক কোনোপধ্যেই অস্বীকাৰ কৰিব নোৱাৰি।



১৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো —

- বিভিন্ন কাৰকে মাৰাঠাসকলক দাক্ষিণাত্যৰ প্ৰধান শক্তি হিচাপে উত্থান হোৱাত সহায় কৰিছিল
- মাৰাঠা ৰাষ্ট্ৰ গঠনত শিৱাজীৰ ভূমিকা
- প্ৰশাসন ব্যৱস্থা সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত শিৱাজীৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছিল
- ভাৰতৰ প্ৰত্যেক প্ৰান্তলৈ মাৰাঠা ৰাজ্য বিস্তাৰ কৰাৰ ক্ষেত্ৰত পেছোৱাসকলৰ ভূমিকা, আৰু
- মাৰাঠা শক্তিৰ পতনৰ বিভিন্ন কাৰকসমূহ।



১৫.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Mehta J.L. (2006). *Advanced Study in the History of Medieval India Vol. ll: Mughal Empire (1526-1707).* New Delhi, India: Sterling Publishers Pvt. Ltd.
- Chandra, Satish. (2015). *History of Medieval India. (800- 1700).* Hyderabad, India: Orient Blackswan Pvt. Ltd.
- Raychoudhary, S.C. (2011). *History of Medieval India* (From 1000-1707 AD). Delhi, India: Surjeet Publication.
- Chandra, Bipan. (2015). *History of Modern India.* Hyderabad, India. Orient BlackSwan Pvt.Ltd.
- Spear, Percival. (1985). *The Oxford History of Modern India (1740-1975).* New Delhi, India: Oxford University Press.
- Rao, K.S. Mameswar (2011). *Main Currents in India History - Ancient, Medieval and Modern.* Jaipur, India: Rawat Publication.



১৫.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ জুনাৰৰ ওচৰৰৰ শিৱানেৰ দূৰ্গ।

২নং প্ৰশ্নৰ উত্তৰ ঃ শিৱাজীৰ ককা

৩নং প্ৰশ্নৰ উত্তৰ ঃ স্বামী ৰাম দাস।

৪নং প্ৰশ্নৰ উত্তৰ ঃ **১৬৫৬** চনত

৫নং প্ৰশ্নৰ উত্তৰ ঃ মোগল বাদশ্বাহ ঔৰংজেৱৰ এজন প্ৰখ্যাত সেনাধ্যক্ষ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ **১৬৬৫** চনৰ **২৪** জুন।

৭নং প্ৰশ্নৰ উত্তৰ ঃ শিৱাজীৰ শাসনকালৰ চোৱাংচোৱা, ডাক ব্যৱস্থা আৰু জনকল্যাণ মন্ত্ৰী।

৮নং প্ৰশ্নৰ উত্তৰ ঃ পেটেল

৯নং প্ৰশ্নৰ উত্তৰ ঃ কোলাবা।



১৫.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ঃ দাক্ষিণাত্যৰ চুলতানসকলৰ বাবে মাৰাঠা সেনা কিয় প্ৰয়োজনীয়?

প্ৰশ্ন নং ২ঃ শিৱাজীৰ প্ৰাৰম্ভিক বৃত্তিত প্ৰভাৱ বিস্তাৰ কৰা লোকসকল কোন?

প্ৰশ্ন নং ৩ঃ 'অষ্ট প্ৰধান' বুলিলে কি বুজায়

প্ৰশ্ন নং ৪ঃ নানা ফড়নভিচ কোন আছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ঃ চমুটোকা লিখক ঃ

(ক) মোগল মাৰাঠা সংঘাত

(খ) মাৰাঠাসকলৰ ভূমি ৰাজহ

(গ) বালাজী বিশ্বনাথ

(ঘ) দ্বিতীয় বাজীৰাও

প্ৰশ্ন নং ২ঃ তাৰাবাই কোন আছিল?

প্ৰশ্ন নং ৩ঃ পুৰন্দৰ সন্ধিৰ চৰ্তসমূহ কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ঃ মাৰাঠাসকলৰ উত্থানৰ প্ৰধান কাৰকবোৰ আলোচনা কৰক।

প্ৰশ্ন নং ২ঃ শিৱাজীৰ প্ৰশাসন ব্যৱস্থাৰ পৰ্যালোচনা কৰক।

প্ৰশ্ন নং ৩ঃ মাৰাঠা সাম্ৰাজ্য বিস্তাৰত পেছোৱাসকলৰ অৱদানৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ৪ঃ মাৰাঠাসকলৰ পতনৰ কাৰকসমূহ বিশ্লেষণ কৰক।

———

REFERENCES

English Books:

1. Chandra, Bipan. (2015). History of Modern India: Hyderabad, India: Orient BlackSwan Pvt. Ltd.
2. Chandra, Satish. (2008). Medieval India: From Sultanate to the Mughals, Delhi Sultanate (1206-1526) Part One: New Delhi, India: Har-Anand Publications Pvt. Ltd.
3. Chattopadhyaya, D.P. (2011). Economic History of Medieval India, 1200-1500 (History of Science, Philosophy and Culture in Indain Civilization,Vol III, Part 1) : Delhi, India: Pearson Longman
4. Gribble, J.D.E. (1990). History of the Deccan, Vol. I: New Delhi, India: Mittal Publications
5. Habib, Irfan (2000). Agrarian System of Mughal India, 1556-1707: Bombay, India: Oxford University Press
6. Mahajan, V.D. (2007). History of Medieval India: New Delhi, India: S. Chand & Company Limited
7. Maiti, Provatansu and Kumar Saha, Prabhat (2000). Medieval India (1206 AD-1707 AD): Calcutta, India: Sreedhar Publishers
8. Majumdar, RC, RayChaudhuri, H.C. and Datta, K. (2007). An advanced History of India: Delhi, India: MacMillan
9. Majumdar, R.C. (1990). The Delhi Sultanate: Bombay, India: Bharatiya Vidya Bhawan
10. Mehta, J.L. (2006). Advanced Study in the History of Medieval India, Vol. II: Mughal Empire 1526-1707): New Delhi, India: Sterling Publishers Pvt. Ltd.
11. Prasad, Ishwari (1965). A Short History of Muslim Rule in India: Allahabad, India: The Indian Press
12. Prasad, Ishwari (1940). History of Medieval India: New Delhi, India: The Indian Press
13. Rao, KS Kameswar (2011). Main Currents in Indian History- Ancient, Medieval and Modern: Jaipur, India: Rawat Publication
14. RayChoudhary, S.C. (2011). History of Medieval India (From 1000-1707 AD): Delhi, India: Surjeet Publication
15. Richards, John F. (1996). The Mughal Empire: Cambridge, UK: Cambridge University Press
16. Roy, Kaushik (2013). Military Manpower, Armies and Warfare in South Asia: New York, USA: Taylor and Francis

17. Salma Ahmed, Farooqui. (2011). A Comprehensive History of Medieval India: From the Twelfth to the Mid Eighteenth Century: Delhi, India: Dorling Kindersley (India) Pvt. Ltd.

18. Sastri, K.A. Nilakanta. (2014). The illustrated History of South India: From PreHistoric Times to the Fall of Vijayanagar: New Delhi, India: Oxford University Press

19. Singh, Vipul. (2009). Interpreting Medieval India Vol. I: Early Medieval Delhi Sultanate and Regions (circa 750-1550): New Delhi, India: MacMillan

20. Spear, Percival. (1985). The Oxford History of Modern India (1740-1975): New Delhi, India: Oxford University Press

21. Vivekananda, Jayashree. (2011). Interrogating International Relation's: India's strategic Practice and the Return of History: New Delhi, India: Routledge

Online Sources:

Bayazid Ansari and his Raushaniya Movement (2016, January 7). Retrieved fromm https://pakpatpourri.wordpress.com/2012/12/23/bayazid-ansari-his-raushaniya-movemnt-in-the-af-pak-regions-16th-17th-century/